DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 24th July, 2006

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 121, Hon'ble Member, Shri Kamalshing Narzary.

বিষয় ঃ অগ্নি নির্বাপক কেন্দ্র স্থাপন।

শ্রীকমলসিং নার্জাৰীয়ে সুধিছে ঃ

★ ১২১। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাত অগ্নি নির্বাপক কেন্দ্র নথকাৰ বাবে মহকুমাটোৰ ৰাইজে সন্মুখীন হোৱা সমস্যাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে?

(খ) যদি অৱগত হয়, বিজনীত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপনৰ বিষয়ে চৰকাৰে ব্যৱস্থা কৰিছেনে? যদি কৰিছে, কিমান দিনৰ ভিতৰত ইয়াক কার্য্যকৰী কৰি তোলা হ'ব?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) আৱশ্যক পুঁজিৰ ব্যৱস্থাৰ ভিত্তিত ব্যৱস্থা লোৱা হব।

★ **শ্রীকমলসিং নার্জাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিজনীত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰাৰ ক্ষেত্রত মই সোধা প্রশ্নৰ উত্তৰত মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিছে যে– আৱশ্যক পুঁজিৰ ব্যৱস্থাৰ ভিত্তিত ব্যৱস্থা লোৱা হব। এই ক্ষেত্রত মই মন্ত্রী মহোদয়ক পুনৰ অনুৰোধ কৰি জানিব বিচাৰিছো যে বিজনী এখন পুৰণি ঐতিহাসিক ঠাই আৰু এটা সময়ত এইখন এখন ৰাজ্যৰ ৰাজধানীও আছিল। কিন্তু আজিকোপতি ইয়াত এটা অগ্নি নির্বাপক বাহিনী কেন্দ্র স্থাপন নোহোৱা কাৰণে সেই ঠাইৰ মানুহে জীয়াতু ভূগি থাকিবলগা হৈছে। যোৱা ১৭ জুলাই তাৰিখে দিনৰ ১১.৩০ বজাত তাত এটা ভয়াবহ অগ্নিকাণ্ড হৈ যায় আৰু সেই অগ্নিকাণ্ডত ৬ খন দোকান ভস্মীভূত হয়। ইয়াৰ আগতেও তাত কেইবাটাও অগ্নিকাণ্ড হৈ গৈছে আৰু মানুহৰ সা-সম্পত্তি ধ্বংস হৈ গৈছে। আজি বিজনী মহকুমা স্থাপন হোৱা ১১ বছৰ হৈ গ'ল, কিন্তু তাত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন নহ'ল। গতিকে এই ক্ষেত্রত সোনকালে ব্যৱস্থা গ্রহণৰ কাৰণে মন্ত্রী মহোদয়ে আমাক আশ্বাস দিবনে?

★ **শ্রীৰকিবুল হুছেইন** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিজনী এখন ঐতিহাসিকপূর্ণ ঠাই আৰু সেই ঠাইত এটা অগ্নি নির্বাপক কেন্দ্রৰ প্রয়োজনীয়তা সম্পর্কে চৰকাৰ অৱগত। কিন্তু এই ক্ষেত্রত মই কব খোজো যে নতুনকৈ এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰিবলৈ হ'লে ১ কোটি ৬০ লাখ টকাৰ প্রয়োজন হয়। এই টকাখিনিৰ অভাৱৰ কাৰণে আমি তাত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰিব পৰা নাই। এইটোও

★ Speech not corrected.

ঠিক যে সেই অঞ্চলত অগ্নিকাণ্ড সংঘটিত হ'লে বঙাইগাওঁৰ পৰা অগ্নি নির্বাপক বাহিনী আনিবলগা হয়। গতিকে এই কথাবিলাক চৰকাৰ অৱগত আৰু মাননীয় সদস্যগৰাকীৰ প্রশ্নটো পোৱাৰ পিছত এই বিষয়টো আমি তন্নতন্নকৈ চোৱা-চিতা কৰিছো আৰু আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা হ'লে সোনকালে তাত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লোৱা হব।

★ **শ্রীকমলসিং নার্জাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত বিত্তীয় বর্ষতে এই কেন্দ্রটো স্থাপন কৰাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিব নেকি, মন্ত্রী মহোদয়ে জনাব নেকি?

★ **শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে এটা নতুন অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰিবলৈ ১কোটি ৬০ লাখ টকাৰ প্রয়োজন। আমি পুঁজি সাপেক্ষেহে কাম হাতত লব পাৰিম। কিন্তু এই বিত্তীয় বছৰতে কৰিব পাৰিম নে নোৱাৰিম সেইটো আজিয়েই কব নোৱৰিম। তথাপিও মই মাননীয় সদস্যগৰাকীক জনাও যে এই ক্ষেত্রত আমি যথেষ্ট চিন্তা-চর্চ্চা কৰি আছো আৰু আশা ৰাখিছো সোনকালে তাত এটা অগ্নি নির্বাপক কেন্দ্র স্থাপন কৰিব পৰা হব।

Mr. Speaker : Now, Starred Question No. 122, Hon'ble Member, Dr. Kamala Kanta Kalita.

বিষয় ঃ শিশু খাদ্য যোগান।

ডাঃ কমলা কান্ত কলিতাই সুধিছে ঃ

★ Speech not corrected.

★ ১২২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) সংহত শিশু উন্নয়ন প্রকল্পসমূহত শিশু খাদ্য যোগান ধৰি থকা হৈছেনে?

(খ) অংগনবাদী কেন্দ্রসমূহ নতুনকৈ নির্মাণ কৰা হৈছে নেকি? যদি হৈছে, তেন্তে চৰকাৰে নির্দ্ধাৰিত নীতি মানি কেন্দ্রসমূহ নির্মাণ কৰিছেনে?

(গ) সংহত শিশু উন্নয়ন প্রকল্পসমূহত পৰিচালনা কমিটি গঠন হ'ল নেকি?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। পর্য্যায়ক্রমে শিশু খাদ্য যোগানৰ কাম আৰম্ভ কৰা হৈছে।

(খ) হৈছে। হয়, চৰকাৰৰ নীতি-নিয়ম মানি কৰা হৈছে যদিও ২,৩৭০টা নতুন কেন্দ্রৰ নীতি-নিয়মাৱলীৰ ক্ষেত্রত অসম চৰকাৰৰ বিত্ত বিভাগে কিছু প্রশ্ন উত্থাপন কৰিছে আৰু বর্ত্তমানে এই বিষয়টো বিভাগীয় বিবেচনাধীন হৈ আছে।

(গ) সংহত শিশু উন্নয়ন প্রকল্পসমূহত পৰিচালনা কমিটি গঠন কৰা নহয়।

★ **ডাঃ কমলা কান্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, সংহত শিশু উন্নয়ন প্রকল্পসমূহৰ যোগেদি প্রসুতি আৰু পুষ্টিহীন শিশুসকলক ক্রমে ২.৩০ আৰু ২.৭০ টকা হাৰৰ খাদ্য যোগান ধৰাৰ নির্দ্দেশ আছে। গতিকে নির্দ্ধাৰিত হাৰত এই বস্তুসমূহ যোগান ধৰা হৈছেনে নাই সেই সম্পর্কে মন্ত্রী মহোদয়াই জনাবনে?

★ Speech not corrected.

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো প্রশ্ন কৰিছে সেই ক্ষেত্রত মই জনাব খোজো যে এই আঁচনিসমূহৰ ধন ৫০ শতাংশ কেন্দ্রীয় চৰকাৰে আৰু ৫০ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব লাগে আৰু বছৰত কমেও ৩০০ দিন যোগান ধৰিব লাগে। আমাৰ পুঁজিৰ অভাৱ হোৱা হেতুকে আমি সম্পূর্ণভাবে যোগান ধৰিব পৰা নাই। আমি ১৮০ দিন মানহে দিব পাৰিছো।

★ **ডাঃ কমলা কান্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়াই পুঁজিৰ অভাৱত এই আঁচনিৰ সম্পূর্ণ যোগান ধৰিব পৰা নাই বুলি সদনক জনাইছে। এই সংক্রান্তত মই মন্ত্রী মহোদয়াক সুধিব খুজিছো যে যোৱা কিছু বছৰ ধৰি অঙ্গনবাদী কেন্দ্রসমূহ স্থাপন কৰা আৰু সেইসমূহৰ ঘৰ-দুৱাৰ নির্মাণৰ ক্ষেত্রত বহুতো খেলি-মেলি হোৱা পৰিলক্ষিত হৈছে। বহুতো ঠাইত ঘৰ বনোৱা বুলি কৈছে যদিও প্রকৃততে তাত ঘৰ বনোৱা নাই। আনহাতে ২,৩৭০ টা নতুন কেন্দ্র স্থাপনৰ ক্ষেত্রত বিত্ত বিভাগে কি প্রশ্ন উত্থাপন কৰিছে সেই বিষয়ে জনাব নেকি? মোৰ সমষ্টিত যিবিলাক কেন্দ্র স্থাপন কৰা হৈছে সেইবিলাক চৰকাৰৰ নীতি-নিয়মমতে কৰা হৈছেনে নাই? যিবিলাক কেন্দ্র স্কুল কেম্পাছত কৰিব লাগিছিল সেইমতে কৰা হোৱা নাই। ৫০ শতাংশৰে ঘৰ-দুৱাৰ নাই। এই কথাবিলাক অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব নেকি মন্ত্রী মহোদয়াই জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই ক্ষেত্রত মই জনাও যে আমি নীতি-নিয়ম অনুসৰিয়ে এই কেন্দ্রসমূহ স্থাপন কৰিছো। বাকী ২,৩৭০টা

★ Speech not corrected.

কেন্দ্রৰ ক্ষেত্রত যিটো কথা উঠিছে, সেই ক্ষেত্রতো আমি চোৱা-চিতা কৰি ব্যৱস্থা গ্রহণৰ বাবে প্রচেষ্টা হাতত লৈছো। আমি পর্য্যায়ক্রমে অঙ্গনবাদী কেন্দ্রসমূহৰ কাম কৰি আছো। ইতিমধ্যে আমাৰ ২৫হাজাৰ অঙ্গনবাদী কেন্দ্র কৰাৰ লক্ষ্য আছে। ১১হাজাৰ নির্মাণৰ কাম সম্পূর্ণ হৈছে। ৬হাজাৰৰ কাম চলি আছে আৰু ৫হাজাৰ কেন্দ্রৰ নতুন আঁচনি লোৱা হৈছে। এই কেন্দ্রসমূহৰ বাবে চেংচন পালেই আমি কাম কৰিব পাৰিম।

★ **ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটো হৈছে, যিবিলাক অঙ্গনবাদী ঘৰ নির্মাণ কৰা হৈছে, সেই ঘৰবিলাক জৰাজীর্ণ। ব্যৱহাৰৰ উপযোগী নহয়। ভাঙি-ছিঙি শেষ হৈ গৈছে। যিবিলাক ঠিকাদাৰক ঘৰবিলাক বনাবলৈ দিছে তেওঁলোকে ঠিকমতে ঘৰবোৰ বনোৱা নাই। চাব-চেন্টাৰত শতকৰা ৫০ শতাংশ ঘৰ নাই। অফিচৰ কোনোবা এজন ঠিকাদাৰক চাবৰ বাবে পঠাই দিব পাৰে। মোৰ ওচৰত ফটো আছে।

মাননীয় অধ্যক্ষ ঃ কিবা অভিযোগ থাকিলে মাননীয়া মন্ত্রী মহোদয়াক দিব লাগে।

★ **শ্রীদ্রুপদ বৰগোঁহাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ লগত ময়ো একমত। মোৰ সমষ্টিৰ অঙ্গনবাদীৰ ঘৰবিলাক ভাঙি-ছিঙি গৈছে। যিবিলাক ঘৰ বনোৱা হৈছে তাত তর্জা বেৰ দিয়া। ঘৰটোৰ ভিতৰত কেচুমতাই ভৰি থাকে। সৰু ল'ৰা-ছোৱালীবিলাকে খাবৰ কাৰণে যদি তাত কিবা সিজাই খুৱাই তেতিয়া ল'ৰা-ছোৱালীবিলাকৰ স্বাস্থ্য হানিহে হব। তেখেত গাঁৱৰ পৰা আহিছে আৰু আমিও গাঁৱৰ পৰা আহিছো। গতিকে মই মাননীয়া মন্ত্রী

★ Speech not corrected.

মহোদয়াক অনুৰোধ কৰিছো এই ক্ষেত্রত যে ভাল ব্যৱস্থা লয়।

★ **শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ. জি. পি. চৰকাৰৰ দিনত এনেকুৱা বহুত ঘৰ বনাইছিল। যিবোৰৰ অৱস্থা জৰাজীর্ণ হৈ গৈছে। সেইবোৰৰ ব্যৱস্থা কৰিবৰ বাবে মই বিভাগীয় মন্ত্রী মহোদয়াক অনুৰোধ কৰিছো।

★ **শ্রীপৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেচুৱা ল'ৰা-ছোৱালী বিলাকক অঙ্গনবাদীলৈ পঠালে ঘৰত চিন্তা হয়। কেতিয়া অঙ্গনবাদী ঘৰ ভাঙি যায় কব নোৱাৰি। কিবা চিকিৎসা কৰিবলৈ হ'লে গুৱাহাটী বা বৰপেটালৈ অনাৰ বাহিৰে আন একো কৰিব নোৱাৰো। সেয়েহে মই মাননীয়া মন্ত্রী মহোদয়াক সুধিব বিচাৰিছো-এনেকুৱা ঘৰবোৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি অঙ্গনবাদী ঘৰবোৰৰ কোনো অভিযোগ পোৱা নাই। যদি অভিযোগ পাওঁ তেতিয়া ব্যৱস্থা লোৱা হব। মাননীয় সদস্যগৰাকীয়ে সুধিছে যে পৰিচালনা সমিতি গঠন কৰিছে নে নাই? যদি পৰিচালনা সমিতি গঠন কৰা নাই গঠন কৰিবৰ বাবে চিন্তা-চর্চ্চা কৰি থকা হৈছে। পৰিচালনা সমিতি গঠন কৰা হ'লে সেই পৰিচালনা সমিতিৰ জড়িয়তে ব্যৱস্থা লোৱা হ'ব।

★ **ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা বিষয়াৰ ওচৰত অভিযোগ দিয়া আছে। এই বিষয়ত তদন্ত কৰিব নেকি?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশেষভাবে অভিযোগ দিলে তদন্তৰ ব্যৱস্থা কৰা হ'ব।

★ **ডাঃ কমলা কান্ত কলিতা ঃ** One point of claim, আমি

★ Speech not corrected.

জিলা বিষয়াৰ ওচৰত অভিযোগ দিছো। মাননীয়া মন্ত্রী মহোদয়াই কৈছে অভিযোগ দিয়া নাই। আমি অভিযোগ দিছো।

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঃ কলিতাদেৱে আগতে এখন অভিযোগ দিছিল মই পাইছো। সেই সময়ত বিভাগৰ লগত জড়িত হোৱা নাছিলো। এতিয়া যদি অভিযোগ দিয়ে ব্যৱস্থা লম।

Mr. Speaker : Now, Starred Question No. 123, Hon'ble Member, Shri Girindra Kumar Baruah.

বিষয় ঃ পথ নির্মাণ।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছেঃ

★ ১২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯৯ চনৰ ১ এপ্রিল তাৰিখৰ পৰা ২০০৬ চনৰ ৩০ মার্চ তাৰিখলৈকে নগাওঁ জিলা গ্রামোন্নয়ন অধিকৰণ আৰু পিছলৈ নগাওঁ জিলা পৰিষদৰ জড়িয়তে সর্বমুঠ কিমান কিলোমিটাৰ পথ পি. এম. জি. এচ. ওৱাই. আঁচনিৰ অধীনত নির্মাণ কৰা হ'ল? (ব্লকৰ এলেকা অনুসৰি সদনৰ মেজত তালিকা দিব)

(খ) উক্ত পথসমূহ নির্মাণৰ তালিকা কিহৰ ভিত্তিত প্রস্তুত কৰা হয়?

(গ) পথসমূহৰ তালিকা প্রস্তুতিৰ বাবে সমিতি গঠন কৰা হৈছে নেকি?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) গড়কাপ্তানী পথ বিভাগত পি.এম.জি.এচ.ওৱাই (PMGSY) আঁচনি ২০০০-২০০১ চনৰ পৰাহে আৰম্ভ হৈছে। এই আঁচনিৰ অধীনত ২০০০-২০০১ চনৰ পৰা ২০০৬ চনৰ ৩০ মার্চ তাৰিখলৈকে নগাওঁ জিলাত গড়কাপ্তানী পথ বিভাগৰ দ্বাৰা সর্বমুঠ ১৮৩.১২৫ কিঃ মিঃ পথ সম্পূর্ণ কৰা হৈছে।

<u>নগাওঁ জিলাত</u>

২০০০-২০০১ বর্ষত — ২০ টা পথ।

২০০১-২০০২ বর্ষত — ২৯ টা পথ।

২০০৩-২০০৪ বর্ষত — ১২ টা পথ।

২০০৪-২০০৫ বর্ষত — ১২ টা পথ।

মুঠ ৭৩ টা পথ বর্ত্তমানলৈকে সম্পূর্ণ কৰা হৈছে। বিস্তাৰিত তালিকাত ব্লক অনুসৰি পথৰ নাম আৰু দৈর্ঘ্য কিলোমিটাৰত অনুবদ্ধ 'ক'ত উল্লেখ কৰা হৈছে। (See Annexure-I)

(খ) প্রধান মন্ত্রী গ্রাম চড়ক যোজনাৰ অধীনত প্রস্তাৰিত পথসমূহ কেন্দ্রীয় চৰকাৰৰ পি. এম. জি. এচ. ওৱাইৰ গাইড লাইন (Guide Line)ৰ ভিত্তিত জিলা পৰিষদৰ অনুমোদন সাপেক্ষে নির্বাচন কৰা হয়।

(গ) পথসমূহৰ তালিকা প্রস্তুত কৰিবলৈ কোনো সমিতি গঠন কৰা নহয়।

★ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া মন্ত্রী মহোদয়াৰ পৰা দুটা কথা জানিব বিচাৰিছো, পি. এম. জি. এচ.

★ Speech not corrected.

ওৱাই. আঁচনিৰ অধীনত ৰাস্তা নির্মাণৰ বাবে গড়কাপ্তানী বিভাগক চৰকাৰৰ ফালৰ পৰা দায়িত্ব দিছে। এইটো চিলেক্চন কোনে কৰিব? ডি. আৰ. ডি. এ. জিলা পৰিষদ ——

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগাওঁ জিলাত ২০০০-২০০১ চনৰ পৰা ২০০৪-২০০৫ চনলৈকে কি কি ৰাস্তা লোৱা হৈছে? মই কব বিচাৰিছো- প্রথম ব্লকত ৭৫০ কিলোমিটাৰ লৈছে, তাৰ পিছত অন্য এটা ব্লকত ৭৫০ কিলোমিটাৰ, তাৰ পিছত ৬৫০ কিলোমিটাৰ বেলেগে লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাবোৰ লিঙ্ক ৰোড হ'ব লাগে। এটা ৰাস্তাৰ পৰা আনটো ৰাস্তাৰ সংযোগ পথ নির্মাণ কৰিবৰ বাবে জিলা পৰিষদক নির্দ্দেশ দিয়া হ'ব নেকি?

দ্বিতীয়তে, যিসকল ঠিকাদাৰক কাম কৰিবলৈ দিয়া হৈছে কৰ'বাত কৰ'বাত দেখা গৈছে যিসকল ঠিকাদাৰে কাম কৰিছে সেই ৰাস্তাৰ ওপৰত তেওঁলোকৰ নামৰ ফলক আছে আৰু কোনোবাজন ঠিকাদাৰৰ নামৰ ফলক দিয়া নাই। তেওঁলোকে কিমান দিনৰ কাৰণে কামৰ দায়িত্বত থাকে তাকো লিখা থাকিব লাগে।

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, যিটো চিলেকচন কমিটি প্রভিজনৰ কথা কৈছে মই মাননীয় সদস্যজনক জনাওঁ যে সেই কমিটিখনত স্থানীয় বিধায়ক, এম. পি.ক জড়িত কৰা হৈছে। তাৰোপৰি কামবিলাক গাইড লাইনমতে হব লাগে। Local M.L.A.s and M.P.s are invloved. যিবিলাক অঞ্চলত এহেজাৰতকৈ বেছি জনবসতি আছে সেইবিলাক ঠাইত

ৰাস্তা নির্মাণৰ সময়ত কমিটিৰ লগত বিধায়ক আৰু এম. পি.ক লৈ চূড়ান্ত কৰিবলৈ দিয়া হয়। জিলা পৰিষদকো লোৱা হৈছে। মাননীয় সদস্যগৰাকীৰ নগাওঁ জিলাৰ বাহিৰেও গোটেই অসমতে এই সিদ্ধান্ত লোৱা হৈছে। ২০০৫-২০০৬ চনতো পি. এম. জি. এচ. ওৱাইৰ আঁচনিমতে লিঙ্ক ৰোড নির্মাণৰ বাবে নির্দ্দেশ দিয়া হৈছে। লগতে জিলা পৰিষদকো ফাইনেল সিদ্ধান্ত গ্রহণ কৰিবলৈ কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, যথেষ্ট সংখ্যক বিধায়ক এইবাৰ নির্বাচিত হৈ আহিছে। প্রায়বিলাক ৰাস্তা ২০০৫-২০০৬ চনত ভাৰত চৰকাৰে বিস্তৃত ভাৰত নির্মাণ আঁচনিত অন্তর্ভূক্ত কৰিছে। যোৱা ৫টা বছৰ যিমান আঁচনি কৰা হৈছিল এইবাৰ বহুত বেছি আঁচনি নির্দ্ধাৰণ কৰা হৈছে। ২০০৫-২০০৬ চনত ৯১১ কিলোমিটাৰ ৰাস্তা আছিল। এইবছৰ ২ হেজাৰ ৬০ কিলোমিটাৰ লোৱা হৈছে প্রাইম মিনিষ্টাৰ জি. এচ. ওৱাই. আঁচনিৰ অধীনত। আগতকৈ এইবছৰ বৃদ্ধি হৈছে। ২০০৬-২০০৭ চনত অসম চৰকাৰে গড়কাপ্তানী বিভাগক ২ হেজাৰ ৯০০ কিলোমিটাৰৰ ঠাইত ৩ হেজাৰ ৯০০ কিলোমিটাৰ কৰিব লাগিব। আগৰ যিবিলাক লিঙ্ক ৰোড আছিল সেইবিলাকৰ লগত আৰু লিঙ্ক ৰোড সোমাই লব পৰা যাব। আঁচনিবিলাকৰ নাম আৰু ফলক দিবৰ বাবে নির্দ্দেশ দিয়া হৈছে।

★ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কার্য্যকাল কিমান বছৰ থাকে?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কার্য্যকাল পাঁচ বছৰ থাকে।

★ **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত

★ Speech not corrected.

দুটা পথ। এটা নগাওঁ বিৰহ-বেবেজীয়া আৰু আনটো বেবেজীয়া-চামগুৰি। এই পথ দুটাৰ অৱস্থা অতি শোচনীয়। যিকেইজন ঠিকাদাৰক এই পথ দুটা নির্মাণৰ দায়িত্ব দিয়া হৈছিল তেওঁলোকৰ দ্বাৰাই পুনৰ এই পথ দুটাৰ মেৰামতিৰ ব্যৱস্থা কৰাব নেকি?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আলোচনা কৰি চোৱা হব।

Mr. Speaker : Now, Starred Question No. 124, Hon'ble Member, Shri Mission Ranjan Das.

Sub : Function of D.D.R.C. at Karimganj.

Shri Mission Ranjan Das asked :

★ 124. Will the Minister of Social Welfare be pleased to state :

What are the steps taken by the Government for granting one District Disability Rehabilitation Centre (D.D.R.C.) at Karimganj as per representation submitted to the Hon'ble Minister of 5-6-2006 by the questioner and when it will start function at Karimganj?

Smti. Ajanta Neog (Minister, Social Wefare) replied:

A detailed Report has been called for in respect of setting up a District Disability Rehabilitation Centre (D.D.R.C.) at Karimganj as per representation dt. 5.6.06 of the questioner. On receiving the detiled report necessary steps will be taken keeping in view of the feasibility and availability of fund.

★ শ্রীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্রী মহোদয়াই উত্তৰ দিছে যে- A detailed Report has been called for in respect of setting up a District Disability Rehabilitation Centre (D.D.R.C.) at Karimganj as per representation dated 5-6-06 of the questioner. On receiving the detiled report necessary steps will be taken keeping in view of the feasibility and availability of fund. আচলতে চাৰ, শিলচৰ মেডিকেল কলেজত চার্টিফিকেট দি আছে। বিভিন্ন এন. জি. অ' বিলাকে চার্টিফিকেট নোহোৱাৰ কাৰণে নানান অসুবিধাৰ সন্মুখীন হৈছে। কৰিমগঞ্জত কিমান চেন্টাৰৰ পি. চি. ভিজিবিলিটি আছে?

★ Speech not corrected.

Mr. Speaker : Feasibility and availability of fund.

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নেচনেল ডিজেবিলিটি ফৰ ৰিহেবিলিটেচন এই চেণ্টাৰটো ২০০০ চনতে লোৱা হৈছিল, এইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। আমাৰ অসমত চাৰিখন জিলাত- কামৰূপ, ডিব্ৰুগড়, কাচাৰ আৰু গোৱালপাৰাত চলি আছে। কিন্তু ২০০২-২০০৩ চনত এই আঁচনিখন পুঁজিৰ অভাৱত চলাব পৰা নাই। তেখেতে যিটো পুঁজিৰ কথা কৈছে আমি চাম।

Mr. Speaker : Now, Starred Question No. 125, Hon'ble Member, Shri Ghana Buragohain.

বিষয় ঃ এককালীন সাহায্য।

শ্ৰীঘন বুঢ়াগোহাঁইয়ে সুধিছে ঃ

★ ১২৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত বিধৱা আৰু প্ৰসুতিৰ এককালীন সাহায্য কিমানজনে লাভ কৰিছে? (২০০১ চনৰ পৰা বৰ্ত্তমানলৈকে খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ ভিত্তিত তালিকা দিব)

(খ) জিলাখনত সমাজ কল্যাণ বিভাগৰ অধীনত কেইটা অঙ্গনবাদী কেন্দ্ৰ আছে? আটাইবোৰ কেন্দ্ৰৰে কাৰ্য্যালয় নিজাকৈ আছেনে? যদি নাই, কি কি কেন্দ্ৰৰ নাই তালিকা দিবনে?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এই আঁচনি সমাজ কল্যাণ বিভাগৰ অধীনত নহয়। গতিকে ২০০১ চনৰ পৰা বৰ্ত্তমানলৈকে খণ্ড উন্নয়ন কার্য্যালয়ৰ ভিত্তিত তালিকা দিয়াৰ প্ৰশ্ন নুঠে।

(খ) লক্ষীমপুৰ জিলাত সমাজ কল্যাণ বিভাগৰ অধীনত ১,০২৬টা অঙ্গনবাদী কেন্দ্ৰ আছে। আটাইবোৰ কেন্দ্ৰৰে নিজাকৈ কার্য্যালয় নাই। নিজাকৈ কার্য্যালয় নথকা কেন্দ্ৰবোৰৰ নাম বিচৰা হৈছে।

★ **শ্ৰীঘন বুঢ়াগোঁহাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰীক এটা প্ৰশ্ন সুধিছিলো যে লক্ষীমপুৰ জিলাত বিধৱা আৰু প্ৰসুতিৰ এককালীন .....

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্নটো পঢ়ি দিব নালাগে।

★ **শ্ৰীঘন বুঢ়াগোঁহাই**ঃ মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ জিলাত বিধৱা আৰু প্ৰসুতিৰ বাবদ যিটো সাহায্য দিয়া হয় সেইখিনি যথেষ্ট নহয়, গতিকে পৰিমাণটো বঢ়াই দিলে ভাল হয়। তাৰোপৰি অহা-যোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাই হওঁক বা অসম চৰকাৰৰ ফালৰ পৰাই হওঁক কিবা এটা সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে?

মোৰ দ্বিতীয় প্ৰশ্ন হৈছে যে লক্ষীমপুৰ জিলাত জনসাধাৰণৰ ভিত্তিত এতিয়া কিমান অঙ্গনবাদী কেন্দ্ৰ চলাই থকা হৈছে আৰু মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো লক্ষীমপুৰত নতুন অঙ্গনবাদী চেণ্টাৰ লোৱাৰ কিবা ব্যৱস্থা হৈছে নেকি?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্ত বিভাগে এডিচনেল পুঁজি দিয়াৰ ওপৰত নির্ভৰ কৰি বিবেচনা কৰা হব।

Mr. Speaker : Now, Starred Question No. 126, Hon'ble Member, Shri Abdul Aziz.

★ Speech not corrected.

বিষয় ঃ পথ মেৰামতি।

শ্রীআব্দুল আজিজে সুধিছে ঃ

★ ১২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৰূপহীঘাট সমষ্টিৰ অন্তর্গত জুৰীয়াৰ পৰা কাঢ়িয়া-ডিঙ্গা বজাৰ হৈ গড়জান ফৰেষ্ট অফিচলৈ যোৱা ৰাস্তাটো অতি শোচনীয় হৈ থকা বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, এই ৰাস্তাটো পকীকৰণৰ ব্যৱস্থা কৰিবনে ?

(গ) যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব ?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) চলিত বিত্তীয় বর্ষত পকীকৰণৰ বাবে উক্ত ৰাস্তাটোৰ কোনো আঁচনি লোৱা হোৱা নাই। অগ্রাধিকাৰ ভিত্তিত পকীকৰণৰ ব্যৱস্থা কৰা হব।

(গ) বিভাগীয় অনুমোদন সাপেক্ষে আঁচনিৰ নির্দ্ধাৰিত সময়ত পথটোৰ পকীকৰণৰ কাম কৰিব পৰা যাব।

★ **শ্রীআব্দুল আজিজ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়াক সুধিব বিচাৰিছো যে মোৰ সমষ্টিত ৩৯টা ৰাস্তা আছে। তাৰ ভিতৰত প্রশ্ন নং (ক)ত উল্লেখ কৰা ৰাস্তাটো আঁচনিত ধৰা নাই.....

মাননীয় অধ্যক্ষ ঃ ধৰা নাই যদি পৰিপূৰক প্রশ্ন আনিব।

★ **শ্রীআব্দুল আজিজ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩৭ নং ৰাস্তাটোৰ ব্লেক

★ Speech not corrected.

টপিং হোৱা নাই। এই ৰাস্তাটো ব্লেক টপ কৰাৰ কাৰণে মই মন্ত্ৰী মহোদয়াৰ পৰা এচিউৰেন্স বিচাৰিছো।

★ শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কজনে যিটো ৰাস্তাৰ কথা কৈছে সেইটো সামৰা হব।

Mr. Speaker : Now, Starred Question No. 127, Hon'ble Member, Shri Abhijit Hazarika.

বিষয় ঃ চাহ শ্ৰমিকৰ দাবী।

শ্ৰীঅভিজিৎ হাজৰিকাই সুধিছেঃ

★ ১২৭। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰ অৱগতনে, অসমৰ চাহ বাগিছাসমূহৰ শ্ৰমিকসকলে আৰু প্ৰাক্তন চাহ শ্ৰমিক সংগঠনে চাহ বাগিছাৰ ভূমিহীন শ্ৰমিকসকলৰ পুনঃ সংস্থাপন কৰাৰ কাৰণে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে। যদি অৱগত, চৰকাৰে উক্ত দাবীৰ ক্ষেত্ৰত কেনে পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) চাহ বাগিছাৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লবনে?

(গ) ৰঙাপাৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত চাহ শ্ৰমিক ছাত্ৰ-ছাত্ৰী সকলে Welfare Scheme ৰ পৰা Pre-Matric আৰু Post Matric Scholarship কিমানজনে লাভ কৰিলে?

★ Speech not corrected.

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি আৰু কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ভূমিহীন চাহ-জনগোষ্ঠীৰ লোকসকলক ভূমি আৱন্টন দিয়াটো চৰকাৰে ভূমি নীতিৰ অন্তর্গত চলি থকা এটা বিষয়। ইয়াৰ দায়িত্ব উপায়ুক্ত আৰু মহকুমাধিপতিসকলৰ ওপৰত ন্যস্ত কৰা আছে। আৱন্টন নোপোৱা যিকোনো ভূমিহীন লোকে উপায়ুক্ত আৰু মহকুমাধিপতিৰ ওচৰত আবেদন দাখিল কৰিলে সুবিচাৰ পাব।

(খ) কোনো বিদ্যালয় চৰকাৰীকৰণ কৰাৰ সিদ্ধান্ত চৰকাৰে লোৱা নাই।

(গ) ইং ২০০৫-০৬ বিত্তীয় বর্ষত তেজপুৰ মহকুমাৰ ৮৯ জন ছাত্র-ছাত্রীলৈ প্রাক-প্রবেশিকা বৃত্তি আগবঢ়োৱা হৈছে। উক্ত বর্ষত কোনো শিক্ষার্থীলৈ প্রবেশিকোত্তৰ বৃত্তি আগবঢ়োৱা হোৱা নাই। যিহেতু এই বৃত্তিৰ হিতাধিকাৰীসকলক মহকুমা ভিত্তিতহে বাচনি কৰা হয়। সেয়ে তেজপুৰ সদৰ মহকুমাৰ অন্তর্গত ৰঙাপাৰা বিধানসভা সমষ্টিৰ হিতাধিকাৰীৰ সংখ্যা সুকীয়াকৈ উলিওৱা সম্ভৱ নহয়।

★ শ্রীঅভিজিৎ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়াই এটা কথা কব নেকি যে চাহ বাগিছাৰ অন্তর্ভূক্ত যিবিলাক স্কুল আছে সেইবিলাকৰ মানদণ্ড অতি নিম্নগামী হৈছে। সেই স্কুলবিলাক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

★ শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো পৰিপূৰক প্রশ্ন কৰিছে সেইটো শিক্ষা বিভাগৰ বিষয়। তথাপিও মই কব বিচাৰিছো যে ১৯৭৪ চনত অবিভক্ত শিৱসাগৰ আৰু

★ Speech not corrected.

ডিব্রুগড় জিলাৰ যিবিলাক বিদ্যালয় সেইবিলাক চৰকাৰীকৰণ কৰা হৈছে। তাৰ পিছত এই ক্ষেত্ৰত শিক্ষা বিভাগৰ লগত বহুতবাৰ আলোচনা কৰা হৈছে। কিন্তু আজিলৈকে হোৱা নাই।

★ **শ্ৰীঅভিজিৎ হাজৰিকা** ঃ চাহ বাগিছাৰ লোকৰ কল্যাণৰ কাৰণে এটা বিভাগ খোলা হৈছে। চাহ বাগিছাৰ বনুৱাৰ মাটিৰ সমস্যাটোও, ডাঙৰ সমস্যা। তেওঁলোকে মাটিৰ পট্টাৰ কাৰণে যিবিলাক আবেদন কৰিছে সেইবিলাক চাৰ্কেল অফিচত বা উপায়ুক্তৰ অফিচত বহুত দিন ধৰি পৰি আছে। চাৰ্কেল অফিচবিলাকত দুৰ্নীতিগ্ৰস্ত বিষয়াৰ ভৰপক তেওঁলোকক সদায় ঘূৰাই, সদায়ে অহা-যোৱা কৰে। ইটো সিটো দেখুৱাই ঘূৰাই থাকে। গতিকে চৰকাৰে এই নীতি-নিয়ম বান্ধি লৈ সেই স্পষ্ট নীতিৰ দ্বাৰা এই দুখীয়া লোকসকলক সকাহ দিব নোৱাৰেনে?

★ **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী)** ঃ এই বিষয়টো ৰাজহ বিভাগৰ। যোৱা চৰকাৰৰ দিনত যথেষ্ট মাটি পট্টন দিয়া হৈছে। সহজ প্ৰথাৰে যাতে প্ৰাক্তন চাহ বনুৱাই মাটি পট্টন পায় তাৰ কাৰণে ৰাজহ বিভাগৰ লগত আলোচনা কৰিম।

★ **শ্ৰীদ্ৰুপদ বৰগোঁহাই** ঃ এই দুখীয়া চাহ জনজাতিৰ লোকসকলে মহকুমাধিপতি বা উপায়ুক্তৰ পৰা সুবিচাৰ পায় আছে বুলি উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু মোৰ নাজিৰাবাসীয়ে কিন্তু সেই সুবিচাৰ পোৱা নাই। তেওঁলোকৰ হাজাৰ হাজাৰ আবেদন আজিও উপায়ুক্ত/মহকুমাধিপতিৰ কাৰ্য্যালয়ত পৰি আছে। আনকি মুখ্যমন্ত্ৰীৰ সমষ্টি তিতাবৰতো বহুত তেনে আবেদন পৰি আছে। গতিকে সুবিচাৰ পাইছে বুলি কেনেকৈ কব? এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়। এটা সুস্থ নীতি ললেহে সুবিচাৰ পাব বুলি আমি আশা কৰিছো।

★ Speech not corrected.

★ **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** বিষয়টো গুৰুত্বপূর্ণ, মাটি-বাৰীৰ কথাটো সোনকালে নিষ্পত্তি হোৱাটো আমিও বিচাৰো। ৰাজহ বিভাগৰ লগত আলোচনা কৰি বিষয়টো নিষ্পত্তি কৰাৰ চেষ্টা কৰা হ'ব।

★ **শ্রীৰঞ্জিৎ দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো চাহ বাগিছা বিলাকে বহুত চৰকাৰী মাটি বেদখল কৰি আছে। শোণিতপুৰ জিলাতে ১০ হাজাৰৰো বেছি মাটি বেদখল হৈ আছে। সেই মাটিবিলাক বেদখলমুক্ত কৰি চাহ বাগিছা বিলাককে আৱন্টন দিয়াৰ ব্যৱস্থা কৰিবনে?

★ **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** এইটো ৰাজহ বিভাগৰ কথা, এই বিভাগৰ লগত আমি আলোচনা কৰিম।

★ **শ্রীঅভিজিৎ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, প্রিমেট্রিক ছাত্র-ছাত্রীসকলক বৃত্তি দিয়াৰ কথা কৈছে, মোৰ সমষ্টিত কিমানে পাইছে সংখ্যাটো উলিওৱা সম্ভৱপৰ নহয় বুলি কৈছে। ভৱিষ্যতে ইয়াৰ তালিকা সমষ্টি ভিত্তিক কৰাৰ ব্যৱস্থা কৰিব পাৰে নেকি?

★ **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** সাধাৰণতে তালিকাখন মহকুমাভিত্তিত কৰা হয়, তালিকাখন গাঠি দিছো। চাহ জনজাতি উন্নয়ন সঞ্চালকালয় কৰা বেছি দিন হোৱা নাই। যোৱা বছৰতহে আৰম্ভ হৈছে, ভালকৈ কাম আৰম্ভ কৰিবই পৰা নাই। এই বিত্তিটো আগতে ও. বি. চিয়ে কৰি আছিল, এতিয়াহে বেলেগ কৰাৰ ব্যৱস্থা কৰা হৈছে।

Mr. Speaker : Now, Starred Question No. 128, Hon'ble Member, Shri Chandra Mohan Patowary.

★ Speech not corrected.

বিষয় ঃ অঙ্গনবাদী কর্মীৰ নিযুক্তি।

শ্রীচন্দ্রমোহন পাটোৱাৰীয়ে সুধিছে ঃ

★ ১২৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) অঙ্গনবাদী কর্মী আৰু সহায়িকা নিযুক্তি দিয়াৰ ক্ষেত্রত সমাজ কল্যাণ বিভাগে কি নিয়মৰ অধীনত নিযুক্তি দিয়ে?

(খ) ব্লক পর্য্যায়ত উক্ত পদসমূহ নিযুক্তি দিয়াৰ ক্ষেত্রত প্রার্থী নির্বাচন কৰিবলৈ কোনো সমিতি গঠন কৰে নে ব্লকৰ চি. ডি. পি. অ'ই পৰীক্ষা পাতি নির্বাচিত কৰে?

(গ) যদি উক্ত পদসমূহ নিযুক্তিৰ বাবে প্রার্থী নির্বাচনৰ বাবে সমিতি গঠন কৰে তেনেহ'লে কি অর্হতাৰ ভিত্তিত আৰু কোন কোন ব্যক্তিক উক্ত সমিতিৰ চেয়াৰমেন আৰু সদস্যক অন্তর্ভূক্ত কৰে? উক্ত সমিতিখন ৰাজনৈতিকভাবে গঠন কৰা হয় নে বিভাগৰ কিবা নিয়মাৱলীৰ অধীনত গঠন কৰা হয়?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় চৰকাৰৰ নীতি-নির্দ্দেশনা অনুসৰি প্রকল্প ভিত্তিত একো খনকৈ বাঁচনি কমিটি গঠন কৰা হয় আৰু সেই বাঁচনি কমিটিৰ নির্দ্দেশনাক্রমে চি. ডি. পি. অ'ৰ পৰিচালনাত বাঁচনি পৰীক্ষা পাতি বাঁচনি কমিটিৰ অনুমোদন সাপেক্ষে অঙ্গনবাদী কর্মী আৰু সহায়িকা অন্তর্ভূক্ত কৰা হয়।

(খ) প্রকল্প ভিত্তিত কমিটি গঠন কৰে আৰু সেই কমিটিৰ নির্দ্দেশনা-

মর্মে চি. ডি. পি. অ'ই উক্ত পদসমূহৰ বাঁচনি পৰীক্ষা পাতে।

(গ) কেন্দ্রীয় চৰকাৰৰ নীতি-নির্দ্দেশনা অনুসৰি জিলা সমাজ কল্যাণ বিষয়া, খণ্ড উন্নয়ন বিষয়া, সংহত শিশু প্রকল্প বিষয়া, প্রাথমিক স্বাস্থ্য কেন্দ্রৰ স্বাস্থ্য বিষয়া, পঞ্চায়তৰ সভাপতি, খণ্ড উপদেষ্টা কমিটিৰ প্রতিনিধি, ৰাজ্যিক সমাজ কল্যাণ পৰিষদৰ প্রতিনিধি আৰু ৰাজ্য চৰকাৰে বিবেচনা কৰা যথাযোগ্য বেচৰকাৰী ব্যক্তিসকলক লৈ চেয়াৰমেন/সদস্য অন্তর্ভূক্তি কৰে।

★ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত কেন্দ্রীয় চৰকাৰৰ কি নীতি-নির্দ্দেশনা আছে মন্ত্রী মহোদয়াৰ পৰা জানিব পাৰোনে? বেচৰকাৰী মানুহ এজনক সভাপতি কৰা বা কমিটিত ৰখাৰ নিশ্চয় কিবা ক্রাইটেৰিয়া থাকিব লাগিব। খণ্ড উন্নয়ন বিষয়া, চি. দি. পি. অ'. গাওঁ পঞ্চায়তৰ সভাপতি থাকিব পাৰে, কিন্তু বেচৰকাৰী সদস্য থকাৰ কিবা নিয়ম আছে নেকি? যদি আছে, তেওঁ কেনে ধৰণৰ লোক হব লাগিব, কেন্দ্রীয় চৰকাৰৰ নির্দ্দেশনা কি?

★ **শ্রীমতী অজন্তা নেওঁগ** (সমাজ কল্যাণ মন্ত্রী) ঃ ইতিমধ্যে প্রশ্নটোৰ উত্তৰ দিছো। কেন্দ্রীয় চৰকাৰৰ স্পষ্ট নীতি-নির্দ্দেশনাৰ ভিত্তিত কৰা হৈছে। কেন্দ্রীয় চৰকাৰৰ President any of the non- officials which the State Government may consider appropriate .....

★ **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ সভাপতি নির্বাচন কৰা ক্রাইটেৰিয়া কি? কেন্দ্রীয় চৰকাৰৰ অৰিজিনেল গাইড লাইন কি আছিল? চেয়াৰমেন সেইমতে কৰা হৈছে নে ৰাজ্য চৰকাৰে কিবা নতুন গাইড লাইন প্রস্তুত কৰি সভাপতি দিয়াৰ ব্যৱস্থা কৰিছে?

★ Speech not corrected.

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ কেন্দ্রীয় চৰকাৰৰ গাইড লাইনমতে কৰা হৈছে।

Mr. Speaker : Now, Starred Question No. 129, Hon'ble Member, Shri Mahibul Haque.

বিষয় ঃ আলফাৰ তথ্য সম্পর্কে।

শ্রীমহিবুল হকে সুধিছে ঃ

★ ১২৯। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) আলফাৰ সভাপতি শ্রীঅৰবিন্দ ৰাজখোৱা আৰু সেনাধ্যক্ষ শ্রীপৰেশ বৰুৱা বর্ত্তমান ক'ত অৱস্থান কৰি আছে চৰকাৰৰ হাতত ইয়াৰ তথ্য আছেনে?

(খ) যোৱা দহ বছৰত উক্ত নেতাদ্বয়ে অসমত কোন কোন তাৰিখত আৰু ক'ত ক'ত আহিছিল?

(গ) যোৱা দহ বছৰত এখেতসকলৰ লগত চৰকাৰৰ কোনো প্রতিনিধিৰ সাক্ষাৎ হৈছিলনে?

(ঘ) যদি হৈছিল, তেন্তে ক'ত আৰু কেতিয়া হৈছিল?

(ঙ) বর্ত্তমানে আলফা সংগঠনত প্রশিক্ষণপ্রাপ্ত আৰু অ-প্রশিক্ষণপ্রাপ্ত সদস্য কিমান আছে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছে ঃ

(ক) বিশ্বস্ত সূত্রৰ পৰা জানিব পৰা মতে আলফাৰ সভাপতি শ্রীঅৰবিন্দ ৰাজখোৱা আৰু সেনাধ্যক্ষ শ্রীপৰেশ বৰুৱা বর্ত্তমান ভাৰতবর্ষৰ

বাহিৰত অৱস্থান কৰি আছে।

(খ) যোৱা দহ বছৰত উক্ত নেতাদ্বয়ে কিমানবাৰ কোন কোন তাৰিখত অসমৰ ক'ত ক'ত আহি কিমান দিন আছিল তাৰ তথ্য চৰকাৰৰ হাতত নাই।

(গ) যোৱা দহ বছৰত তেওঁলোকৰ লগত চৰকাৰৰ কোনো প্ৰতিনিধিৰে সাক্ষাৎ হোৱাৰ কোনো তথ্য নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) বৰ্ত্তমান আলফা সংগঠনত থকা প্ৰশিক্ষণপ্ৰাপ্ত আৰু অ-প্ৰশিক্ষণ প্ৰাপ্ত সদস্যৰ সংখ্যা চৰকাৰৰ হাতত নাই।

★ **শ্ৰীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পবিত্ৰ সদনত সত্য তথ্য বিচাৰো। আমি প্ৰশ্নটোৰ উত্তৰত হতাশ হৈছো। কাৰণ অৰবিন্দ ৰাজখোৱা আৰু পৰেশ বৰুৱা ভাৰতৰ বাহিৰত আছে বুলি কৈছে। আমি বিধান সভাৰ পবিত্ৰ মজিয়াত প্ৰশ্ন উত্থাপন কৰিলো, তাৰ এটা অথেন্টিক উত্তৰ আশা কৰো। ভাৰতবৰ্ষৰ বাহিৰত আছে বুলি কৈছে। চৰকাৰে লোকেচনটো জনাওঁক।

★ **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ বিধান সভাত আমি সঠিক উত্তৰহে দিও। নজনা কথাটো মাননীয় সদস্যগৰাকীক কেনেকৈ জনাম ? চৰকাৰৰ ফালৰ পৰা যিখিনি জানো সেইখিনি তথ্য-পাতি দিছো।

★ **শ্ৰীমহিবুল হক ঃ** আমাৰ প্ৰশ্নবিলাকৰ উত্তৰ বিষয়াসকলৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি বিধান সভাৰ মজিয়াত দিয়া হয়। এই ক্ষেত্ৰতো অসমৰ যিটো এচ. বি. ব্ৰাঞ্চ তেওঁলোকৰ প্ৰতিবেদনৰ ভিত্তিতে দিছে। এই এচ. বি. ব্ৰাঞ্চটো সক্ৰিয় হৈ আছেনে নাই ?

★ Speech not corrected.

★ শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ সক্রিয় হৈ আছে।

★ শ্রীমহিবুল হক ঃ এই এচ. বি.ৰ বাহিৰেও কিবা নতুন সংস্থা খোলাৰ ব্যৱস্থা কৰিছে নেকি?

★ শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ এটা বিভাগ থাকোতে কেনেকৈ আৰু নতুন বিভাগ খুলিম।

Mr. Speaker : Now, Starred Question No. 130, Hon'ble Member, Shri Anup Phukan.

বিষয় ঃ পথ মেৰামতি।

শ্রীঅনুপ ফুকনে সুধিছে ঃ

★ ১৩০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰাণ-নাহৰকটীয়া গড়কাপ্তানী পথৰ বিভিন্ন অংশত দীৰ্ঘদিনীয়া দূৰৱস্থা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, যোৱা চৰকাৰৰ দিনত ইয়াৰ উন্নয়নৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু ৰাস্তাৰ দূৰৱস্থাৰ দূৰীকৰণ কৰা হ'লনে?

(গ) যদি দূৰ কৰিব পৰা নহ'ল কিয় নহ'ল আৰু এই দূৰৱস্থা দূৰ কৰাৰ বাবে বৰ্ত্তমান কি ব্যৱস্থা গ্রহণ কৰিছে? (বিতং তথ্য দাখিল কৰিব)

(ঘ) টিংখং সমষ্টিৰ পিঠাগুৰিৰ পৰা ধোৱা পথাৰ হৈ সাপেখাটিলৈ যোৱা গড়কাপ্তানী পথছোৱাত থকা দলং আৰু পকী পুলৰ সংখ্যা কিমান? পথটোৰ কিমান অংশত গাড়ী মটৰ চলাচল কৰাৰ বাবে সূচল নহয়? উক্ত পথটোৰ উন্নয়নৰ বাবে চৰকাৰে

★ Speech not corrected.

ব্যৱস্থা হাতত লবনে? যদি লয়, কেতিয়া লব? (তথ্য সহকাৰে দাখিল কৰিব)

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ আৰু কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) উক্ত পথটো উন্নয়নৰ বাবে যোৱা চৰকাৰৰ দিনত ধাৰ্য্য কৰা টকা এনে ধৰণৰ ঃ-

(১) চি. আৰ. এফ. - ২০০১-০২ বৰ্ষত = ২০১.৫৫ লাখ।

(২) ৰাজ্যিক পৰিকল্পনা শিতান - ২০০২-০৩ বৰ্ষত= ১৪.৬৬ লাখ।

(৩) অইল ইণ্ডিয়া লিমিটেডৰ পৰা-২০০৪-০৫ বৰ্ষত =১০০.০০ লাখ।

(৪) এ. এচ. আৰ. বি.- ২০০৪-০৫ বৰ্ষত = ১৪.০৭ লাখ।

মুঠ ৩৩০.২৮ লাখ টকা। পথটোৰ দূৰৱস্থা প্ৰায় দূৰীকৰণ হৈছে আৰু কিছু অংশত এতিয়াও কাম চলি আছে।

(গ) পথটোৰ দূৰৱস্থা দূৰীকৰণৰ কাম চলি আছে আৰু সৰহভাগ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিতং তথ্য অনুবদ্ধ 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-II)

(ঘ) উক্ত পথছোৱাত এখন কাঠৰ আৰু এখন পকী দলং আছে আৰু এটা পকী কালভাৰ্ট আছে।

উত্তৰ-পূব পৰিষদৰ অধীনত দশম পঞ্চমবাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত উন্নতিকৰণ আঁচনি লোৱা হৈছে। বিতং তথ্য অনুবদ্ধ 'খ'ত উল্লেখ কৰা হ'ল। (See Annexure-III)

★ **শ্ৰীঅনুপ ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলো তাৰ উত্তৰত মন্ত্ৰী মহোদয়াই যিটো কথা কৈছে সেইটো

★ Speech not corrected.

আমি বিচৰা উত্তৰ হোৱা নাই। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে এই মৰাণ-নাহৰকটীয়া পথটো আগতে এটা সময়ত ইয়াক উদ্যোগীক পথ বুলিও কোৱা হৈছিল। এইটো বৰ জৰুৰী পথ। কিন্তু এতিয়া উদ্যোগ বিভাগ যেনেকৈ পয়ালগা, এই ৰাস্তাটোৰো পয়ালগা অৱস্থা। আমাৰ মন্ত্রী মহোদয়া নিৰ্বাচনৰ সময়ত আমাৰ তালৈ যাওঁতে তেখেত কিন্তু সেই ৰাস্তাটোৰে নগ'ল। সেয়ে তেখেতৰ এই ৰাস্তাটোৰ দূৰৱস্থাৰ কথা বোধগম্য নহ'ল হয়তো। তেখেতৰ দলীয় কৰ্ম্মীয়ে বোধহয় ৰাস্তাটোৰ কথা ক'লে। তেখেতে সেইটো শুনি নগ'ল নেকি আমি নাজানো। আমি কিন্তু এটা কথা বহুদিনৰ পৰা শুনি আছিলো আৰু এতিয়াও শুনো সেই ৰাস্তাটোৰ বিষয়ে। সেইটো হ'ল সেই ৰাস্তাটো বোলে কোনো বিষয়াবৰ্গ আদিৰ ভোগৰ থল। এতিয়া আমি দেখিছো এই ৰাস্তাটোত ইমান টকা চৰকাৰে ধৰিছে। আমি কিন্তু আশায়ে কৰা নাছিলো ইমান টকা দিব পাৰে বুলি। এইটোত ইমান টকা দিছে, কিন্তু তাত কামটো একো হোৱা নাই, একো কাম কৰা নাই। এই ৰাস্তাটোৰ কাৰণে অইল ইণ্ডিয়াইও টকা দিয়ে আৰু দি আছে। তথাপিতো এই ৰাস্তাৰ কাম হোৱা নাই। মই নিজেই এই ৰাস্তাটোৰে অহা-যোৱা কৰো। গতিকে মই জানো। আনকি আজি ৰাতিপুৱাও মই খবৰ লৈছো। কিজানি মই ইয়াত এই কেইদিন থাকোতে কাম আৰম্ভ কৰিছেই নেকি? কিন্তু কৰা নাই। তাত বামুনবাৰীৰ পথছোৱাৰ এটা লাগি আছে, আজি চাৰিবছৰ হ'ল। গতিকে ৰাস্তাটো একে অৱস্থাতে আছে। চৰকাৰো একেখনেই আছে। এই কথাবিলাক এনেধৰণে চলি থাকিলে আমাৰ অসুবিধা হয়। আচলতে এইটো এটা মূল পথ আৰু আমি এইটোক হাইওৱে কৰিবলৈকে দাবী

কৰি আহিছিলো। তিনিচুকীয়া, মাহমৰা, মৰাণ, টিংখং আৰু নাহৰকটীয়া হৈ এই ৰাস্তাটোৰে অৰুণাচললৈ যাব পাৰি। তাৰোপৰি অইল ইণ্ডিয়াৰ নিচিনা এটা উদ্যোগো এই ৰাস্তাটোত পৰে। তথাপি কিয় এই ৰাস্তাটো চৰকাৰে গুৰুত্ব সহকাৰে লোৱা নাই আমি বুজি নাপাও। সেয়ে চৰকাৰৰ উত্তৰত আমি সন্তুষ্ট নহয় আৰু আমি স্পষ্টভাবে ৰাস্তাটোৰ বিষয়ে জানিব বিচাৰো। এই উত্তৰবিলাক সম্পূৰ্ণ শুদ্ধ বা সত্য বুলি আমি লব নোৱাৰো।

★ **শ্রীমতী অজন্তা নেওঁগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গোটেইখিনি কথা চালিজাৰি চাই পিছত জনাম।

শ্রীশৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটো টিংখঙৰ পৰা সাপেখাটিত লগলাগি আছে। সাপেখাটিৰ ওচৰত এখন দলং আছিল। সেইখন পানীয়ে উটুৱাই নিলে। এই ৰাস্তাটোৰে সাপেখাটিৰ পৰা টিংখং একেবাৰে চমু। যোৱা ২০০৩ চনত ১৩ কোটি ৩৪ লাখ টকা ধৰা হৈছে। ৰাস্তাটোৰ ২২.৮ কিঃ মিঃ ৰাস্তাৰ কাৰণে। এই ৰাস্তাটোৰ নিবিদা আহ্বান কৰা হৈছিল চাৰিবাৰ। শেষৰবাৰ নিবিদা আহ্বান কৰোতে ইমান দেৰি কৰিলে কিয় বুজি নাপালো। এই ৰাস্তাটো প্রায় ১০/১২খন চাহ বাগানৰ কাষেদি গৈছে আৰু সেই ৰাস্তাটোৰ কাষত ভাল ধানৰ খেতি পথাৰো আছে। ভাল ধান হয়। কিন্তু ৰাস্তাটোৰ অৱস্থা বেয়া কাৰণে ধান সৰৱৰাহ কৰাটো অসুবিধা হয়। এতিয়াও ৰাস্তাটো বোকাৰ তলত। এইবাৰ আকৌ নতুনকৈ টেণ্ডাৰ কৰিলে তাৰ টকাও বাঢ়ি যাব। এই তেৰ কোটি টকাৰে নহ'বগৈ। গতিকে আগতে যিসকলে নিবিদা দিছিল তেওঁলোকক মাটি নিগচিয়েট কৰি যাৰ হায়েষ্ট ৰেট আছিল তেওঁলোককে কামটো দিব পৰা নাযায়নে? মন্ত্রী মহোদয়াই জনাব নেকি?

★ Speech not corrected.

মাননীয় অধ্যক্ষ ঃ আঁচনিৰ কাম আৰম্ভ কৰিব বুলি কৈছে?

শ্রীশৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত কৈছে, আগতে নকৰাৰ কাৰণে ৰিভাইচ্ নিবিদা কৰিব লাগিব। তাৰ বাবে টকা বঢ়াব লাগিব। তাৰ কাৰণে এন. ই. চি.ক অনুৰোধ কৰিব লাগিব। এই বিষয়ে মহোদয়াই জনাবনে?

★ শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক্গৰাকীয়ে এই সকলোবোৰ কথা ভালদৰে অৱগত। ১৩ কোটি ৩৪ লাখ টকা অনুমোদন দিয়া হৈছে আৰু চাৰিবাৰ নিবিদা আহ্বান কৰা হৈছে। নাকচো কৰা হৈছে। কাৰণ নিবিদাকাৰীয়ে শতকৰা ১৭ ভাগ বেছিকৈ বঢ়াই দি দিছিল টকাৰ পৰিমাণ। আমি ইতিমধ্যে এন. ই. চি.ক দুবাৰ লিখিছো। লগতে নিবিদাকাৰীসকলকো মাতিছিলো নিগোচিয়েট কৰিবৰ কাৰণে। কিন্তু তেওঁলোক নাহিল। তেওঁলোকে শতকৰা ১৭ ভাগতকৈয়ো বেছিকৈ ওপৰত লিখি দিছিল। আমি এতিয়া গোটেই কথাবিলাক এন. ই. চিক জনাইছো।

★ শ্রীঅনুপ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়াই যিটো চালি-জাৰি চাই জনাম বুলি উত্তৰ দিছে এইটো বৰ ঢিলা যেন লাগিছে অলপ। এই ক্ষেত্রত কঠোৰ হোৱাতো আমি বিচাৰিছো।

(Starred Question No. 131 was disallowed.)

Mr. Speaker: Now, Starred Question No. 132, Hon'ble Member, Shri Badaruddin Azmal.

বিষয় ঃ পঞ্জীয়নভূক্ত নিবনুৱাৰ সংখ্যা।

শ্রীবদৰুদ্দিন আজমলে সুধিছে ঃ

★ Speech not corrected.

★ ১৩২। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমানলৈকে চৰকাৰীভাবে পঞ্জীয়নভূক্ত শিক্ষিত নিবনুৱাৰ সংখ্যা কিমান ?

(খ) মেট্রিকুলেট, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষিত নিবনুৱাৰ তথ্য দাখিল কৰিবনে ?

(গ) অসমৰ ব্যাপক নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্রহণ কৰিছে ?

(ঘ) শিক্ষিত নিবনুৱাৰ ভিতৰত কিমান সংখ্যক যুৱক আৰু কিমান যুৱতী ?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ এপ্রিল মাহলৈকে চৰকাৰীভাবে পঞ্জীয়নভূক্ত শিক্ষিত নিবনুৱাৰ সংখ্যা ১২,৬৫,০৪৬ জন।

(খ) মেট্রিকুলেট, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষিত নিবনুৱাৰ তথ্য এনেধৰণৰ ঃ-

(১)	মেট্রিকুলেট —	৬,৩৮,৪০২ জন।
(২)	স্নাতক —	
	(ক) অভিযন্তা —	১,৯০১ জন।
	(খ) কৃষি —	১,১৫৮ জন।
	(গ) চিকিৎসক —	৬০৩ জন।
	(ঘ) পশু চিকিৎসক —	৫২৮ জন।
	(ঙ) স্নাতক (কলা, বিজ্ঞান, বাণিজ্য)—	১,৯৮,৪১৪ জন।
(৩)	স্নাতকোত্তৰ —	১৬,৮০৫ জন।
	মুঠ—	৮,৫৭,৮১১ জন।

(গ) অসমৰ ব্যাপক নিবনুৱা সমস্যা সমাধানৰ বিষয়টোৰ লগত শ্ৰম আৰু নিয়োগ বিভাগ পোনপটীয়াকৈ যদিও জড়িত নহয়, তথাপি নিবনুৱা সমস্যাৰ ব্যাপকতালৈ চাই ৰাজ্যখনত নিয়োগ নীতিৰ সম্পৰ্কত এখন খচৰা প্ৰস্তুত কৰাৰ বাবে ড° জয়ন্ত মাধৱক অধ্যক্ষ হিচাপে লৈ এখন কমিটি আৰু নিয়োগৰ পৰিস্থিতি পৰীক্ষা আৰু পুনৰীক্ষণ কৰি চাই নিবনুৱাসকলৰ নিয়োগৰ পৰিসৰ সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰে লব পৰা ব্যৱস্থাৱলীৰ সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে প্ৰাক্তন মুখ্য সচিব শ্ৰীএইচ. এন. দাস, আই. এ. এচ.ক অধ্যক্ষ হিচাবে লৈ আন এখন কমিটি গঠন কৰি দিয়া হৈছিল।

সম্প্ৰতি ড° জয়ন্ত মাধৱ ডাঙৰীয়াই দাখিল কৰা প্ৰতিবেদন আৰু অনুমোদনৰ আধাৰত Employment Generation Missionৰ যোগেদি কৃষি আৰু ইয়াৰ লগত জড়িত আন ক্ষেত্ৰ, লঘু আৰু মধ্য উদ্যোগ, পৰ্য্যটন আৰু ইয়াৰ লগত জড়িত ক্ষেত্ৰসমূহত আৰু আত্মসহায়ক গোটৰ জড়িয়তে এক বুজন সংখ্যক নিবনুৱাক স্বনিয়োজন দিয়াত চৰকাৰৰ ফালৰ পৰা সৰ্বাধিক গুৰুত্ব দিয়া হৈছে।

(ঘ) শিক্ষিত নিবনুৱা যুৱকৰ সংখ্যা — ১০,০৫,৫৩৫ জন।

শিক্ষিত নিবনুৱা যুৱতীৰ সংখ্যা— ২,৫৯,৫১১ জনী।

★ **শ্ৰীবদৰুদ্দিন আজমল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ (খ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে ২০০৬ চনৰ এপ্ৰিল মাহলৈকে পঞ্জীয়নভূক্ত নিবনুৱাৰ সংখ্যা ১২,৬৫,০৪৬ জন বুলি কৈছে। আমি জনাত ২০ লাখ মান আছে। গতিকে সঠিক ফিগাৰটো কওঁক। আমি ৰাইট ফিগাৰটো

★ Speech not corrected.

জানিব বিচাৰো।

★ **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয়ভাবে যি তথ্যপাতি আছে সেইমতেই দিছো আৰু সেইটোৱেই শুদ্ধ উত্তৰ।

★ **শ্ৰীবদৰুদ্দিন আজমল ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত নিবনুৱাৰ সংখ্যাটো জনাটো বৰ জৰুৰী। কাৰণ নিবনুৱা সমস্যাটোৱেই এতিয়া এটা জ্বলন্ত সমস্যা। আমি দেখিছো ড° জয়ন্ত মাধৱ ডাঙৰীয়াই এই ক্ষেত্ৰত বহুখিনি পৰামৰ্শ নিবনুৱা সমস্যা সমাধানৰ বাবে আগবঢ়াইছে। এই পৰামৰ্শৱলী কাৰ্য্যকৰী কৰিব পাৰিলে বহুখিনি কাম হ'ব। আজিও পেপাৰত তেখেতৰ এই পৰামৰ্শৱলীৰ কথা ওলাইছে। চৰকাৰে এইটো কিয় গ্ৰহণ কৰা নাই আমি জানিব বিচাৰো। আমি এইটো গ্ৰহণৰ বাবে অনুৰোধ ৰাখিছো। এই ৰিকমেণ্ডেশ্যনত যিবোৰ আঁচনি আদি তেখেতে উল্লেখ কৰিছে এইবোৰ কাৰ্য্যকৰী কৰিলে ভাল হব। প্ৰয়োজন হ'লে স্মল স্কেল ইণ্ডাষ্ট্ৰী কৰিলে ভাল হব। তেতিয়াহে নিবনুৱা সমস্যা সমাধান কৰিব পাৰিব।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়ে উত্তৰ দিছেই আৰুনো কি ক'ব?

★ **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ড° জয়ন্ত মাধৱদেৱৰ পৰামৰ্শখিনি আমি কৰিবলৈ ব্যৱস্থা কৰিছো। সেইটোৰ বাবে এটা কমিটিও কৰি দিয়া হৈছে। আমি পৰীক্ষা-নিৰীক্ষা কৰি আছো।

★ **শ্ৰীবদৰুদ্দিন আজমল ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষিবুলি এটা বিভাগ আছে। তাত বহুতো ভেকেন্ট পোষ্ট আছে। আকৌ মেডিকেল আদিৰ ক্ষেত্ৰত চৰকাৰে ডাক্তৰ নাই বুলি কয়। কিন্তু ডাক্তৰো দেখোন নিবনুৱা হৈ বহি আছে। তাতো ভেকেন্ট আছে।

★ Speech not corrected.

মাননীয় অধ্যক্ষ ঃ এই বিষয়টো এই প্রশ্নৰ লগত ৰিলেটেড নহয়।

Mr. Speaker: Now, Starred Question No. 133, Hon'ble Member, Shri Sarat Borkotoky.

বিষয় ঃ পথ উন্নয়নৰ আঁচনি।

শ্রীশৰৎ ৰৰকটকীয়ে সুধিছে ঃ

★ ১৩৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ নগৰৰ Station চাৰিআলিৰ পৰা নাজিৰা বালিঘাট তিনিআলিলৈকে ভূৱন গগৈ পথটোৰ অৱস্থা অতি শোচনীয়। চৰকাৰ এই বিষয়ে অৱগতনে?

(খ) এই ৰাস্তাটো উন্নয়নৰ কাৰণে চৰকাৰে কিবা আঁচনি লৈছে নেকি? যদি লৈছে, কি আঁচনিৰ অন্তর্ভূক্ত কৰা হৈছে আৰু ৰাস্তাটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব?

(গ) বালিঘাট তিনিআলিৰ পৰা ৰাজগড়লৈকে ধোদৰ আলিটোৰ অৱস্থা অতি শোচনীয়। এই ব্যস্ততাপূর্ণ ৰাস্তাটোৰ উন্নয়নৰ কিবা ব্যৱস্থা লৈছে নেকি? যদি লৈছে, ৰাস্তাটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) এই বিষয়ে চৰকাৰ অৱগত। এই পথৰ ৩ কিলোমিটাৰ আৰু ৯ কিলোমিটাৰৰ কিছু অংশ ১৩ কিলোমিটাৰ আৰু ১৪ কিলোমিটাৰ বর্ত্তমান বেয়া হৈ আছে।

(খ) এই পথছোৱাৰ শোচনীয় অংশসমূহ বার্ষিক মেৰামতি শিতানৰ অধীনত মেৰামতি কৰি থকা হৈছে। ইয়াৰ উপৰিও পথটিৰ বেয়া অংশসমূহ উন্নয়নৰ বাবে টুৱেলভ্ ফাইনেনচ্ কমিচনৰ অন্তর্গত আচনিত ধৰা হৈছে। অনুমোদনৰ পিছত কাম আৰম্ভ কৰা হ'ব।

(গ) বালিঘাট তিনিআলিৰ পৰা ৰাজগড়লৈকে (ধোদৰ আলি) এই পথছোৱাৰ অতিশয় শোচনীয় অংশসমূহ বার্ষিক মেৰামতিৰ শিতানত মেৰামতি কৰা হৈছে। এই পথৰ আমগুৰিৰ পৰা দিল্লীঘাটলৈকে বেয়া অংশসমূহ সবলীকৰণৰ বাবে টুৱেলভ্ ফাইনেনচ্ কমিচনৰ অধীনত আঁচনিভূক্ত কৰা হৈছে।

শ্রীশৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্রী মহোদয়াই মোৰ 'খ' প্রশ্নৰ উত্তৰত এই পথছোৱাৰ শোচনীয় অংশসমূহ মেৰামতি কৰি থকা হৈছে বুলি কৈছে। মই সেই ৰাস্তাটোৰে অহা যোৱা কৰো। কিন্তু যেনেদৰে সেই ৰাস্তাটো মেৰামতি কৰিব লাগে তেনেধৰণে মেৰামতি কৰা হোৱা নাই। এই ৰাস্তাটো অ'. এন. জি. চি.ৰ গাড়ীয়ে বেয়া কৰিছে। অ'. এন. জি. চি.য়ে তেওঁলোকৰ বোর্ডাৰক এই ৰাস্তাটো ভাল কৰিবিলৈ দিছিল। কিন্তু খুব কম সময়ৰ ভিতৰতে এই ৰাস্তাটো বেয়া হৈ গ'ল গতিকে এই ৰাস্তাটো সোনকালে ভাল কৰাৰ ব্যৱস্থা কৰিব নেকি?

★ **শ্রীমতী অজন্তা নেওঁগ** (সমাজ কল্যাণ ও কাৰাগাৰ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পথটোৰ বেয়া অংশসমূহ ভাল কৰাৰ কাৰণে টুৱেলভ্ ফাইনেনচ্ কমিচনৰ অন্তর্গত আঁচনিত ধৰা হৈছে। অনুমোদন পোৱাৰ পিছত কাম আৰম্ভ কৰা হ'ব।

★ Speech not corrected.

শ্রীদ্রুপদ বৰগোহাঁই ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ধোদৰ আলি ৰাস্তাটো এটা ৰজাদিনীয়া ৰাস্তা। এই কথা সকলোৱে জানে। এই ধোদৰ আলি ৰাস্তাটোৰ অৱস্থা এতিয়া আটাইতকৈ বেয়া হৈছে। আমগুৰি আৰু নাজিৰা সমষ্টিত এই ধোদৰ আলি ৰাস্তাটো বেয়া হৈ আছে। টুৱেলভ্ ফাইনেনচ্ কমিচনৰ অন্তর্গত আঁচনিত অনুমোদন পোৱাৰ পিছত কাম আৰম্ভ কৰা হ'ব বুলি কৈছে। এই ৰাস্তাটো সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে। ষ্টেট হাইওৱে হিচাপে এই ৰাস্তাটো কৰিছে। ষ্টেট হাইওৱে হিচাবে কামটো কৰিলে স্বাভাৱিকতে কিমান ভাল হ'ব। গতিকে এই পথটো ৰাষ্ট্রীয় ঘাই পথ হিচাবে নির্মাণ কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মই এম. পি. থাকোতেও এই ধোদৰ আলিটো ৰাষ্ট্রীয় ঘাইপথ কৰিবৰ কাৰণে যোগাযোগ কৰিছিলো। চৰকাৰৰ তৰফৰ পৰা তেনেকুৱা এটা প্রস্তাব দিয়াৰ ব্যৱস্থা কৰিব নেকি?

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটো মেৰামতি কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। বিকল্প ৰাস্তাটোৰ যিটো কথা হৈছে সেইটো নীতি-নিয়মৰ মাজেদি যেনেধৰণে কৰিব পাৰি সেইমতে কৰিব লাগিব।

(Starred Question No. 134 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ ৰাস্তাৰ উন্নয়ন।

শ্রীপ্রবীণ গগৈয়ে সুধিছেঃ

★ ১৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫-২০০৬ চনত খুমটাই সমষ্টিত কিমানটা ৰাস্তা ৰ বাবে অনুমোদন জনোৱা হৈছিল ? (পকা আৰু শিল)

(খ) বৰ্ত্তমানলৈকে ৰাস্তাসমূহৰ কাম কিমানখিনি অগ্রসৰ হৈছে?

(গ) নতুন ৰাস্তাৰ অনুমোদন দিয়াৰ ব্যৱস্থা লোৱা হৈছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) ২০০৫-২০০৬ চনত খুমটাই সমষ্টিত মুঠ ২৬ টা পথ উন্নতিকৰণৰ বাবে নিম্নলিখিত শিতানত অনুমোদন জনোৱা হৈছে।

(১) বার্ষিক পৰিকল্পনা শিতানত - ৭ টা।

(২) অসম ষ্টেট ৰোড বোর্ড শিতানত - ১২ টা।

(৩) পি. এম. জি. এচ. ৱাই শিতানত - ৬ টা।

(৪) আৰ. আই. ডি. এফ. শিতানত - ১টা।

(খ) তালিকা ক'ত সন্নিবিষ্ট কৰি দিয়া হৈছে। (See Annexure-IV)

(গ) ২০০৬-২০০৭ বর্ষৰ বাবে P.M.G.S.Y. (ADB) আঁচনিত মুঠ ৬ টা ৰাস্তাৰ প্রস্তাৱ কৰা হৈছে আৰু অনুমোদন সাপেক্ষে কাম আৰম্ভ কৰা হ'ব।

Mr. Speaker : Now, Starred Question No. 135,

Hon'ble Member, Smti. Sushila Hazarika.

(ANSWER)

বিষয় ঃ RCC Bride নির্মাণ।

শ্রীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

★ **১৩৫।মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) World Bank আঁচনিৰ জড়িয়তে অসমত কিমানখন ছচাজ ৱাৰ্কৰ ঢাক চকাকাচা চলন হ'ব লগা ৰীদ চাইজ ব্ৰিজ ঢাক ছচাজ ঢাক RCC Bridge নির্মাণৰ প্ৰস্তাৱ লোৱা হৈছে? তাৰে কিমানখন সম্পূৰ্ণ হৈছে, কিমানখন অসম্পূৰ্ণ আৰু কিমানখন আৰম্ভ হোৱা নাই?

(খ) বাকী থকা এনে পৰ্য্যায়ৰ দলং নির্মাণৰ প্ৰস্তাৱ লবনে?

(গ) যদি লয়, দেৱগাওঁ আৰু যোৱহাট সমষ্টিৰ ভোগদৈ নদীৰ ওপৰত থকা বালিগাওঁ দলংখন অন্তৰ্ভুক্ত হবনে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্ৰী)য়ে মুখ্যমন্ত্ৰী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) World Bank (AACP) আঁচনিৰ জড়িয়তে অসমত মুঠ ৯ খন জিলাত ২৮৫ খন দলঙৰ আঁচনি লোৱা হৈছে। আৰম্ভ হোৱা কোনো এখন দলং এতিয়ালৈ সম্পূৰ্ণ হোৱা নাই। বাকী থকা দলঙৰ কামো পথ পকীকৰণৰ কাম আৰম্ভ হোৱাৰ সময়ত একেলগে আৰম্ভ হ'ব।

(খ) World Bank (AACP)ৰ অধীনত অকল দলং নির্মাণৰ প্ৰস্তাৱ বৰ্ত্তমানলৈ নাই।

★ Speech not corrected.

(গ) ভোগদৈ নদীৰ ওপৰত জে. বি. পথত থকা বালিগাওঁৰ দলংখন পকীকৰণ কৰি নিৰ্মাণ কৰিবলৈ NLCPR আঁচনিৰ অধীনত বিস্তৃত প্ৰকল্প বিৱৰণ ভাৰত চৰকাৰৰ উত্তৰ-পূৱ উন্নয়ন বিভাগ (DONER)ৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। অনুমোদন পালেই দলংখনৰ কাম আৰম্ভ কৰিব পৰা যাব।

★ **শ্ৰীমতী সুশীলা হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৯ খন জিলাত যি ২৮৫ খন দলঙৰ আঁচনি লোৱা হৈছে তাৰ ভিতৰত যোৰহাট আৰু গোলাঘাট জিলাত অন্তৰ্ভুক্ত কৰা হৈছে নেকি ? বাকী যিবিলাক দলঙৰ কাম আৰম্ভ কৰা হোৱা নাই সেই দলং বিলাকৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব ? কাম আৰম্ভ কৰা যিকেইখন দলং এতিয়ালৈকে সম্পূৰ্ণ কৰা হোৱা নাই সেই দলংকেইখন কেতিয়া সম্পূৰ্ণ কৰা হ'ব ?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৯ খন জিলাত এই যিবিলাক আঁচনি লোৱা হৈছে এই আঁচনিসমূহ দলঙৰ কাৰণে লোৱা হোৱা নাছিল। ৰাস্তাৰ কাম কৰাৰ কাৰণে লোৱা হৈছিল। ৰাস্তাৰ কাম চলি থাকিলে লগে লগে দলঙৰ কামো কৰা হ'ব।

★ **শ্ৰীমতী সুশীলা হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'গ' প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়াই কৈছে যে ভোগদৈ নদীৰ ওপৰত জে. বি. পথত থকা বালিগাওঁৰ দলংখন পকীকৰণ কৰি নিৰ্মাণ কৰিবলৈ এন. এল. চি. পি. আৰ. আঁচনিৰ অধীনত বিস্তৃত বিৱৰণ ভাৰত চৰকাৰৰ উত্তৰ-পূৱ উন্নয়ন বিভাগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু অনুমোদন পালেই দলংখনৰ কাম আৰম্ভ কৰিব পৰা যাব বুলি কৈছে। এই দলংখন বৃটিছৰ দিনতে নিৰ্মাণ কৰা এখন দলং। এই দলংখনৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। এই দলংখনৰ ওপৰেদি দুটা

★ Speech not corrected.

মৌজাৰ মানুহ অহা-যোৱা কৰে আৰু ৰাইজে অহা-যোৱা কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। চলিত বছৰৰ ভিতৰতে এই দলংখনৰ কাম আৰম্ভ কৰিব নেকি?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই দলংখন সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয় অৱগত আৰু তেখেতে এই দলংখনৰ কাম কৰাৰ কাৰণে নিৰ্দ্দেশ দিছে। আমি আঁচনি প্ৰস্তুত কৰিছো। ডোনাৰৰ অনুমোদন পালেই কাম আৰম্ভ কৰিব পৰা যাব।

★ **শ্ৰীমতী সুশীলা হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলৰ জনসাধাৰণ অহা-যোৱা কৰিবৰ কাৰণে চলিত বিত্তীয় বৰ্ষৰ ভিতৰতেই এখন অস্থায়ী দলং নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে আমি ইয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীৰাণা গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়িকাগৰাকীয়ে যিখন দলঙৰ কথা কৈছে এইটো মোৰ সমষ্টিটো পৰে। এই সম্পৰ্কে মই দুদিনমান আগতে মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছো। যোৱা সপ্তাহত মই নিজেই দলংখন পৰিদৰ্শন কৰি মাননীয় মুখ্যমন্ত্ৰীক অৱগত কৰিছো। এই দলংখন সম্পৰ্কত আমি দিল্লীৰ লগতো যোগাযোগ কৰিছো। আমি আঁচনি চাবমিট কৰিছো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কুৱেৰি কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰে কুৱেৰিকেইটা মিট কৰিব লাগিব। যিহেতু জনসাধাৰণৰ অসুবিধা হৈছে সেয়েহে এই দলংখন সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ উত্তৰ একেই হ'ব।

★ Speech not corrected.

Mr. Speaker : Now, Starred Question No. 136, Hon'ble Member, Shri Kutub Ahmed Mazumdar.

Sub : Renovation of Central Jail, Silchar.

Shri Kutub Ahmed Mazumdar asked:

★ 136. Will the Minister of Jails be pleased to state :

(a) Is it a fact that a large portion of the walls of Silchar Central Jail has collapsed ?

(b) Is it a fact that the wide gaps of the jails are covered with CI sheets?

(c) In view of the great security risk and for the safety of the same what steps the Government is taking?

Smti. Ajanta Neog (Minister of Jails) replied :

(a) Yes.

(b) Yes.

(c) Reconstruction of the collapsed portion of the brick enclosure wall is in progress.

★ Speech not corrected.

★ শ্রীকুটুবুদ্দিন আহমেদ মজুমদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, I am happy to know that the reconstruction of the Central Jail is going on.

★ শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সেই ৰাস্তাটোৰ বাবদ ২১ লাখ টকা গড়কাপ্তানী বিভাগক চেংচন দিছো আৰু আশা কৰিছো কম দিনৰ ভিতৰতে কাম শেষ হ'ব।

Mr. Speaker : Question Hour is over.

(Starred Question No. 137 was disallowed.)

(Starred Question Nos. 138 to 140 could not be taken up for disposal as the Question Hour was over. However, the said question deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ পূর্ণ পর্য্যায়ৰ থানালৈ উন্নীতকৰণ।

শ্রীবিনোদ গোৱালাই সুধিছেঃ

★ ১৩৮। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) সৰুপথাৰ সমষ্টিৰ অন্তর্গত নাওঁজান, চুঙাজান আৰু উৰিয়ামঘাট আৰক্ষী চকীসমূহ পূর্ণ পর্য্যায়ৰ থানালৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে ?

★ Speech not corrected.

(খ) সীমান্তৱর্ত্তী অঞ্চল হিচাবে নতুনকৈ উল্লেখ কৰা স্থানসমূহত উপ-আৰক্ষী চকী স্থাপন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

১) গেলাবিল,

২) বিলগাওঁ,

৩) চুঙাজান এম. ভি.,

৪) বগীজান,

৫) বকিয়াল।

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) নাওঁজান, চুঙাজান আৰু উৰিয়ামঘাট অমঞ্জুৰীপ্রাপ্ত আৰক্ষী চকীকেইটা বর্ত্তমান কার্য্যকৰী হৈ আছে। উক্ত আৰক্ষী চকীকেইটা পূর্ণ পর্য্যায়ৰ থানালৈ ৰূপান্তৰিত কৰাৰ প্রস্তাৱ চৰকাৰৰ হাতত নাই। প্রস্তাৱ পালে পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব।

(খ) গেলাবিল, বিলগাওঁ, চুঙাজান এম. ভি., বগীজান আৰু বকিয়াল গাওঁত উপ-আৰক্ষী চকী স্থাপনৰ প্রস্তাৱ চৰকাৰে পোৱা নাই। প্রস্তাৱ পালে পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব।

বিষয়ঃ অঙ্গনবাদী কেন্দ্রৰ সংখ্যা।

শ্রীসুনীল দত্তই সুধিছেঃ

★ ১৩৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনেঃ

(ক) লামডিং সমষ্টিত কিমানটা অঙ্গনবাদী কেন্দ্র আছে আৰু প্রতিটো

কেন্দ্ৰৰ বিপৰীতে থকা সহায়িকা/কৰ্মীৰ নাম উল্লেখ কৰিবনে?

(খ) কিমানটা অঙ্গনবাদী কেন্দ্ৰৰ গৃহ স্থায়ীভাবে নিৰ্মাণ কৰিলে? বাকী থকাখিনি কিমান দিনৰ ভিতৰত নিৰ্মাণ কৰিব?

(গ) ৩১-৩-২০০৬ ইং তাৰিখৰ আগত অঙ্গনবাদী কেন্দ্ৰৰ স্থায়ী গৃহ বিলাকৰ কাম সম্পূৰ্ণ হৈছে নেকি?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সমষ্টি ভিত্তিত অঙ্গনবাদী কেন্দ্ৰ বাঁচনি/মঞ্জুৰ কৰা নহয়। লামডিং প্ৰকল্পত ১০০ টা অঙ্গনবাদী কেন্দ্ৰ আছে। (কৰ্ম্মী আৰু সহায়িকাৰ নাম উল্লেখ কৰি সংলগ্ন কৰি দিয়া হৈছে। সংলগ্ন কাকত 'ক') (See Annexure-V)

(খ) ৫৯টা কেন্দ্ৰৰ গৃহ স্থায়ীভাবে নিৰ্মাণ কৰা হৈছে। বাকী থকা ঘৰসমূহ পৰ্য্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব।

(গ) হয়, হৈছে।

বিষয় ঃ মহিলাৰ আৰ্থিক উন্নতি।

শ্ৰীমতী সুমিত্ৰা দলে পাতিৰে সুধিছে ঃ

★ ১৪০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে গাঁৱৰ দুখীয়া মহিলাসকলক আৰ্থিকভাবে উন্নত কৰাৰ ব্যৱস্থা লৈছে নেকি?

(খ) যদি লোৱা নাই, ভৱিষ্যতে লোৱাৰ ব্যৱস্থা কৰিব নেকি?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, লৈছে।

(খ) প্রশ্ন নুঠে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ চি. ডি. পি. অ'ৰ সভাপতি।

শ্রীযোচেফ টপ্পই সুধিছে ঃ

৩০১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ প্রতিটো উন্নয়ন খণ্ডৰ অন্তর্গত চি. ডি. পি. অ'ৰ সভাপতি সম্পর্কে কেন্দ্রীয় চৰকাৰৰ কি নীতি-নির্দ্দেশনা (গাউড লাইন) আছে?

(খ) প্রতিটো সমষ্টিত থকা চি. ডি. পি. অ'ৰ সভাপতি পদ বিধায়ক সকলক দিয়াৰ বাবে চৰকাৰে বিবেচনা কৰিছে নেকি? যদি কৰিছে, ইয়াক কেতিয়াৰ পৰা কার্য্যকৰী কৰা হ'ব?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চি. ডি. পি. অ'ৰ সভাপতি সম্পর্কে কেন্দ্রীয় চৰকাৰৰ কোনো নীতি-নির্দ্দেশনা নাই। গতিকে চি. ডি. পি. অ'ৰ কোনো সভাপতি মনোনীত কৰা নহয়।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ চাব ট্রেজাৰী স্থাপন।

শ্রীআব্দুল খালেকে সুধিছেঃ

৩০২। মাননীয় মুখ্যমন্ত্রী (বিত্ত) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰৰপেটা জিলাৰ পশ্চিম অঞ্চলত কোনো চাব ট্রেজাৰী নথকাত উক্ত অঞ্চলৰ বাইজে ৬০/৭০ কিলোমিটাৰ আঁতৰৰ ৰৰপেটা জিলা সদৰলৈ গৈ বিত্তীয় লেনদেন সম্পৰ্কীয় ট্রেজাৰী সংক্রান্ত কাম-কাজ কৰিবলগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত অসুবিধা দূৰীকৰণৰ বাবে ষ্টেট বেংকৰ শাখা থকা উক্ত অঞ্চলৰ প্রাণ কেন্দ্র স্বৰূপে কলগাছিয়াত চাব-ট্রেজাৰী এটি স্থাপনৰ বাবে চৰকাৰে বিবেচনা কৰিবনে?

শ্রীতৰুণ গগৈ (অসমৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়।

(খ) বর্ত্তমান যিবোৰ জিলা সদৰ আৰু মহকুমা সদৰ কোষাগাৰ অবিহনে চলি আছে, সেইবোৰত কোষাগাৰ/উপ-কোষাগাৰ স্থাপন কৰাৰ পিচতহে কলগাছিয়াকে ধৰি অন্য ঠাইত (সদৰৰ বাহিৰে) কোষাগাৰ/উপ-কোষাগাৰ স্থাপনৰ বিষয়ে চিন্তা কৰিব পৰা হব।

বিষয়ঃ মানসিক বিকাৰগ্রস্ত শিশুৰ সংখ্যা।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছেঃ

৩০৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) কাহিলীপাৰাত অৱস্থিত মনোবিকাশ কেন্দ্ৰ'ত মুঠ কিমানজন মানসিক বিকাৰগ্রস্ত শিশু আছে?

(খ) শিশুসকলক পৰিচর্য্যা আৰু চোৱা-চিতা কৰিবলৈ মুঠ কিমান গৰাকী প্রশিক্ষণ প্রাপ্ত তদাৰককাৰী আছে?

(গ) এই কেন্দ্র পৰিচালনা কৰিবলৈ কোন কোন সংস্থাই পুঁজিৰ যোগান ধৰে?

(ক) অঙ্গনবাদী কেন্দ্ৰ সমষ্টিভিত্তিত নহয়। ভৱানীপুৰ প্ৰকল্পত ১২৮টা অঙ্গনবাদী কেন্দ্ৰ আছে। স্থান আৰু কেন্দ্ৰৰ নাম বিচৰা হৈছে।

(খ) কেন্দ্ৰবোৰত সম্পূৰ্ণ কর্মচাৰী নাই।

(গ) দুটা অঙ্গনবাদী কেন্দ্ৰত দুটা কর্মী আৰু ১০৩ টা অঙ্গনবাদী কেন্দ্ৰত ১০৩ টা সহায়িকা পদ খালী আছে। মহামান্য উচ্চ-ন্যায়ালয়ৰ আদেশ মৰ্মে সহায়িকা নিয়োজিত কাম স্থগিত ৰখা হৈছে। খালী হৈ থকা পদৰ বিপৰীতে কেন্দ্ৰৰ নাম সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) মহামান্য উচ্চ-ন্যায়ালয়ৰ চূড়ান্ত ৰায়দানৰ পাছত পদসমূহ পূৰণৰ ব্যৱস্থা তৎকালে কৰা হ'ব।

(ঙ) হয়, কৰিছে।

(চ) স্থান নির্ণয়ৰ বাবে জৰীপ চলাই থকা হৈছে আৰু বিত্তীয় বিভাগৰ অনুমোদন সাপেক্ষে স্থাপনৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ ASRF গঠন।

শ্রীঅনুপ ফুকনে সুধিছে ঃ

৩৪২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম বিশেষ সংৰক্ষিত বাহিনী (ASRF) দুটা বেটেলিয়ন ১৯৮৪ চনতে আৰক্ষী সঞ্চালক প্রধান (DGP)ৰ অধীনত গঢ়ি তুলি কিয় আৰু কিমান দিনলৈ ১৯৯৪ চনত সঞ্চালক প্রধান (CD/HG)ৰ অধীনলৈ নিয়া হ'ল? (বিতং তথ্য দিব)

খ) সঞ্চালক প্রধান (CD/HG)ৰ অধীনত ১ম বেটেলিয়ন (ASRF-I)ৰ অধিনায়ক (কমাণ্ডেন্ট) IPS হোৱা স্বত্বেও ২য় বেটেলিয়ন (ASRF-II)ৰ অধিনায়কজন (APS বা IPS) কোনো (কেডাৰৰ) বিষয়া নহয় বুলি উঠা অভিযোগ সত্যনে? যদি সত্য, এইজন বিষয়াৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে? বিষয়াজনৰ বিৰুদ্ধে সুদীর্ঘ দিন দূর্নীতি, মুখ্য কার্য্যালয়ত অনুপস্থিতি আৰু জোৱানসকলক অন্যায়, অত্যাচাৰ, প্রবঞ্চনা কৰাৰ অভিযোগ সত্যনে? যদি সত্য, বিষয়াজনৰ ওপৰত বিভাগীয় ভাবে ব্যৱস্থা লবনে?

(গ) উক্ত বিষয়াজনৰ বিৰুদ্ধে 9 mm গুলীৰ মূল্য লক্ষ্য লক্ষ্য টকা আত্মসাৎ কৰাৰ অভিযোগ সত্যনে? যদি সত্য, বিভাগীয় ভাবে তদন্তৰ ব্যৱস্থা কৰি বিহীত ব্যৱস্থা লবনে?

(ঘ) কঠোৰ প্রশিক্ষণপ্রাপ্ত ASRF জোৱানসকলক গৃহৰক্ষী বাহিনীৰ তেনেই কম প্রশিক্ষণপ্রাপ্ত জোৱানেৰে সলনি কৰা আৰু ASRF জোৱানক গৃহৰক্ষী বাহিনী লৈ যোৱা কথাটো সত্যনে? যদি সত্য, এই সমতাহীন বদলি কার্য্যৰ ফলত বদলি হোৱা ASRFৰ জোৱানসকল বিভিন্ন প্রাপ্য সা-সুবিধাৰ পৰা বঞ্চিত হোৱাটো সত্যনে আৰু ASRFৰ প্রশিক্ষিত জোৱানসকলৰ প্রমোচন আদিও বন্ধ ৰাখি HGৰ কম প্রশিক্ষিত জোৱানকে প্রমোচন দিয়া হৈছে নেকি? ASRFৰ জোৱান বুলি HGৰ জোৱানকে V.V.I.P./V.I.P. Duty দিয়া হয় নেকি?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছেঃ

(ক) অসম সংৰক্ষিত বাহিনীৰ (ASRF) বেটেলিয়ন দুটা ১৯৮৪ চনত অ-সামৰিক প্রতিৰক্ষা সঞ্চালক আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালক প্রধানৰ অধীনত সৃষ্টি কৰা হৈছিল। গতিকে আৰক্ষী সঞ্চালক প্রধানৰ অধীনত সৃষ্টি কৰা কথাটো সত্য নহয়।

(খ) ১ম (ASRF) বাহিনীৰ অধিনায়ক IPS Cadreৰ হয়। ২য় ASRF Bn. অধিনায়কজন গৃহৰক্ষী বাহিনীৰ বিষয়া। গতিকে বিভাগীয় বিষয়া বিভাগৰ অধীনৰ Battalionৰ অধিনায়ক হিচাবে কার্য্যনির্বাহ কৰি আছে। অধিনায়ক হিচাবে অধিস্থিত হোৱাৰ বাবদ বিষয়াজনৰ বিৰুদ্ধে থকা অভিযোগ

সংক্রান্তত বিভাগীয় তদন্ত নিৰীক্ষণ আৰু নিবাৰণ তদাৰকী শাখাৰ অধীনত তদন্তনাধীন হৈ আছে।

(গ) বিষয়াজনৰ পৰা বিভাগীয় ব্যাখ্যা বিচৰা হৈছে।

(ঘ) সত্য নহয়।

বিষয় ঃ প্রহ্লাদ গোৱালাৰ হত্যা।

শ্রীযোচেফ টপ্পই সুধিছে ঃ

৩৪৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সাংবাদিক প্রহ্লাদ গোৱালাৰ হত্যাৰ পাছত তেওঁৰ পৰিয়ালক অসম চৰকাৰে কেনে ধৰণৰ সহায় আগবঢ়াইছে?

(খ) জিলা বাহিনীয়ে সাংবাদিক গোৱালাৰ হত্যাৰ ব্লু প্রিন্ট মোস্তাফা বডী গেৰেজত তৈয়াৰ কৰিছিল। কথাটো সত্যনে?

(গ) গোৱালাৰ হত্যা সম্পর্কত তেওঁৰ পত্নীয়ে থানাত দিয়া এজাহাৰৰ প্রতিলিপি সদনত দাখিল কৰিবনে?

(ঘ) সকলো সাংবাদিক সন্থাই গোৱালাৰ হত্যাকাণ্ডৰ দোষীসকলক দৃষ্টান্তমূলক শাস্তিৰ দাবীত ৰাষ্ট্রপতি, প্রধান মন্ত্রী, ইণ্ডিয়ান ফেডাৰেচন জার্নেলিষ্ট আৰু এমনেষ্টি ইন্টাৰনেচনেলৰ হস্তক্ষেপৰ উপৰিও চি.বি.আইৰ তদন্ত বিচৰা সম্পর্কে চৰকাৰ অৱগতনে? উক্ত গোচৰটোৰ চৰকাৰে চি.বি. আইক হস্তান্তৰ কৰিছে নেকি? যদি কৰিছে, তাৰ সবিশেষ জনাবনে?

(ঙ) বর্ত্তমান উক্ত গোচৰ কি পর্য্যায়ত আছে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) সাংবাদিক প্ৰহ্লাদ গোৱালাৰ হত্যাৰ পাছত মুখ্যমন্ত্ৰীৰ পুঁজিৰ পৰা ৩,০০,০০০.০০ (তিনি) লাখ টকা তেওঁৰ পত্নী শ্ৰীমতী জিনু গোৱালাক দিয়া হৈছে।

(খ) কথাটো সত্য নহয় আৰু ইয়াৰ ভিত্তিত কোনো তথ্যও পোৱা নাই।

(গ) গোৱালাৰ পত্নীয়ে থানাত দিয়া এজাহাৰৰ প্ৰতিলিপি সদনত দাখিল কৰা হ'ল। (See Annexure-XVIII)

(ঘ) হয়, অৱগত। উক্ত গোচৰটো চি. বি. আইৰ দ্বাৰা তদন্ত কৰিবৰ কাৰণে ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছিল। কিন্তু ভাৰত চৰকাৰে গোচৰটো স্থানীয় প্ৰকৃতিৰ আৰু আন্তঃৰাজ্যিক বা আৰ্ন্তজাতিক প্ৰভাৱ নথকা হেতুকে চি. বি. আইৰ দ্বাৰা গোচৰটো অনুসন্ধান কৰিবৰ কাৰণে অপাৰগতা প্ৰকাশ কৰে।

(ঙ) বৰ্ত্তমান উক্ত গোচৰটো চি. আই. ডি.ৰ তদন্তাধীন হৈ আছে।

বিষয় ঃ খালী পদ পূৰণ।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৩৪৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমানলৈ কিমান চুপাৰ ভাইজাৰ আৰু অঙ্গনবাদী কৰ্ম্মীয়ে কাম কৰি আছে? (জিলা ভিত্তিত দেখুৱাব)

(খ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত বৰ্ত্তমান কিমান চুপাৰভাইজাৰ/ অঙ্গনবাদী কৰ্ম্মীৰ পদ খালী হৈ আছে? (কেন্দ্ৰৰ নাম উল্লেখ কৰি দেখুৱাব)

(গ) এই খালী হৈ থকা পদসমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰা হ'ব?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্ত্তমানলৈ ১২২৪ গৰাকী চুপাৰভাইজাৰ আৰু ২৪,৯০৬ গৰাকী অঙ্গনবাদী কৰ্ম্মীয়ে কাম কৰি আছে। জিলা ভিত্তিত চুপাৰ ভাইজাৰৰ সংখ্যা সংলগ্ন কাকত 'ক'ত দেখুওৱা হৈছে আৰু অঙ্গনবাদী কৰ্ম্মীৰ তালিকা সংশ্লিষ্ট জিলাসমূহৰ পৰা বিচৰা হৈছে। (See Annexure-XIX)

(খ) সমষ্টি হিচাবে চুপাৰ ভাইজাৰ, অঙ্গনবাদী কৰ্ম্মীৰ পদ নাথাকে। ৰূপহী প্রকল্পত বর্ত্তমানে চুপাৰভাইজাৰ পদ খালী নাই। অঙ্গনবাদী কৰ্ম্মীৰ দুটা পদ খালী হৈ আছে।

(গ) বিভাগীয় নীতি-নির্দ্দেশনা অনুসৰি খালী হৈ থকা পদ দুটা পূৰণৰ ব্যৱস্থা কৰা হব।

বিষয় ঃ বন্ধ সংস্কৃতি সম্পর্কে।

শ্রীৰাজু চাহৰে সুধিছে ঃ

৩৪৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন সংগঠন তথা অনুষ্ঠানে সঘনাই আহ্বান জনোৱা বন্ধ আদিৰ ফলত এক 'বন্ধ সংস্কৃতি'য়ে গা কৰি উঠিছে, যাৰ ফলত অসমৰ উন্নয়নৰ ক্ষেত্রত যথেষ্ট বাধাৰ সৃষ্টি হৈছে, ইয়াক প্রতিৰোধ কৰাৰ কোনো ব্যৱস্থা লৈছে নেকি?

(খ) যদি লৈছে, কি কি ব্যৱস্থা লৈছে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রীৰ হৈ উত্তৰ দিছেঃ

(ক) অসমৰ বিভিন্ন সংগঠন তথা অনুস্থানে সঘনাই আহ্বান জনোৱা 'বন্ধ সংস্কৃতি' বন্ধ কৰিবলৈ চৰকাৰে কোনো ব্যৱস্থা বৰ্ত্তমানে লোৱা নাই যদিও চৰকাৰে সদায় এই বন্ধ সংস্কৃতিৰ বিৰোধিতা কৰি আহিছে। এই বন্ধ সংস্কৃতিয়ে দৈনন্দিন চৰকাৰী কাম-কাজ ব্যাহত কৰাৰ উপৰিও সমাজৰ অর্থনৈতিক দিশতো বিৰূপ প্রভাৱ পেলায়। ই কৰ্ম্ম সংস্কৃতি ধ্বংস কৰে। এনে বন্ধৰ সময়ছোৱাত চৰকাৰে জিলা আৰু মহকুমা পর্য্যায়ৰ চৰকাৰী কার্য্যালয় সমূহলৈ চৰকাৰী কাম- কাজ নিয়াৰিকৈ চলাই নিবৰ বাবে বিভিন্ন নির্দ্দেশ জাৰি কৰি আহিছে। 'বন্ধ সংস্কৃতি' বন্ধ কৰাৰ কাৰণে জনৈক মৃনাল তালুকদাৰে পি. আই. এল. ৭২/০৫ৰ অধীনত ৰাজহুৱা স্বার্থ জড়িত গোচৰ এটা মাননীয় উচ্চ ন্যায়ালয়ত দাখিল কৰিছে। উক্ত গোচৰৰ সমর্থনত যাৱতীয় নথি পত্র চৰকাৰে চৰকাৰীভাবে উচ্চ ন্যায়ালয়ত দাখিল কৰিছে। বৰ্ত্তমান এই গোচৰ উচ্চ ন্যায়ালয়ত বিবেচনাধীন হৈ আছে।

(খ) ওপৰোক্ত প্রশ্নোত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিষয়ঃ নতুন মহকুমা স্থাপন।

শ্রীআব্দুল খালেকে সুধিছেঃ

৩৪৬। মাননীয় সাধাৰণ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ পশ্চিম অঞ্চলত কোনো মহকুমা নথকা কাৰণে

ৰাইজে ৬০/৭০ কিলোমিটাৰ আঁতৰৰ বৰপেটা জিলা সদৰলৈ গৈ প্ৰয়োজনীয় কাম-কাজ কৰিবলগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত অসুবিধালৈ লক্ষ্য কৰি কলগাছিয়াক সদৰ হিচাপে লৈ মহকুমা এটি স্থাপন কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰীৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) ভাৰত চৰকাৰে গঠন কৰি দিয়া Delimitation Commissionৰ নিষেধাজ্ঞা শিথিল কৰিলে আৰু জিলা/মহকুমা গঠনৰ বাবে গঠিত উচ্চ পৰ্য্যায়ৰ কমিটিৰ অনুমোদন সাপেক্ষে বিষয়টো বিবেচনা কৰিব পৰা যাব।

Sub : Resumption of Operation against ULFA.

Shri Drupad Borgohain asked :

347. Will the Minister of Home be pleased to state :

(a) Whether the Government is aware of the determination of the military to resume operation against ULFA when the dialogue with them is in the offing?

(b) If so, what policy has been taken by Government to bring cease fire between ULFA and the Union Government?

Shri Rockybul Hussain (Minister, Forest etc.) replied on behalf of the Hon'ble Minister, Home :

(a) & (b) Anti-insurgency operation is continuing in the state of Assam under 'Unified Commando' consisting of Civil Administration, Police, Central Police organisations and Army. As the militant outfit, ULFA, has not yet declared cease-fire with Government of India and is continuing their violent activities, operation against militant outfits including ULFA who are indulging in violence, is continuing to maintain peace in society.

Government of Assam sincerely believes in negotiation with the militant outfits for solving their problems. The Government of India, the Government of Assam and the militant outfits

like UPDS, DHD, NDFB, ACMA (Adivasi Cobra Militant of Assam). BCF (Birsa Commando Force) have already signed formal cease-fire agreements and negotiation are continuing for solution of their problems. Government of Assam is very happy that peace process with ULFA has already been initiated through the meditation of PCG and is hopeful that ULFA will come forward to sign formal cease-fire agreement with the Government of India and the Government of Assam and start meaningful negotiations to solve their problems.

বিষয় ঃ অঙ্গনবাদী কেন্দ্রৰ সংখ্যা।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

৩৪৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত কিমান সংখ্যক অঙ্গনবাদী কেন্দ্র আছে? (সমষ্টিভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) ইয়াত মুঠ কিমানসংখ্যক কর্মচাৰী নিয়োজিত হৈ আছে? (সমষ্টি ভিত্তিত তথ্য দাখিল কৰিব)

(গ) কেন্দ্রীয় চৰকাৰে ২০০৫-২০০৬ চনৰ শিশু খাদ্য, মাতৃ কল্যাণ আদি শিতানত কিমান পৰিমাণৰ টকা মুকলি কৰি দিছিল ?

(ঘ) ইয়াৰ শিশু খাদ্যসমূহ কি ভিত্তিত আৰু কেনেদৰে বিতৰণ কৰা হয় ?

শ্ৰীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২৫,৪১৬ টা অঙ্গনবাদী কেন্দ্ৰ আছে। (সমষ্টিভিত্তিত অঙ্গনবাদী কেন্দ্ৰ মঞ্জুৰ কৰা নহয়। গতিকে তথ্য সদনৰ মেজত ৰাখিব পৰা নগ'ল)

(খ) বিতং তথ্য বিচৰা হৈছে।

(গ) কেন্দ্ৰীয় চৰকাৰে ২০০৫-২০০৬ চনৰ বাবে শিশু খাদ্য আৰু মাতৃ কল্যাণ আদি শিতানত ৩০,৬৬,৬৭,০০০.০০ টকা মুকলি কৰি দিয়ে।

(ঘ) বিশেষ পুষ্টিকৰ আঁচনিৰ নিয়মাৱলী অনুসৰি প্ৰতিজন ছয়মহীয়াৰ পৰা ছয়বছৰীয়া শিশুক দৈনিক ২.০০ টকা হাৰ পৰিমাণৰ পুষ্টিকৰ খাদ্য গৰ্ভৱতী আৰু প্ৰসুতি মাতৃসকলৰ বাবে ২.৩০ টকা হাৰ পৰিমাণৰ পুষ্টিকৰ খাদ্য আৰু গভীৰভাবে পুষ্টিহীনতাত ভোগা শিশুক ২.৭০ টকা পৰিমাণৰ পুষ্টিকৰ খাদ্য অঙ্গনবাদী কেন্দ্ৰৰ কৰ্ম্মী আৰু সহায়িকাৰ জড়িয়তে হিতাধিকাৰীসকলক বিতৰণ কৰা হয়।

বিষয় ঃ পথ মেৰামতি আৰু উন্নীতকৰণ।

শ্ৰীঅভিজিৎ হাজৰিকাই সুধিছে ঃ

৩৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙাপাৰা সমষ্টিৰ অন্তর্গত বালিপাৰাৰ পৰা মিছামৰীয়ালৈকে থকা গড়কাপ্তানী পথটো মেৰামতি আৰু উন্নতিকৰণৰ সন্দর্ভত চৰকাৰে কোনো আঁচনি গ্রহণ কৰিছে নেকি?

(খ) ভাৰতবর্ষৰ দ্বিতীয় বৃহৎ সেনা শিৰিৰলৈ অহা-যোৱা কৰা পথটোৰ বর্ত্তমান অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে? সাধাৰণ লোকৰ উপৰি সেনাৰ অহা-যোৱা পথটোৰ উন্নীতকৰণৰ বিষয়ে চৰকাৰে বিশেষ আঁচনি গ্রহণ কৰিছে নেকি?

(গ) চৰকাৰে যদি বিশেষ আঁচনি লৈছে, বর্ত্তমান এই আঁচনি কি পর্য্যায়ত আছে?

শ্রীমতী অজন্তা নেওঁগ (সমাজ কল্যাণ ও কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, বালিপাৰা-মিচামাৰী পথটিৰ মেৰামতি তথা উন্নতিকৰণৰ বাবে চৰকাৰৰ তৰফৰ পৰা আঁচনি গ্রহণ কৰা হৈছে। ০.০০ কিঃ মিঃৰ পৰা ১০০০.০০ মিঃ (১.০০ কিঃ মিঃ) দৈর্ঘ্য পথছোৱাৰ উন্নতিকৰণৰ বাবে জিলা উন্নয়ন পুঁজিৰ অধীনত ৩৩.০০ লাখ টকাৰ এটি প্রাক্কলন প্রস্তুত কৰা হৈছে। ২০০০.০০ মিঃৰ পৰা ৪৫০০.০০ মিঃ দৈর্ঘ্যৰ পথছোৱাৰ মেৰামতিৰ বাবে দ্বাদশ বিত্তীয় আয়োগৰ অধীনত ১২.০০ লাখ টকাৰ এটি আঁচনি গ্রহণ কৰা হৈছে।

(খ) হয়, অৱগত। উক্ত পথটোৰ উন্নয়নৰ বাবে (Inter State Connectivity) "আন্তঃৰাজ্যিক সংযোগী পথ" শিতানত অন্তর্ভূক্ত কৰাৰ বাবে আঁচনি লোৱা হৈছে।

(গ) অনুমোদনৰ বাবে দাখিল কৰা হৈছে।

বিষয় ঃ পুলিচৰ ঠিকনা।

ডাঃ কমলা কান্ত কলিতাই সুধিছে ঃ

৩৫০। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ আৰক্ষী থানাৰ পুলিচ চক্র পৰিদর্শকজনৰ ঠিকনা কি ?

(খ) তেওঁৰ নাম পলাশবাৰী সমষ্টিৰ ভোটাৰ তালিকাত থকাটো সত্যনে ?

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ছয়গাওঁ আৰক্ষী থানাৰ পুলিচ চক্র পৰিদর্শকজনৰ নাম শ্রীনৱ কান্ত বৰুৱা।

তেখেতৰ ঘৰৰ ঠিকনা এনে ধৰণৰ —

স্থায়ী ঠিকনা ঃ

নাম	ঃ	শ্রীনৱ কান্ত বৰুৱা
পিতা	ঃ	কৃষ্ণ কান্ত বৰুৱা
গাওঁ	ঃ	ছকীয়াল গাওঁ
পোঃ অঃ	ঃ	ডেৰগাওঁ
থানা	ঃ	ডেৰগাওঁ
জিলা	ঃ	গোলাঘাট (অসম)

বর্ত্তমানৰ ঠিকনা ঃ

গাওঁ	ঃ	ৰামপুৰ
থানা	ঃ	পলাশবাৰী (মির্জা)
জিলা	ঃ	কামৰূপ (অসম)

(খ) হয়, সত্য।

VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now, VOTING ON DEMANDS FOR GRANTS, Shri Ramendra Narayan Kalita. শ্রীৰমেন্দ্ৰ নাৰায়ণ কলিতাই ১০ মিনিট কৰ মাত্ৰ।

★ **শ্রীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহাশয়, আমাৰ স্বাস্থ্য মন্ত্রী মহাশয়ে স্বাস্থ্য আৰু জনস্বাস্থ্য বিভাগত বিশেষকৈ গ্রাম্যাঞ্চলত স্বাস্থ্য বিভাগটোৰ উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা লোৱাটো পৰিলক্ষিত হৈছে। এইটো বৰ ভাল কথা হৈছে। বিশেষকৈ গ্রাম্যাঞ্চলৰ যিবিলাক ৩০খন বিচনাযুক্ত বা উপ-স্বাস্থ্য কেন্দ্ৰ আছে সেইবিলাক বিল্ডিঙৰ কাম আধৰুৱা হৈ থকা বিলাক সম্পূৰ্ণ কৰি তাত উপযুক্তভাবে ডাক্তৰ আৰু নার্চ নিযুক্তি দিয়াৰ ব্যৱস্থা গ্রহণ কৰিলে ভাল হয়। অধ্যক্ষ মহাশয়, অলপতে নেচনেল ৰুৰেল হেল্‌থ মিচনে ৪০টা ডাক্তৰৰ বাবে সাক্ষাৎকাৰ অনুস্থিত কৰিলে যদিও তাত মাত্ৰ ৩০জনেহে সাক্ষাৎকাৰত উপস্থিত থাকিল। এতিয়া দেখা গৈছে যে নেচনেল ৰুৰেল হেল্‌থ মিচনৰ দ্বাৰা আমাৰ যিবিলাক নিবনুৱা ডাক্তৰ আছে তেওঁলোকক সাক্ষাৎকাৰ গ্রহণ কৰি নিয়োগ কৰাৰ ব্যৱস্থা গ্রহণ কৰিব বুলি মই আশা কৰিছো। অধ্যক্ষ মহাশয়, মোৰ দ্বিতীয় কথা হৈছে যে আজি গাওঁবিলাকলৈ চিকিৎসক কিয় নেযায়? এইটো এটা ডাঙৰ প্রশ্ন। এই প্রশ্নটোৰ উত্তৰ আজি কোনে দিব? ৰিমট এৰিয়া বিলাকত আজিও ডাক্তৰ যোৱাৰ ব্যৱস্থা আমি কিয় কৰিব পৰা নাই? আমাৰ অসুবিধাবিলাক ক'ত আছে? এই কথাবিলাক আমি আজি চাবলগীয়া হৈছে। অধ্যক্ষ মহাশয়, এই কথাবিলাকত আমি

★ Speech not corrected.

আজি গুৰুত্ব দিব লাগিব। ডাক্তৰ থকাৰ কাৰণে গাওঁবিলাকত উপযুক্ত সা-সুবিধা থকা বা চৰকাৰী আবাসীক গৃহ আৰু ওচৰে-পাজৰে ভাল ঘৰ-দুৱাৰ ভাড়াত পাবলৈ নাই। এনেকুৱা ধৰণৰ বহু অসুবিধাই আজি আমি দেখি আহিছো। এই অসুবিধাবিলাক দূৰ কৰিবলৈ হ'লে আমাৰ চৰকাৰৰ তৰফৰ পৰা নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহাশয়, আজি গাওঁলৈ চিকিৎসক নোযোৱাৰ আৰু এটা কথা আছে। যেনে-গুৱাহাটীত থাকি নার্চিং হোমবিলাকৰ পৰা যিবিলাক সুবিধা আজি পোৱাটো দেখা যায় তাৰ তুলনাত গাওঁ বিলাকত থাকিলে সেই সুবিধাৰ পৰা নিশ্চয় বঞ্চিত হ'ব। অধ্যক্ষ মহাশয়, আজি গাওঁৰ চিকিৎসক বিলাকৰ কাৰণে অন্যান্য কিবা নতুন নতুন সুবিধা দিব পাৰি নেকি চিন্তা-চৰ্চ্চা কৰাটো আমাৰ কাৰণে ভাল হব নিশ্চয়। আজি গুৱাহাটীত থকা ডাক্তৰখিনিয়ে যিদৰে নার্চিং হোমত বহি যিধৰণে পইচা ইনকাম কৰি আছে, তাৰ তুলনাত গাওঁৰ চিকিৎসকে সেই ধৰণে পইচা ইনকাম কৰিব পৰা নাই। আজি গুৱাহাটী মহানগৰীত কাঠফুলাৰ দৰে নার্চিং হোম গঢ়ি উঠিব ধৰিছে। চৰকাৰে নার্চিং হোম বিলাক নিয়ন্ত্রণ কৰাৰ সময় আহি পৰিছে। অধ্যক্ষ মহাশয়, মোৰ সমষ্টিত প্ৰায় ২৭টা উপ-স্বাস্থ্য কেন্দ্ৰ আছে। কিন্তু দেখা গৈছে যে সেইবিলাক উপ-স্বাস্থ্য কেন্দ্ৰত আজি এ. এন. এম. নিযুক্তি দিয়াৰ পাচতো মাহেকত এদিন বা দুদিনহে দেখা যায়। আজি এইটো কিয় হবলৈ পালে? আমি নিশ্চয় তাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহাশয়, মোৰ সমষ্টিৰ আজাৰা উপ-স্বাস্থ্য কেন্দ্ৰটো ১৯৮৭ চনতে ৩০খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ ৰূপান্তৰিত হ'ল যদিও আজিলৈকে উপ-স্বাস্থ্য কেন্দ্ৰ হৈয়ে আছে। তাৰ কাৰণ কি নাজানিলো। ৩০খন বিচনাযুক্ত

হৈছে বুলি আমি জানিছিলো যে আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰটো আজাৰাত, ৰি. এচ. এফৰ কার্য্যালয় আছে, এয়াৰ ফোর্চৰ কার্য্যালয় আছে, এনে ধৰণে ভাবিছিলো যে ৩০খন বিচনাযুক্ত হোৱাটো ভাল হৈছে। এতিয়া কিছুদিন আগতে জানিব পাৰিলো যে সেইখন আজি পর্য্যন্ত উপ-স্বাস্থ্য কেন্দ্ৰ হৈয়ে আছে। ইয়াৰ কাৰণ কি বুজিব পৰা নাই।

মাননীয় অধ্যক্ষ মহাশয়, আজি পাহাৰীয়া অঞ্চলবিলাকত আৰু ৰিমট এৰিয়াবিলাকত এ. এন. এম. নোযোৱাৰ কাৰণে আজি মেলেৰীয়াই তাণ্ডৱ ৰূপ লৈছে। এই ক্ষেত্ৰত ফিমেলকে এ. এন. এমৰ দায়িত্ব নিদি মেলকো এটা পার্চেন্টেজ দি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি চৰকাৰে বিবেচনা কৰিলে ভাল হয়। আজি অসমত মেলেৰীয়াই যিটো ৰূপ লৈছে সেইটোত বহুত মানুহ মৃত্যু মুখত পৰিছে আৰু বহুতো ৰোগী চিকিৎসালয়ত আজি পর্য্যন্ত ভর্ত্তি হৈ চিকিৎসাধীন হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আজাৰাৰ চিকিৎসালয়খন ৩০খন বিচনাযুক্ত চিকিৎসালয় হয়নে নহয় তাৰ এটা তদন্ত কৰিব বুলি মই আশা কৰিছো। অধ্যক্ষ মহাশয়, আমাৰ চৰকাৰে চিকিৎসালয়বিলাকত উন্নয়নৰ বাবে টকা-পইচা দি থাকিলেই নহ'ব সেইবোৰৰ সৎ ব্যৱহাৰ হৈছে নে নাই আমি সেইটোও লক্ষ্য ৰাখিব লাগিব। মই জনাত শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ আৰু জামুগুৰি হাটৰ চিকিৎসালয় দুখনৰ বাবদ ১০লাখ টকাকৈ চেংচন দিয়া হৈছে যদিও মাত্ৰ ১ লাখ বা ১.৫০ লাখ টকাৰহে কাম কৰা হৈছে। আমি বাজেটত টকা যিমানেই নধৰো কিয়, যিমান টকা হস্পিটাল বিলাকক চেংচন নিদিও কিয় সেইবিলাক যদি যথার্থভাবে ৰূপায়ণ কৰা নহয় তেনেহ'লে আমাৰ কোনো ধৰণৰ কামত নাহিব। এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা এটা তদন্তৰ ব্যৱস্থা কৰিলে

ভাল হয়। মাননীয় অধ্যক্ষ মহাশয়, আজি কিছুদিনৰ আগতে মাননীয় স্বাস্থ্য মন্ত্রী হিমন্ত বিশ্ব শর্মা ডাঙৰীয়াই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ গৈছিল আৰু তাত থকা বিভিন্ন আসোঁৱাহ নিজে দেখি আহি ব্যৱস্থাও গ্রহণ কৰিছিল। তাৰ কাৰণে আমি ভাল পাইছো। তেওঁ অহাৰ পিচৰে পৰাই চাফ-চিকুণ কৰা, ৰং দিয়া, ডাক্তৰ সময়মতে উপস্থিত থকা আদি দেখিবলৈ পোৱা গৈছে। অধ্যক্ষ মহাশয়, এতিয়া কথা হৈছে যে এই বিলাক কিমান দিন চলি থাকিব? এই বিলাক কন্টিনিউ হৈ থাকিব লাগে। যাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিব লাগে আৰু উপযুক্ত পদক্ষেপ হাতত লব লাগে। অধ্যক্ষ মহাশয়, প্রায়ে শুনা যায় গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালখনত এন্দুৰ নিগনি আদি থাকে। এইবোৰ ক'ৰ পৰা আহি তাতে বাহ পাতিবলৈ পালে। আমি জনাত ৰোগী বিলাকৰ কাৰণে যি খাদ্য অনা হয়, তাৰে আধা খায় আধা খিড়িকীৰে পেলাই দিয়া হয় আৰু তাতেই এন্দুৰ নিগনি সোমায় তাত খায় লৈ বাহ বান্ধি থাকে। সেইবিলাক ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব লাগে। সকলো ফালৰপৰাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খনি আটক ধুনীয়াকৈ সজাই পৰাই ৰখাৰ বাবে আমি সকলোৱে চেষ্টা কৰিব লাগে।

অধ্যক্ষ মহাশয়, ৰোগীৰ খোৱা বস্তু খিড়িকীৰে যদি বাহিৰত পেলোৱা হয়, এন্দুৰ আৰু নিগনি কিয় নাহিব? গতিকে খিড়িকীৰে যাতে বস্তু বাহিৰত পেলাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব পাৰে নেকি চাব লাগে। খোৱা আহাৰ খিড়িকীৰে বাহিৰত পেলাব দিব নালাগে। গুৱাহাটী মেডিকেল কলেজখন ৯ বজাত চাফ-চিকুণ কৰে। সেই সময়তে মানুহৰ ভিৰ হয়, ডাক্তৰসকলেও ৰাউণ্ড দিয়ে। গতিকে ৮বজাৰ

পৰা ৯ বজাৰ ভিতৰত চাফ-চিকুণৰ কাম শেষ কৰিব লাগে। যিহেতু ৯বজাত চাফ-চিকুণ কৰে আৰু তেতিয়া মানুহৰ ভিৰ হয়, সেই গতিকে কাম কৰিব নোৱাৰি আধৰুৱাকৈ এৰি থৈ যায়। গুৱাহাটী মেডিকেল কলেজত চিটি স্কেন, আলট্রা চাউণ্ড, এক্সৰে আদি আছে। কিন্তু অসমৰ বিভিন্ন ঠাইৰ পৰা যিমান ৰোগী আহে, সেই অনুপাতে অত্যাধুনিক যন্ত্র চিটি স্কেন, আলট্রা চাউণ্ড, এক্স-ৰে মেচিন নাই। যিখিনি আছে সেইখিনিৰে ৰোগীৰ চিকিৎসাৰ অভাৱ পূৰণ কৰিব নোৱাৰে। সেইকাৰণে গুৱাহাটী মেডিকেল কলেজৰ পৰা এইবিলাক কৰাৰ কাৰণে ৰোগীক বাহিৰৰ পৰা কৰি আনিবলৈ দিয়া হয়। গুৱাহাটী মেডিকেল কলেজত এইটো অৱস্থাৰ সৃষ্টি হৈছে। যি দুই এটা ইউনিট আছে, অভাৱ পূৰণ কৰিব নোৱাৰে। গতিকে ইউনিট বঢ়াব লাগে, যেতিয়ালৈকে ইউনিট বঢ়াব নোৱাৰে তেতিয়ালৈকে এটা বিকল্পৰ চিন্তা কৰিব লাগে। গুৱাহাটী মেডিকেল কলেজত এন্টি ক্লিয়াৰ টেষ্টিং সুবিধা আছেনে, এ. এন. এ. ব্যৱস্থা আছেনে, কিতম কেডি টেষ্ট কৰাৰ কথা আছেনে, এইবিলাক গুৱাহাটী মেডিকেল কলেজত হব নেকি? সেয়েহে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো ৰোগীৰ অসুবিধাৰ প্রতি লক্ষ্য ৰাখি এইবিলাক ব্যৱস্থা কৰিব লাগে। আজিৰ যুগটো হৈছে কম্পিউটাৰৰ যুগ, প্রাইভেট লেব'ৰেটৰীত সেইবিলাকৰ যোগেদি ৰিপোর্ট দিয়া হয়। কিন্তু গুৱাহাটী মেডিকেল কলেজত হাতেৰে ৰিপোর্ট লিখি দিয়া হয়। কম্পিউটাৰৰ যোগেদি ৰিপোর্টবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। চিকিৎসা বিভাগটোৰ আমূল সংস্কাৰৰ প্রয়োজন হৈছে। এই আমূল সংস্কাৰ কৰিব বুলি মই স্বাস্থ্য মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো।

মেলেৰিয়াৰ কাৰণে ডি. ডি. টি. স্প্রে কৰিছে ভাল হৈছে। কিন্তু ইণ্টাৰ ষ্টেট যি বোর্ডাৰ আছে তাত দিয়া হৈছে নে নাই। অৰুণাচল, মেঘালয়ৰ মহ অসমলৈ নাহিব নেকি আৰু অসমৰ মহ তালৈ নাযাব নেকি? গতিকে সংশ্লিষ্ট যিকেইখন চুবুৰীয়া ৰাজ্য আছে, তেওঁলোকৰ লগত কথা পাতক। বোর্ডাৰবিলাকত ডি. ডি. টি. স্প্রে কৰাৰ ব্যৱস্থা কৰক। সেই বোর্ডাৰবিলাকত মানুহ বসবাস কৰি আছে। যদি তাত ডি.ডি.টি. স্প্রে কৰা হয় তেতিয়াহ'লে সেই মানুহখিনিয়ে মেলেৰীয়াৰ পৰা পৰিত্রাণ পাব। এই ক্ষেত্রত মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ক যোগাত্মক ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো। মেলেৰীয়াৰ লগতে এনকেফেলাইটিচৰ কাৰণে ২৪জন মানুহৰ মৃত্যু হৈছে বুলি বাতৰি পাইছো। এইটো ডিব্রুগড়, তিনিচুকীয়া, শিৱসাগৰ আদিত ব্যাপকভাবে হৈছে বুলি জানিছো। আমাৰ ইয়াত ভেক্চিন উৎপাদন হৈছে, গতিকে শূন্যৰ পৰা পাঁচ বছৰ বয়সৰ শিশুসকলক ভেক্চিন দি প্রতিৰোধৰ কাৰণে ব্যৱস্থা লব লাগে। গাহৰিৰ পৰা মাইগ্রেচন হৈছে বুলি কৈছে, তাৰ পৰা হব নোৱাৰে। এই ক্ষেত্রত মন্ত্রী মহোদয়ে বিশেষ ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, 'প্রতিদিন' বাতৰি কাকতত প্রকাশ পাইছে যে অসমত কেন্সাৰ বেমাৰৰ বৃদ্ধি পাইছে। 'দৈনিক অসম' বাতৰি কাকতত দিয়া তথ্য মতে ২০০৩-০৪ চনত ৩,০৮৬ জন, ২০০৫-০৬ চনত ৪,৩৫৪ জনৰ মৃত্যু হৈছে। কেন্সাৰ বেমাৰ ব্যাপক হাৰত বৃদ্ধি পাইছে। গুৱাহাটীত বি. বৰুৱা কেন্সাৰ ইন্সটিটিউট আছে, এইটো ভাবা এটমিক ৰিচার্চ চেণ্টাৰৰ অন্তর্ভূক্ত হৈ আছে। আমাৰ স্বাস্থ্য মন্ত্রী তাৰ সদস্য। ভেল'ৰত চি. এম. চি. ফুলফ্লেজেদ কৰিছে, গুৱাহাটীতো বি. বৰুৱা

কেন্সাৰ ইন্সটিটিউট নকৰে কিয়? টি. বি. হস্পিতালৰ মাটি আছে। টি. বি. হস্পিতাল ভাঙি পৰা অৱস্থা হৈছে, তাত মানুহ থাকিব নোৱাৰে। চৰকাৰে চাহাৰাক মাটি দিছে, টি. বি. হস্পিতালৰ মাটি কেন্সাৰ হস্পিতালৰ কাৰণে নাৰাখে কিয়? কেন্সাৰ ইন্সটিটিউট ফুলফ্লেজেদ হ'লে অসমৰ মানুহৰ যথেষ্ট সহায় হ'লহেঁতেন। টি. বি. হস্পিতালখন বাহিৰত নিয়ক, অসমত এখন কেন্সাৰ হস্পিতাল কৰাৰ কাৰণে ব্যৱস্থা কৰক। পৃথিৱীৰ ভিতৰত অসমতে আটাইতকৈ বেছি কেন্সাৰ বেমাৰ হয়। যেনেকৈ টাটা মেম'ৰিয়েলক ফুলফ্লেজেদ কৰিছে, আমাৰ অসমতো কৰিলে ভাল হব। এই ক্ষেত্রত বিভাগীয় মন্ত্রী মহোদয়ক ব্যৱস্থা গ্রহণ কৰিবলৈ মই অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ধীৰেণপাৰা অঞ্চলত এখন হস্পিতাল নির্মাণ কৰিছে। মাননীয় মন্ত্রী মহোদয়ে অলপতে হস্পিতালখনলৈ যোৱা বুলি শুনিছো। মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে সেই হস্পিতালখনত ১৩টা পেয়িং কেবিন কৰা হৈছে, কিন্তু পেয়িং কেবিন বিলাকৰ লগত ৰোগীৰ লগত থকা এটেনডেন্টৰ কাৰণে বিচনা নাই। মই মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ক এই ক্ষেত্রত ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো। ৰোগীৰ লগত যাতে এটেনডেন্টৰ কাৰণে এখন বিচনাৰ ব্যৱস্থা কৰা হয়। দ্বিতীয়তে, হস্পিতালখনত ইনভাৰটাৰ দিছে। কিন্তু ইনভাৰটাৰ এতিয়ালৈ হস্পিতাল গৈ নাপালে। দুটা এ. চি. দিয়া হৈছে। কিন্তু এ. চি. দুটাও গৈ হস্পিতাল নাপালে। এইবিলাক ক'ত হেৰাল, কোনে ভক্ষন কৰিলে আমি নাজানো। মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো এইবিলাকৰ এটা তদন্ত কৰিব লাগে। মাননীয় মন্ত্রী মহোদয়ে

তাত পাঁচজন ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছে, মই তেখেতক ধন্যবাদ দিছো। হস্পিতালৰ বিল্ডিংবিলাক বনাওঁতে যাতে নিম্নতম সুবিধাখিনি কৰি দিয়ে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা লবলৈ মই মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনালো। মই আৰু এটা কথা কব খুজিছো যে আমাৰ যিবিলাক চুপাৰ স্পেচিয়েলিষ্ট আছে মেডিকেল কলেজত, তেওঁলোকে ২০-২৫ হাজাৰ টকা দৰমহা পাই আছে। এই চুপাৰ স্পেচিয়েলিষ্টবিলাকক নার্চিং হোম বিলাকত নিব বিচাৰিছে। অলপতে দিশপুৰত এজন নেফ্রলজিষ্টক ডেৰলাখ টকা দৰমহা দিম বুলি কৈ লৈ গৈছে। এই ক্ষেত্ৰত চৰকাৰৰ নিশ্চয় কৰণীয় কিছু কাম আছে। চুপাৰ স্পেচিয়েলিষ্ট বিলাকক আমি কেনেকৈ ৰাখিব পাৰো এই ক্ষেত্ৰত চৰকাৰে অলপ চিন্তা-চৰ্চ্চা কৰিলে ভাল হয়। মেডিকেল কলেজত ১০-১২ বছৰ ধৰি যিসকল ডাক্তৰে এচিষ্টেন্ট প্রফেচাৰ হিচাবে কাম কৰি আছে সেইসকলৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি? ডাক্তৰসকলক বেলেগত যোৱাৰ যি মানসিকতা, তাক কমাবৰ কাৰণে মাননীয় মন্ত্রী ডাঙৰীয়াই কিবা ব্যৱস্থা লব নেকি? মাননীয় মন্ত্রী মহোদয়ে এই ক্ষেত্ৰত কিবা ব্যৱস্থা লব বুলি মই আশা ৰাখিলো। এই কথাখিনি কৈ কৰ্ত্তন প্রস্তাৱটো সমর্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker: Now, Shri Drupad Borgohain.

শ্রীদ্রুপদ বুঢ়াগোহাঁইঃ মাননীয় অধ্যক্ষ মহোদয়, মোক দুটামান কথা কবলৈ সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। কৰ্ত্তন প্রস্তাৱৰ ক্ষেত্ৰত মই আৰম্ভণিতে নাম দিয়া নাছিলো। কিন্তু কৰ্ত্তন প্রস্তাৱৰ ওপৰত আৰম্ভণিতে মোৰ কিছুমান বক্তব্য আছে। সেইখিনি ক'বৰ

কাৰণে মই চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত আটাইতকৈ উচ্চ খাপৰ তিনিখন হস্পিতাল আছে। এই তিনিখন হৈছে গুৱাহাটী মেডিকেল কলেজ হস্পিতাল, ডিব্রুগড় মেডিকেল কলেজ হস্পিতাল আৰু শিলচৰ মেডিকেল কলেজ হস্পিতাল। এই হস্পিতালকেইখনৰ যি অৱস্থা আমি তাত সোমাই গৈ দেখিছিলো এতিয়া কিছু উন্নত হৈছে। আৰম্ভণিতে স্বাস্থ্য মন্ত্রী ডাঙৰীয়া তালৈ গৈছে। তাৰ পিছত এই উন্নতি হৈছে নেকি আমি গম নাপাওঁ। দ্বিতীয়তে, গুৱাহাটী মেডিকেল কলেজ আছে, শিলচৰ মেডিকেল কলেজ আছে। গুৱাহাটী মেডিকেল কলেজ যথেষ্ট পৰিমাণে উন্নত কৰিবৰ কাৰণে ব্যৱস্থা বা চেষ্টা কৰা দেখা গৈছে আৰু সেইমতে যথেষ্ট উন্নতি হৈছে। এই তিনিখন মেডিকেল কলেজত উচ্চখাপৰ চিকিৎসা পাব পৰা ব্যৱস্থা আছে। এই তিনিওখন মেডিকেল কলেজত সমানে গুৰুত্ব দি উন্নত মানৰ চিকিৎসা যাতে জনসাধাৰণে পায় তাৰ বাবে ব্যৱস্থা লবলৈ মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। মই আৰু এটা কথা কব বিচাৰিছো, আমাৰ যিসকল ডাক্তৰ আছে, সেইসকলৰ আন্তর্জাতিক ডাক্তৰৰ লগত ফেৰ মাৰিব পৰা প্রতিভা আছে। আজি আমাৰ ডাক্তৰসকলে যাতে সঠিকভাবে কলেজবিলাকত নিজকে নিয়োগ কৰিব পাৰে তাৰ বাবে আমাৰ মাননীয় স্বাস্থ্যমন্ত্রী মহোদয়ে যাতে উপযুক্ত ব্যৱস্থা লয় তাৰ বাবে মই অনুৰোধ জনালো।

আমি দিল্লীত দেখিছো, তাত বহুতো ডাঙৰ ডাঙৰ হস্পিতাল আছে। এইমচ্‌ৰ দৰে সর্বভাৰতীয় প্রতিস্থান আছে। তাত প্রাইভেট প্রেক্টিচৰ ব্যৱস্থা নাই। সেই হস্পিতালত কাম কৰাৰ পিছত তেওঁলোকে প্রাইভেট প্রেক্টিচ কৰিব নোৱাৰে। এইটো গুৰুত্বপূর্ণ কথা। বিশেষকৈ

মেডিকেল কলেজ হস্পিতালৰ প্ৰফেচাৰসকলে এনেদৰে প্ৰেক্টিচ কৰি থাকিলে স্বাভাৱিকতে আমাৰ সাধাৰণ ৰাইজৰে অসুবিধা হ'ব আৰু তেওঁলোকৰ হাহাকাৰৰ সৃষ্টি হ'ব। গতিকে এই ব্যৱস্থাটো উঠাই দিবলৈ মই স্বাস্থ্য বিভাগক অনুৰোধ জনালো। দ্বিতীয়তে, আমাৰ মেডিকেল কলেজ হস্পিতালবোৰত ইনভেষ্টিগেচনৰ ব্যৱস্থা অতি বেয়া। ৰেডিঅ'লজী, পেথ'লজী আদিৰ উপযুক্ত লেব'ৰেটৰী নাই। ৰোগী সকলে বহুতো দুৰ্ভোগ ভুগিব লগাত পৰে। উপযুক্ত মেচিনৰ অভাৱ। যিসকল ডাক্তৰে ইয়াত কাম কৰি আছে তেওঁলোকে ইটো নাই সিটো নাই বুলি ৰোগীসকলক বিভিন্ন ডায়'গনেষ্টিক চেণ্টাৰবোৰলৈ পৰীক্ষাৰ বাবে পঠায়। এইটো অৱস্থা ঠিক নকৰিলে আমাৰ দৰিদ্ৰ ৰাইজ বহুতো অসুবিধাৰ সন্মুখীন হ'ব। আজিকালি চিকিৎসা খৰছ শতকৰা ৮০ ভাগ বাঢ়ি গৈছে। ইয়াৰ কাৰণে বহুতে মৃত্যু মুখত পৰিব লগা হৈছে। এই ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা ললে ভাল হয়। তেওঁক একেদিনাই কৰিব কোৱা নাই। কিন্তু আজি নহ'লেও পাঁচ বছৰৰ পিছতো অৱস্থাৰ কিছু উন্নতি হব। মই স্বাস্থ্য মন্ত্ৰী তথা বিভাগক এই অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই এটা কথা কব বিচাৰিছো ডিব্ৰুগড় মেডিকেল কলেজৰ সম্পৰ্কত। ২০০৩ চনৰ ৮ আগষ্টত আমাৰ এই পবিত্ৰ সদনতে তেতিয়াৰ স্বাস্থ্য মন্ত্ৰী আছিল ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়া। মেডিকেল কলেজৰ মাটিত বেদখল কৰাৰ সম্পৰ্কত আন্দোলন চলি আছিল। তাৰ মুঠ মাটিকালি আছিল ৪৭৯ বিঘা ১১ লেচা। ৮ বিঘা ২ লেচা মাটিত বেদখল চলাইছিল। জালান গোষ্ঠীয়ে তাত বেদখল চলাইছিল বুলি ৰাইজে কৈছে। প্ৰকৃততে এই বেদখল উচ্ছেদ হ'লনে নাই তাক কিন্তু আজিও গম নাপালো। মই

স্বাস্থ্য মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাব খোজো যে তেখেতে যাতে উপযুক্ত ব্যৱস্থা গ্রহণ কৰি আমাৰ ডিব্রুগড় মেডিকেল কলেজ হস্পিতালক এখন উন্নত হস্পিতাল কৰি গঢ়ি তোলে আৰু এটা কথা, হস্পিতালসমূহৰ পৰিবেশ বৰ লেতেৰা-পেতেৰা। এনে পৰিবেশত ৰোগীয়ে ঔষধ খালেও ভাল নহয়। এই অৱস্থা দূৰীকৰণৰ বাবে পর্য্যায়ক্রমে ব্যৱস্থা লব লাগে। শেষত এটা কথা কৈছো, গাওঁবিলাকত পি. এইচ. চি. আৰু চি. এইচ. চি. আছে। সেইবিলাকৰ অৱস্থা একেবাৰে বেয়া। বেমাৰীৰ অনুপাতে ডাক্তৰ নাই। তাত স্বাস্থ্য কর্মীৰ অভাৱ। মই নাজিৰাত স্পষ্টভাবে দেখিছো। মই নিজে স্বাস্থ্য মন্ত্রীৰ হাতত দি গৈছো। সেই অভাৱবোৰ আজিও পূৰণ হোৱা নাই। আটাইতকৈ বেছি দূর্ভোগ ভুগিছে গাওঁৰ প্রাথমিক স্বাস্থ্য কেন্দ্র আৰু মেডিকেল চাব-চেন্টাৰবোৰে। ভাল এটা ঘৰ নাই। ডাক্তৰ, নার্চৰ বহিবলৈ ভাল ঘৰ নাই। বর্ত্তমান ৩০ হাজাৰ টকাৰ চাব গ্রেন্ট দিয়া হৈছে, কিন্তু ডি. আৰ. ডি. এৰ হাতত। আপোনালোকে জানেই ডি. আৰ. ডি. এ.ক খৰছ কৰিবলৈ দিলে কি হয়। ৩০ হাজাৰ টকাৰে মেডিকেল চাব-চেন্টাৰ ঠিক কৰিব নোৱাৰে। এইটো স্বাস্থ্য বিভাগৰ পৰা ঠিক কৰিলে ভাল হয়। স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই ৬ লাখকৈ টকা দিব বুলি কৈছিল, সেইটো দিলে ভাল হয়। মই স্বাস্থ্য বিভাগৰ ওপৰত যিখিনি বক্তব্য আগবঢ়ালো আৰু বিভিন্ন বক্তাই নিজস্ব বক্তব্য আগবঢ়ালে সেই কথাখিনিৰ ওপৰত পর্য্যায়ক্রমে ব্যৱস্থা লবলৈ স্বাস্থ্য বিভাগক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member, Shri Rameswar Teli.

★ **শ্রীৰামেশ্বৰ তেলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসা আৰু স্বাস্থ্য বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্রস্তাৱ আনিছে, তাৰ সমর্থনত মই দুটামান কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয়, যোৱা ৫ বছৰে মই এই বিধান সভাত আছিলো। ইয়াত আলোচনা-বিলোচনা হৈছে। জি. এম. চি.ৰ বিষয়ে হৈছে। এ. এম. চি.ৰ বিষয়ে আলোচনা হোৱা নাই। মই এ. এম. চি.ৰ বিষয়ত কেইটামান কথা কব খুজিছো। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে চিকিৎসাৰ ক্ষেত্রত এ. এম. চি.য়ে সেৱা আগবঢ়াইছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ ডাক্তৰজন বেৰী হোৱাইটে স্কুল হিচাবে এইখন প্রতিষ্ঠা কৰিছিল। ১৯৪৭ চনত মেডিকেল হিচাপে পৰিগণিত হয়। ইয়াৰ অৱস্থা এনেকুৱা যে পেচেন্ট লৈ গ'লে নিজেও বেমাৰী হবলগীয়া হয়। কোনোবাই যদি নিজৰ পত্নীক চিকিৎসাৰ বাবে লৈ গৈছে তেওঁ নিজেও ভর্ত্তি হবলগীয়া হয়। মই আপোনাৰ যোগেদি মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাওঁ যে তেখেতে যাতে এ. এম. চি.ৰ প্রতি গুৰুত্ব দিয়ে। ইমানদিনে আমাৰ এ. এম. চি.ক গুৰুত্ব দিয়াতকৈ জি. এম. চি.কহে গুৰুত্ব দি আহিছে বুলি পৰিলক্ষিত হৈ আহিছে। মই স্বাস্থ্য মন্ত্রী ডাঙৰীয়াক এ. এম. চি.ত কি কি মেচিন আছে বা কি কি সুবিধা আছে সেইবোৰৰ প্রতি লক্ষ্য কৰি তাৰ উন্নতি সাধন কৰিবলৈ অনুৰোধ জনাওঁ। বর্ত্তমানে খালী হৈ থকা প'ষ্টবোৰ অতি শীঘ্রে পূৰণৰ কাৰণেও মই মন্ত্রী মহোদয়ক অনুৰোধ জনাওঁ।

মাননীয় অধ্যক্ষ মহোদয়, আজি অসম মেডিকেল কলেজত এজন উপাধ্যক্ষ, এটা উপ-অধীক্ষক, ৫ টা অধ্যাপক, ১৪ জন সহযোগী অধ্যাপকৰ পদ আৰু ২১ জন সহকাৰী অধ্যাপকৰ পদকে ধৰি মুঠ ১৪৫টা পদ খালী হৈ আছে। যোৱা ১০ বছৰ ধৰি তাত এজনো

★ Speech not corrected.

শিক্ষকৰ পদ পূৰণ কৰা হোৱা নাই। শিক্ষকৰ অভাৱ হোৱা কাৰণে অসম মেডিকেল কলেজৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ গুৰুত্ব দিব বুলি আশা ৰাখিলো। তাৰ বাহিৰেও ডাঃ ৰুদ্ৰ গগৈক বেক্লে থেৰাপীৰ কাৰণে ইংলেণ্ডত বিশেষ প্ৰশিক্ষণ দি অনা হৈছিল। কিন্তু তেওঁক তাত পোষ্টিং নকৰি গুৱাহাটী মেডিকেল কলেজলৈ অনা হ'ল। তেখেতক প্ৰশিক্ষণলৈ পঠোৱা হৈছিল অসম মেডিকেল কলেজৰ কাৰণেহে। গতিকে তেখেতক সোনকালে অসম মেডিকেল কলেজলৈ বদলি কৰাৰ ব্যৱস্থা কৰক। এই ক্ষেত্ৰত বহুতো সংগঠনে ইতিমধ্যে দাবী জনাইছে।

(Mr. Speaker vacated the Chair and Madam Deputy Speaker occupied the Chair.)

উপাধ্যক্ষা মহোদয়া, মোৰ দুলীয়াজান সমষ্টিত ৩৪ খন স্বাস্থ্য উপকেন্দ্ৰ আছে। ইয়াৰে ২৯ খন স্বাস্থ্য উপ-কেন্দ্ৰই ভাড়া ঘৰৰ পৰা চলাই থকা হৈছে। এই ক্ষেত্ৰত যোৱা পাঁচ বছৰে মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছিলো যে কিছু টকা দি হ'লেও এই ভাড়া ঘৰত থকা স্বাস্থ্য কেন্দ্ৰসমূহৰ নিজাকৈ ঘৰ নিৰ্মাণৰ কাৰণে। কিন্তু আমি টকা নাপালো। গতিকে মই পুনৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই কেন্দ্ৰসমূহৰ ঘৰ নিৰ্মাণৰ কাৰণে কিছু টকা মোকলাই দিয়ে। আন এটা কথা মই উল্লেখ কৰিব খুজিছো যে দুলীয়াজান আৰু চাবুৰাৰ মাজত ৰংচঙী নামৰ এখন ঠাইত ডঃ মনমোহন সিং ডাঙৰীয়াই M.P. ফাণ্ডৰ ৩০ খন বিচনাযুক্ত এখন হস্পিতাল নিৰ্মাণ কৰিছিল। কিন্তু সেইখন এতিয়ালৈকে মুকলি কৰা হোৱা নাই। গতিকে এইখনৰ বাকী থকা যান্ত্ৰীয় কামখিনি সোনকালে

সম্পূর্ণ কৰি মুকলি কৰিবলৈ মন্ত্রী মহোদয়ক অনুৰোধ জনালো। দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেড কর্ত্তৃপক্ষই অসম চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত প্রায় ২কোটি টকা ব্যয় কৰি নির্মাণ কৰিবলগীয়া অত্যাধুনিক থ্রি টায়াৰ ভাষণ গৃহৰ নির্মাণ কার্য্য অতি শীঘ্রে আৰম্ভ কৰিবলৈ মই আজিৰ সদনত অনুৰোধ জনাইছো। দুলীয়াজান সমষ্টিত থকা ১খন কমিউনিটি হেল্‌থ চেণ্টাৰ, ১খন ৰাজ্যিক চিকিৎসালয় আৰু ১খন প্রাথমিক স্বাস্থ্য কেন্দ্রত যোৱা ৫বছৰে এটাও অনুদান পোৱা নাই। এইবাৰ এই কেন্দ্রসমূহৰ উন্নয়নৰ বাবে টকা দিবলৈ বিভাগীয় মন্ত্রী মহোদয়ক বিশেষভাবে অনুৰোধ জনাইছো।

উপাধ্যক্ষা মহোদয়া, অসমৰ বিভিন্ন ঠাইত আজি মেলেৰীয়া ভয়াবহ ৰূপ ধাৰণ কৰিছে। মোৰ সমষ্টিৰ চৰাইপুং অঞ্চল আৰু অন্যান্য চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত মেলেৰীয়া ৰোগ বিয়পি পৰা দেখা গৈছে। এই সংক্রান্তত আমি জিলা স্বাস্থ্য বিষয়াক জনাইছো যদিও বিশেষ ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। গতিকে এই ক্ষেত্রত সোনকালে ব্যৱস্থা গ্রহণ কৰিবলৈ মন্ত্রী মহোদয়ক অনুৰোধ জনালো। আজি স্বাস্থ্য বিভাগৰ বিভিন্ন খৰছ পাতিৰ কাৰণে মন্ত্রী মহোদয়ে যিখিনি টকা বিচাৰিছে সেইখিনি টকাৰ অনুমোদন দিয়াত আমাৰ কোনো আপত্তি নাই। প্রয়োজন সাপেক্ষে তাতোকৈ বেছি টকা বিচাৰিলেও আমি আপত্তি নকৰিম। গতিকে স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে এই সকলোবিলাক দিশতে মনোযোগ দিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলো।

Madam Deputy Speaker : Now, Dr. Malaya Barman.

★ ড° মলয়া বর্মন ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ স্বাস্থ্য বিভাগৰ

★ Speech not corrected.

মন্ত্রী মহোদয়ে মেডিকেল এণ্ড পাবলিক হেল্‌থ শিতানত ৯৬,৫৫৮.৫৮ লাখ টকাৰ অনুমোদনৰ বাবে প্রস্তাৱ আগবঢ়াইছে আৰু সেই প্রস্তাৱৰ পূর্ণ সমর্থন জনায় মই কব খুজিছো যে এইবাৰ আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে স্বাস্থ্য ক্ষেত্রত যথেষ্ট প্রচেষ্টা হাতত লোৱা দেখা গৈছে। আজি অসমত যিমানবিলাক পি. এইচ. চি. আছে সেইবিলাক পর্য্যায়ক্রমে ৩০খন বিচনাযুক্ত হস্পিতাললৈ উন্নত কৰাৰ কাৰণে যি প্রচেষ্টা হাতত লৈছে তাৰ কাৰণেও তেখেত প্রশংসনীয়া। আমাৰ যিখিনি ডাক্তৰ, এ.এন.এম., জি. এন. এম.ৰ অভাৱ আছে সেইখিনিও সোনকালে পূৰণ কৰাৰ কাৰণে তেখেতে ব্যৱস্থা হাতত লৈছে। এই ক্ষেত্রত তেখেতে আমাৰ প্রত্যেকগৰাকী বিধায়ককো নিজৰ নিজৰ সমষ্টিৰ পি. এইচ. চি./ চি. এইচ. চি. আদিসমূহৰ কর্ত্তৃত্ব লৈ স্বাস্থ্য মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰি যিমান টকাৰ প্রয়োজন হয় সিমান টকাৰ অনুমোদনৰ কাৰণে দিহা পৰামর্শ দিবলৈ অনুৰোধ জনায়। তেখেতে ইতিমধ্যে স্বাস্থ্য বিভাগৰ বিভিন্ন কাম-কাজৰ ক্ষেত্রত অনুমোদন জনাইছে আৰু আমাক এটা কথা কৈছে যে আমি স্বাস্থ্য বিভাগৰ বিভিন্ন কাম-কাজ সম্পর্কে যিবিলাক মিটিং আদি পাতো সেইবিলাকত একাপ চাহ খাব পৰাকৈও ব্যৱস্থা লোৱা হৈছে। এইবিলাক টকা বিভাগীয় বিষয়াসকলে কেনে ধৰণে খৰছ কৰে সেইটোও আমাক চাবলৈ কৈছে। কিন্তু আমি এটা কথা কব লাগিব যে স্বাস্থ্য মন্ত্রী মহোদয়ে আলাউদ্দিনৰ চাকিৰ দৰে একে দিনাই সকলো কাম কৰিব নোৱাৰে। সেইটো কৰিবলৈও আমি নকওঁ। আমাৰ সকলোৰে এই ক্ষেত্রত দায়িত্ব আছে। চৰকাৰে যিখিনি টকা অনুমোদন দিয়ে সেইখিনি যথাযথভাবে প্রয়োগ হৈছে নে নাই তাৰ কাৰণেহে আমি ব্যৱস্থা গ্রহণ কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্রীৰমেন কলিতা ডাঙৰীয়াই বিভিন্ন দিশত দাবী জনাইছে। সেইবোৰ অনুমোদন হব লাগে। আমাৰ অতি প্রয়োজনীয় কথা হৈছে, আমি বিশেষকৈ চাফ-চিকুণতাৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। চাফ-চিকুণতাৰ প্রতি সম্যক জ্ঞান নথকাৰ কাৰণে নানা ধৰণৰ বেমাৰত ভূগিবলগীয়া হয়। মই ভাবো আপোনালোকে একোজন প্রশাসনিক বিষয়া নিয়োগ কৰি চাব পাৰে। বহুতো লোকে ৰিক্রিয়েচনৰ সময়খিনি ব্যৱহাৰ কৰি বহুতো ৰোগ আমি নাইকীয়া কৰিব পাৰো। তাৰোপৰি ৰুৰেল এৰিয়াবিলাকত পৰিদর্শন কৰি কাম কৰা প্রভিজন আছে। মোৰ সমষ্টি বৰপেটাত জইন্ট ডাইৰেক্টৰজনে পি. এইচ. চি. আৰু চি. এইচ. চি. বিলাকত পৰিদর্শন কৰা দেখা নাযায়। যিবিলাকত কাম চলি আছে এইবোৰত বিষয়ববীয়া নাই। বিষয়ববীয়াসকলে মাজে মাজে পৰিদর্শন কৰিব লাগে। চৰকাৰে যোগান ধৰা দৰৱ-পাতিবিলাক উপযুক্ত সময়ত ৰোগীয়ে পাইছে নে নাই চাব লাগে। বহুত ক্ষেত্রত দেখা যায় য'ত খাদ্য ব্যৱস্থা আছে তাত পৰিচালনা হোৱা দেখা নাই।

মাননীয়া উপাধ্যক্ষা মহোদয়া, স্বাস্থ্য বিভাগক মই সম্পূর্ণৰূপে সমর্থন কৰিছো। মই ভাবিছো এইখিনি টকাই নহয় তিনিখন মেডিকেল কলেজৰ কাৰণে প্রস্তাৱ আছে, য'ত বহুতো টকাৰ প্রয়োজন আছে। কিছুমান ডাক্তৰখানাত ডাক্তৰ আৰু নার্চৰ অভাৱ বুলি অভিযোগ আছে। সেইবোৰ মাননীয় মন্ত্রী মহোদয়ে পূৰণ কৰাৰ ব্যৱস্থা লব বুলি আশা ৰাখি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

Madam Deputy Speaker: Now, Hon'ble Member, Shri Kamalshing Narzary.

★ শ্রীকমলসিং নাজৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে যিখিনি টকাৰ দাবী উত্থাপন কৰিছে তাত মই সমর্থন জনাইছো। মাননীয় মন্ত্রী মহোদয়ক মই এটা কথা কব বিচাৰিছো যে যোৱা ১৯ তাৰিখে বিজনীৰ পৰা মনোৰঞ্জন কৰ নামৰ এজন ৰোগীক গ্রাম্য চিকিৎসালয়ত ভর্ত্তি কৰাইছিল। সেই ৰোগীজনক চিকিৎসা কৰিবৰ বাবে বি. বৰুৱা কর্কট চিকিৎসালয়লৈ ৰেফাৰ কৰে। ৰাজজ্যোতি দাস নামৰ ডাক্তৰজনৰ এখন প্রাইভেট নার্চিং হোম আছে। ডাক্তৰজনে সেই ৰোগীজনক নার্চিং হোমলৈ লৈ আহি অপাৰেচন কৰোৱায়। অপাৰেচন কৰোৱাৰ পিচত ৰোগীজনক আই. চি. ইউত নাৰাখি জেনেৰেল বেডত ৰাখিলে। কিবা এটা কাৰণত ৰোগীজনৰ মৃত্যু হ'ল। মানুহজন হৃষ্ট-পুষ্ট আছিল। কাৰ দোষৰ কাৰণে মানুহজন মৰিবলৈ পালে এই পবিত্র সদনত মাননীয় অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, বি. বৰুৱা কেন্সাৰ হস্পিতালখনত এটা অপাৰেচন কৰিবৰ বাবে উন্নত মানৰ অহিলাপাতি থাকিব লাগে। বিচনাৰ সুবিধা থাকিব লাগে। সেই ধৰণৰ সুবিধা নাই। চিকিৎসালয়ত প্রয়োজনীয় সুবিধাখিনি ৰাখিবৰ বাবে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনালো। লগতে মই এই কথাও কব বিচাৰিছো যে আমাৰ বিজনী এখন মহকুমা। এই মহকুমাত মেলেৰীয়া বেমাৰৰ প্রাদুর্ভাৱ বাঢ়ি গৈছে। মেলেৰীয়া ৰোগীক চাবৰ বাবে মহেন্দ্র মোহন চৌধুৰী হস্পিতাল আৰু ভঙাগড়ৰ পৰা দুজন ডাক্তৰ সেই ঠাইলৈ পঠাই দি সহায় কৰাৰ কাৰণে মই মাননীয় মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। বিজনীত এখন ৩০খন বিচনাযুক্ত হস্পিতাল আছে। তাত গ্রাম

★ Speech not corrected.

স্পেচিয়েলিষ্ট, গ্রাম সেৱক দিয়া কাৰণে ব্যৱস্থা কৰে যেন। এখন মিনি পি. এইচ. চি. আছে যদিও তাত ষ্টাফ এজনো নাই। তাত ডাক্তৰ নাই, নার্চ নাই, কোনো ষ্টাফে নাই। পানবাৰীত এখন ডিচপেনচাৰী আছে। তাত চতুর্থ শ্রেণীৰ কর্ম্মচাৰী এজনে চলাই আছে। তাত ডাক্তৰ দিব পাৰিলে ভাল হয়। আমাৰ বিজনী মহকুমাক বহুত অৱহেলিত কৰি ৰাখিছে। বিভাগীয় মন্ত্রী মহোদয়ে যেন সকলোখিনি ঠিক কৰি দিয়ে। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে যিখিনি টকা বিচাৰিছে সেই প্রস্তাৱৰ প্রতি সমর্থন জনাই মোৰ বক্তব্য সামৰিছো।

ডাঃ আদিত্য লাংথাছা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, অসম চৰকাৰৰ স্বাস্থ্য বিভাগে সদনত উপস্থাপন কৰা গ্রান্টৰ কর্ত্তন প্রস্তাৱৰ সমর্থনত মই দুআষাৰ কব বিচাৰিছো। উপাধ্যক্ষা মহোদয়া, আমি দেখিবলৈ পাইছো যোৱা ২০-২৫ বছৰৰ ভিতৰত সমগ্র পৃথিৱীজুৰি চিকিৎসা বিজ্ঞানৰ এক আমূল পৰিৱর্ত্তন ঘটিছে, ইয়াৰ এক বৈপ্লৱিক উন্নতি ঘটিছে, সকলো দিশতে উদ্‌গতি হৈছে। আমাৰ দেশত ভাৰতবর্ষতো ইয়াৰ প্রভাৱ নপৰাকৈ থকা নাই, বিশেষকৈ ভাৰতবর্ষৰ উন্নত ৰাজ্যবোৰত চিকিৎসা বিজ্ঞান যথেষ্ট আগবঢ়া। কিন্তু আমাৰ ৰাজ্যত অসমত তাৰ অনুৰূপ বিকাশ আমি দেখিবলৈ পোৱা নাই, অথচ আমি দেখিছো কেৱল বিফলতা। বিশ্লেষণ কৰি চালে দেখা যায় বিশ্বৰ অন্যান্য দেশ বা ভাৰতবর্ষৰে উন্নত ৰাজ্যবোৰৰ সতে চিকিৎসা বিজ্ঞানৰ পৰিৱর্ত্তনৰ যি প্রতিযোগিতা তাত আমাৰ ৰাজ্যখনে ফেৰ মাৰিব নোৱাৰি ২০-২৫ বছৰ পিছপৰি ৰ'ল। আজি তাৰ প্রতিফলন আমি বিভিন্ন Health index যেনে MMR, IMR, Institutional delivery rate স্বাস্থ্যত GDPৰ খৰছ আদিত দেখিবলৈ পাইছো।

সেয়েহে মই কব খুজিছো স্বাস্থ্য বিভাগটো বর্ত্তমান নিজেই ৰোগাক্রান্ত, "The healing department is ailing."। এই বিধান সভাৰ প্রথম অধিবেশনত মহামহিম অসমৰ ৰাজ্যপালে তেখেতৰ অভিভাষণত সঠিকভাবে উপলব্ধি কৰিয়েই কৈছিল "There is lack of transparancy in the department."। অলপতে আমাৰ স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই অতি সৰলভাবে অকপটে স্বীকাৰ কৰি গৈছে "এই বিভাগটো ইমান বেয়া বুলি মই ভবাই নাছিলো"। আমি স্বাস্থ্যৰ ক্ষেত্রত কিয় ইমান পিছপৰি গলো। তাৰ কাৰণবোৰ বিচাৰি উলিয়াবৰ সময় কিন্তু আহি পৰিছে। আজিৰ অসমৰ স্বাস্থ্যৰ আন্তঃগাঠনি আৰু সা-সুবিধাসমূহৰ বিস্তৃতি ফহিয়াই চালে দেখা যায় গ্রাম্য অঞ্চলত বসবাস কৰা প্রায় ৮০% জনসংখ্যাৰ বিপৰীতে কেৱল ১০% বা তাতোকৈ কম স্বাস্থ্য সেৱাৰ সা-সুবিধাখিনি উপলব্ধ কৰোৱা হৈছে। স্বাস্থ্য সেৱাৰ সুবিধাখিনি চহৰকেন্দ্রিক হৈ পৰিছে। তাৰোপৰি যোৱা ২০-২৫ বছৰত স্বাস্থ্যৰ শিতানত যি পৰিমাণত পুঁজি ধার্য্য হব লাগিছিল আৰু স্বাস্থ্য ৰক্ষাৰ বাবে যি হাৰত খৰছ কৰিব লাগিছিল সেয়া কৰাত আমাৰ বিগত চৰকাৰবোৰ ব্যর্থ হৈছে। এই কথা National Rural Health Missionয়ে সুন্দৰভাবে উল্লেখ কৰিছে। অসমৰ লগতে অন্যান্য পিছপৰা ৰাজ্যসমূহত যোৱা দশকৰ স্বাস্থ্য ৰক্ষাৰ খৰছ আছিল বছেৰেকীয়া জনমুৰি আয়ৰ ০.৯% (0.9% of GDP), অসমৰ ক্ষেত্রত ই আৰু কম হব পাৰে। প্রকৃততে অসমৰ ক্ষেত্রত স্বাস্থ্য খৰছ কৰিব লাগে বছেৰেকীয়া জনমুৰি আয়ৰ ২-৩% (2-3% of GDP)। যদিও মই আজি কর্ত্তন প্রস্তাৱ সমর্থন কৰিছো কিন্তু প্রকৃততে উপলব্ধি কৰিছো, আমাৰ স্বাস্থ্যৰ

শিতানত যি ধন ধার্য্য কৰা হৈছে তাতকৈ আৰু বেছি ধৰা হওঁক।

উপাধ্যক্ষা মহোদয়া, স্বাস্থ্য বিভাগটো পিছপৰি যোৱাৰ আৰু অন্যতম কাৰণ হ'ল- আমাৰ জনসাধাৰণৰ মাজত সজাগতাৰ অভাৱ। ৰোগৰ চিকিৎসা, প্ৰতিৰোধ ব্যৱস্থা, প্ৰতিষেধক ব্যৱস্থা, স্বাস্থ্য শিক্ষা আদি সকলো ক্ষেত্ৰতে আমি ব্যাপক সজাগতাৰ সৃষ্টি কৰিব পৰা নাই। ইয়াৰ বাবে আমাৰ স্বাস্থ্য কৰ্মী সকলো সমানেই দায়ী। কাৰণ দায়িত্ব পালন কৰোতে আমাৰ স্বাস্থ্যকৰ্মী আৰু স্বাস্থ্য বিষয়াসকলৰ তৎপৰতাৰ অভাৱ দেখা যায়।

উপাধ্যক্ষা মহোদয়া, প্ৰসংগক্ৰমে উল্লেখ কৰিব বিচাৰিছো, বিশ্ব স্বাস্থ্য সংস্থাই (W.H.O.) ১৯৮১ চনতে ঘোষণা কৰিছিল "Health for all by 2000 A.D." অৰ্থাৎ "২০০০ চনলৈ সকলোৰে বাবে স্বাস্থ্য"। এই ঘোষণা পৃথিৱীৰ সকলো দেশৰ বাবে প্ৰযোজ্য হোৱাকৈ সকলোৰে বাবে সম্ভৱ হোৱাটোহে ঘোষণা কৰা হৈছিল। পৃথিৱীৰ অন্যান্য দেশবোৰে কিন্তু ইয়াক ২০০০ চনতেই সফলতাৰে সামৰিলে, কিন্তু আমাৰ দেশত তথা অসমত সকলোৰে বাবে স্বাস্থ্যৰ সলনি সকলোৰে বাবে ৰোগ যেনহে লাগিছে। আজি অসমৰ বহু গাওঁ, চৰ-চাপৰি আৰু পাহাৰ অঞ্চলত প্ৰাথমিক চিকিৎসাৰ নুন্যতম সুবিধাকেই পোৱা নাই হাজাৰ হাজাৰ জনসাধাৰণে। আজি মেলেৰীয়াত মৃত্যু হৈছে শ শ লোক। এইবাৰ মেলেৰীয়াত মৃত্যুৰ পৰিসংখ্যা অতি উদ্বেগজনক। মইকব খোজো এইবাৰৰ মেলেৰীয়া এক মহামাৰী ৰূপে নহয় এক স্বাস্থ্য দূর্য্যোগ 'Health disaster'ৰ ৰূপ লৈছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বহু ৰাজ্যত মেলেৰীয়াৰ 'Endemic Zone' আছে আৰু প্ৰত্যেক বছৰতে

এই অঞ্চলত মেলেৰীয়াত মানুহৰ মৃত্যু হয়। যোৱা ৩ বছৰত অসমৰ মেলেৰীয়াত মৃত্যুৰ সংখ্যা ২০০৪ চনত ৫৮জন, ২০০৫ চনত ১১৫ জন আৰু ২০০৬ চনৰ ২৬ জুলাইলৈকে ২৬৬ জন। সামগ্ৰিকভাবে এই পৰিসংখ্যা আৰু অধিক হব পাৰে। গতিকে মেলেৰীয়াৰ মৃত্যুৰ সংখ্যাৰ এক বৰ্দ্ধিত "Increasing trend" দেখা গৈছে অর্থাৎ প্ৰত্যেক বছৰতে মৃত্যুৰ সংখ্যা বাঢ়ি বাঢ়ি আহিছে। ইয়াৰ কাৰণবোৰ সঠিকভাবে বিশ্লেষণ কৰি চালে দেখা যায় স্বাস্থ্য বিভাগৰ প্ৰস্তুতি 'Preparedness'ৰ অভাৱেই অন্যতম কাৰণ। কেৱল মেলেৰীয়াৰ ক্ষেত্ৰত নহয় এইবাৰ এনকেফেলাইটিছে লক্ষীমপুৰ, ধেমাজী, ডিব্ৰুগড় আদি জিলাত 'ভূতৰ ওপৰত দানৰ' লেখিয়াৰ যি পৰিস্থিতিৰ সৃষ্টি কৰিছে তাতো বিভাগীয় প্ৰস্তুতিৰ অভাৱ দেখা গৈছে। মেলেৰীয়াৰ ড্ৰাগ ৰেজিষ্টেন্স (Drug resistance)ৰ কথা আমি সকলোৱেই জানো। ১৯৭৩ চনতেই ৱৰ্ল্ড হেল্থ অৰ্গেনাইজেস্যন (World Health Organisation) অসমত Drug resistance সম্পৰ্কে এক গৱেষণাভিত্তিক প্ৰতিবেদন দাখিল কৰিছিল। এই প্ৰতিবেদনত ভাৰতবৰ্ষৰ প্ৰথম Drug resistance মেলেৰীয়া কাৰ্বি আংলং জিলাৰ লুঙিত মাঞ্জা আৰু নগাওঁ জিলাৰ নখুটি-কাকী অঞ্চলৰ পৰা প্ৰেৰণ হৈছিল। তাৰ পিছত আজিলৈকে Chloroquin resistant মেলেৰীয়াৰ ওপৰত কোনো ধৰণৰ Study বা গৱেষণা কৰা নহ'ল। এতিয়া আমি সন্দেহ কৰিছো ক্লৰ'কুইনৰ দৰে কুইনাইন 'Quinine'ও ৰেজিষ্টেন্ট হৈছে, সেইবাবেই মৃত্যুৰ হাৰ দিনক দিনে বাঢ়ি গৈছে আৰু আজি এই resistant strain of Malaria অন্যান্য অঞ্চললৈ

বিয়পি পৰিছে। বিশেষ Multi-drug resistanceই হৈছে মেলেৰীয়াৰ মৃত্যুৰ প্ৰধান কাৰণ আৰু বৰ্ত্তমান আমাক ইয়াৰ বহুল Study তথা গৱেষণাৰ দৰ্কাৰ। যোৱা তিনি বছৰৰ পৰিসংখ্যাত এই Multi-drug resistance Malariaকেই প্ৰতিফলিত কৰিছে আৰু ই বৰ্ত্তমান এক চিন্তাৰ বিষয়। আমাৰ দেশত মেলেৰীয়া ভেক্টৰ (Vector) নিয়ন্ত্ৰণৰ বাবে ডি.ডি.টি. ছটিওৱাত আমি অধিক গুৰুত্ব দি আহিছো, কিন্তু বিশ্বৰ অন্যান্য ঠাইৰ লগতে ভাৰতবৰ্ষতো ডি.ডি.টি. ৰেজিষ্টেন্ট হোৱাটো পৰিলক্ষিত হৈছে। বহু সময়ত দেখা গৈছে ডি.ডি.টি. স্প্ৰেৰ দ্বাৰা মহ মাৰিব নোৱাৰে। গতিকে ডি.ডি.টি.ৰ সলনি আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰীয়ে কোৱাৰ দৰে মেলেৰীয়াৰ প্ৰাদুৰ্ভাৰ থকা অঞ্চলত মালাঠিয়ান ফগিং কৰিলে বেছি ভাল হব। ইয়াৰোপৰি আঠুৰা ব্যৱহাৰৰ ওপৰতো বিভাগে গুৰুত্ব দিছে। বহু টকা-পইচাও খৰছকৰিছে আঠুৰা কিনাত। মই ভাবো আঠুৰা প্ৰদানৰ দ্বাৰাও নিশ্চিতি প্ৰদান কৰিব নোৱাৰি। কাৰণ আমাৰ মানুহে আঠুৰাক ব্যৱহাৰ কৰে ৰাতি ৮-৯ বজাৰ পিছত শুৱাৰ সময়ত। আমাৰ ৰাইজে আবেলি বা সন্ধিয়াৰ পৰত বাহ্যিক কামত ব্যস্ত থাকে, তেতিয়াও মহৰ কামোৰ খাব পাৰে। গতিকে আঠুৰাৰ দ্বাৰা কিছু প্ৰতিৰোধ কৰিব পাৰি কিন্তু সমস্যাৰ সমাধান নহয় আৰু বিশেষ লক্ষনীয় বিষয়টো হ'ল, এই ক্ষেত্ৰতো বিভাগীয় হেমাহী আছে। আমাৰ ৰাজ্যৰ বাবে মেলেৰীয়া বহু বছৰৰ পুৰণি অভিজ্ঞতা, তথাপিও আজি পৰ্য্যন্ত স্বাস্থ্য বিভাগে এটা দক্ষ মেলেৰীয়া বিশেষজ্ঞৰ দল (Malaria team) গঠন কৰিব নোৱাৰাটো, এটা মেলেৰীয়াৰ সুদক্ষ স্বাস্থ্য কৰ্মীৰ দল গঠন কৰিব নোৱাৰাটো অতি পৰিতাপৰ বিষয়। উপাধ্যক্ষা মহোদয়া, বৰ্ত্তমানৰ

মেলেৰীয়াৰ উপৰিও এনকেফেলাইটিছ ৰোগে যি সংহাৰি ৰূপ ধাৰণ কৰিছে তাত কেৱল ভেক্চিন বা স্প্রেতে ব্যস্ত নাথাকি আধুনিক চিকিৎসাৰ বাবে লগতে এনকেফেলাইটিছ ভেক্চিনৰ প্রসাৰতা বঢ়াৰৰ বাবে পদক্ষেপ লবলৈ মই মন্ত্রী মহোদয়ক টানি অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়া, গ্রাম্য চিকিৎসাৰ ক্ষেত্রত আমাৰ যিবিলাক মিনি পি. এইচ. চি., চি. এইচ. চি., এফ. আৰ. ইউ তথা জিলা চিভিল হস্পিতাল আছে সেইবোৰ নামতহে সুন্দৰ ব্যৱস্থা, কিন্তু কার্য্য ক্ষেত্রত সম্পূর্ণ বিফল। আমি ভাবো সেইবাবেই অসমৰ চহৰে-প্রান্তৰে প্রাইভেট হস্পিতালবোৰ কাঠফুলাৰ দৰে গঢ়ি উঠিছে। আমাৰ স্বাস্থ্য সমস্যাৰ সঠিক উপলব্ধি কৰিবলৈ হ'লে গাঁৱলৈ যাবই লাগিব। আমাৰ ডাক্তৰ নার্চৰ আৰু অন্য স্বাস্থ্য কর্মীৰ অভাৱে গ্রাম্য চিকিৎসা সেৱাক জুৱলা কৰি পেলাইছে। এনেয়ে অসমত ডাক্তৰৰ সংখ্যা কম বুলি মই নাভাবো। কিন্তু চৰকাৰী নিযুক্তিৰ পিছত ডাক্তৰ আৰু নার্চসকল গাঁৱলৈ যাব নোখোজে। স্বাস্থ্য কর্মীসকলক গাঁৱলৈ কিদৰে আকৃষ্ট কৰিব পাৰি তাৰ যথেষ্ট পৰামর্শ আজি সদনত দাঙি ধৰা হৈছে। আমাৰ দেশত নেচনেল ৰুৰেল হেলথ্ মিছনৰ মতে ভৈয়াম অঞ্চল প্রতি ৮-১০ হাজাৰ জনসংখ্যাৰ বিপৰীতে এজন ডাক্তৰ আৰু পাহাৰ বা চৰ-চাপৰিত ৫ হাজাৰৰ বিপৰীতে এজন ডাক্তৰ হোৱা উচিত। আমাৰ স্বাস্থ্য মন্ত্রী ডাঙৰীয়া এই ক্ষেত্রত যথেষ্ট সজাগ। মই আশা কৰিছো তেখেতৰ কর্ম তৎপৰতাৰে এই ডাক্তৰ, নার্চৰ অভাৱৰ সমস্যাতো তেখেতে অতি শীঘ্রে সমাধান কৰিব পাৰিব।

লগতে গ্রাম্য অঞ্চলৰ যি আন্তঃগাঠনিৰ সমস্যা যেনে চিকিৎসালয় গৃহ, স্বাস্থ্য কর্মীৰ আৱাস গৃহ, বিজুলী, পানী যোগান আদিৰ সমস্যাবোৰ

দূৰ কৰিব লাগিব। তাৰোপৰি চিকিৎসাৰ সা-সৰঞ্জাম, ইকুইপমেণ্টচ্, ৰোগ নিৰ্ণায়ক যন্ত্ৰ-পাতি আদিৰ উপযুক্ত যোগান ধৰিব লাগিব। উপযুক্ত চিকিৎসাৰ বাবে উন্নত তথা গুণগত ঔষধ, চেলাইন আদিৰ ব্যৱস্থা কৰিব লাগিব।

উপাধ্যক্ষা মহোদয়া, আমাৰ গোটেই স্বাস্থ্য ব্যৱস্থাই গৱেষনামুখী নহয়। গৱেষনাই হৈছে আজিৰ স্বাস্থ্য ক্ষেত্ৰৰ উন্নতিৰ অন্যতম প্ৰাথমিক উপাদান। গতিকে বিভাগটোক গতিশীল আৰু গৱেষনামুখী কৰিব লাগিব। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা চিভিল হস্পিতাললৈকে প্ৰতিজন ডাক্তৰ-নাৰ্চ তথা স্বাস্থ্যকৰ্মীয়ে গৱেষনাৰ ক্ষেত্ৰত অৰিহনা যোগাব লাগিব। ডাক্তৰ-নাৰ্চ তথা স্বাস্থ্য কৰ্মীৰ বাবে প্ৰতি বছৰে কমেও ৩০-৫০ ঘন্টাৰ একাডেমিক প্ৰশিক্ষণ (Academic credit hours) বাধ্যতামূলক কৰিব লাগে। আমি বিচাৰো আমাৰ স্বাস্থ্য কৰ্মীসকলে পৰিৱৰ্ত্তনশীল বিজ্ঞান আৰু ৰোগৰ বাবে যাতে নিজক প্ৰস্তুত কৰিব পাৰে।

মহোদয়া, মেডিকেল কলেজ সম্পৰ্কে যথেষ্ট আলোচনা হৈছে। চিকিৎসা বিজ্ঞানৰ কনচেপ্ত (Concept)বিলাক দিনক দিনে পৰিৱৰ্ত্তন হৈ আছে, সেইদৰে যন্ত্ৰ-পাতি, সা-সঁজুলি আদিৰো পৰিৱৰ্ত্তন হৈ আছে আৰু অতিকৈ জৰুৰী স্বাস্থ্য ক্ষেত্ৰৰ অহৰহ গৱেষনা। এই সকলোবোৰ সুবিধা মেডিকেল কলেজসমূহক প্ৰদান কৰিব লাগিব আৰু তাৰ বাবে উপযুক্ত পুঁজিৰ যোগান ধৰিব লগিব। মেডিকেল কাউন্সিলৰ অনুমোদন (recognition)ত বহুত বিষয় আছে, সেইবোৰ আমি গুৰুত্ব দিব লাগিব। ইয়াত ছাত্ৰ আৰু শিক্ষকৰ অনুপাতে (ratio) স্নাতকোত্তৰ অসমৰ সংখ্যা, অধ্যাপকৰ সংখ্যা, সহকাৰী

অধ্যাপকৰ সংখ্যা তথা বিভাগীয় সা-সুবিধা, গৱেষনাগাৰৰ সুবিধা আদিয়েই প্ৰধান। এই সকলো ক্ষেত্ৰতে উপযুক্ত ব্যৱস্থা লবলৈ মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। উল্লেখ কৰিব বিচাৰো অসমত চুপাৰ স্পেচিয়েলিটি এতিয়াও তেনেই সীমিত। আমাৰ মেডিকেল কলেজসমূহত চুপাৰ স্পেচিয়েলিটি (Superspeciality)ৰ পাঠ্যক্ৰম দুই এটা আৰম্ভ কৰিব লাগে আৰু এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

উপাধ্যক্ষা মহোদয়া, প্ৰসংগক্ৰমে উল্লেখ কৰিব বিচাৰিছো যে আমাৰ মেডিকেল কলেজ তথা ৰাজ্যৰ বিভিন্ন চৰকাৰী চিকিৎসালয়বোৰৰ পৰিবেশ সম্পৰ্কে। মই নিশ্চিত, সকলোৱে একেমুখে স্বীকাৰ কৰিব যে চিকিৎসালয়বোৰত প্ৰৱেশ কৰাৰ লগে লগে এক দুৰ্গন্ধময় কদৰ্য লেতেৰা পৰিৱেশ আমাৰ চকুত পৰে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাও যে যাতে হস্পিতালৰ Hygine পৰিষ্কাৰ-পৰিচ্ছন্নতাত কোনো কম্প্ৰমাইজ নকৰে, এই দুৰ্গন্ধময় লেতেৰা পৰিৱেশৰ যাতে চিৰদিনৰ বাবে অৱসান ঘটে। উপাধ্যক্ষা মহোদয়া, এইখিনিতে মই আপোনাৰ জড়িয়তে এই পৱিত্ৰ সদনত এটা অনুৰোধ ৰাখিব বিচাৰিছো যে আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত এটা বিধায়কৰ দল অসম মেডিকেল কলেজ সমন্বিতে বিভিন্ন চৰকাৰী চিকিৎসালয়, গাওঁ আৰু পাহাৰৰ কিছু কিছু চিকিৎসালয় পৰিদৰ্শন কৰি পৰিস্থিতিৰ সঠিক বুজ লব লাগে। আজিৰ যুগ আৰু স্বাস্থ্য সমস্যাৰ লগত সামঞ্জস্য ৰাখি মই আৰু দুআষাৰ কম। আজি সংক্ৰামক ৰোগ মেলেৰীয়া , এনকেফেলাইটিছ, যক্ষ্মা আদিৰ সমস্যা আমাৰ ৰাজ্যত যথেষ্ট আছে। তাৰোপৰি কেন্সাৰ ৰোগৰ হাৰ যি হাৰে বৃদ্ধি পাইছে

এইচ. আই. ভি.ও যেনেদৰে বাঢ়িছে অতি চিন্তনীয় বিষয় হৈ পৰিছে। পৃথিৱীৰ উন্নত দেশবোৰত এইচ. আই. ভি. কমিছে। কিন্তু আমাৰ দেশত সজাগতাৰ অভাৱ আৰু সাধাৰণ স্বাস্থ্য শিক্ষাৰ অভাৱতে এই ৰোগ বৃদ্ধি পাইছে। অতি তাৎপর্য্যপূর্ণভাৱে আমাৰ দেশত ডায়বেটিছ আৰু উচ্চ ৰক্তচাপ ৰোগ ভয়ানকভাবে বৃদ্ধি পাইছে। সমগ্র বিশ্বতে ভাৰতবর্ষ ডায়বেটিছ আৰু উচ্চ ৰক্তচাপ ৰোগত প্রথম হব। এই সদনতে যদি আমি সমীক্ষা চলাওঁ প্রতি তিনিজন সদস্যৰে ডায়বেটিছ ৰোগী হোৱাটো নিশ্চিত। অর্থাৎ প্রাপ্ত তথ্যমতে আমাৰ দেশৰ এক তৃতীয়াংশ প্রাপ্তবয়স্ক লোক ডায়বেটিছৰ দ্বাৰা আক্রান্ত। সমীক্ষামতে ডায়বেটিছ আৰু উচ্চ ৰক্তচাপজনিত মৃত্যুৰ সংখ্যা মেলেৰীয়া বা এনকেফেলাইটিছৰ মৃত্যুতকৈ বহুগুণে বেছি। এই ক্ষেত্রতো স্বাস্থ্য বিভাগে গৱেষনা আদিকে কৰি বহুখিনি ব্যৱস্থা লব লগা আছে। শস্য খাদ্য, শাক-পাচলি তথা ফলমূল আদিত প্রয়োজনতকৈ অধিক ৰাসায়নিক সাৰ, কীটনাশক ঔষধ হ'ৰম'ন আদি প্রয়োগ কৰা হয়। এইবোৰেও আমাৰ জনস্বাস্থ্যৰ ক্ষতিগ্রস্ত কৰিছে।

উপাধ্যক্ষা মহোদয়া ঃ আপুনি অলপ চুটি কৰক, কাৰণ আৰু বহুকেইজন সদস্য কবলৈ বাকী আছে।

ডাঃ আদিত্য লাংথাছা ঃ উপাধ্যক্ষা মহোদয়া, মই আৰু দুটামান কথা কৈয়ে সামৰিম। যিহেতুকে সর্ব্বাত্মক উন্নয়নৰ কথাত আমি সকলোৱে গুৰুত্ব দিছো, গতিকে স্বাস্থ্য ক্ষেত্রতো সর্ব্বাত্মক উন্নতি হব লাগিব। গতিকে আমি বিচাৰো অসমৰ প্রতিখন পি. এইচ. চি.বিলাক চি. এইচ. চি. হব লাগে, চি. এইচ. চি.বোৰ এফ. আৰ. ইউ. হব লাগে আৰু এফ. আৰ. ইউ. বিলাক চিভিল হস্পিতাললৈ উন্নীত কৰিব লাগে। চিভিল

হস্পিতালবোৰক প্ৰকৃত ৰেফাৰেল চেন্টাৰ ৰূপে গঢ়িব লাগিব তথা মেডিকেল কলেজবোৰত চুপাৰস্পেচিয়েলিটিৰ পাঠ্যক্ৰম আৰম্ভ কৰিব লাগে। গুৱাহাটী মেডিকেল কলেজক সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান এইম্ছৰ দৰে গঢ়ি তুলিব লাগে। কেন্সাৰ ৰোগীৰ বৰ্দ্ধিত সংখ্যালৈ লক্ষ্য ৰাখি এখন অত্যাধুনিক কেন্সাৰ হস্পিতাল খোলাৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন কাৰণ বি. বৰুৱা কেন্সাৰ ইন্সটিটিউটে আমাৰ কেন্সাৰ ৰোগীৰ চাহিদা পূৰণ কৰিব পৰা নাই। আমাৰ সকলোৰে দৃঢ় বিশ্বাস যে এন. আৰ. এইচ. এম.ৰ যোগেদি ২০০৫ চনৰ পৰা ২০১২ চনলৈ আঁচনিবোৰ আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে সুন্দৰভাবে সফলতাৰে ৰূপায়িত কৰিব পাৰিব। স্বাস্থ্য শিক্ষাৰ ওপৰত জোৰ দি তাৰ লগতে ব্যাপক সজাগতা তৈয়াৰ কৰিব লাগিব। ভাৰতবৰ্ষৰ উন্নত ৰাজ্যবিলাকত আজি স্বাস্থ্য উদ্যোগ (Health tourism) গঢ়ি উঠিছে, অসমতো ইয়াৰ সম্ভাৱনা আছে। মেডিকেল কলেজৰো চাহিদা বাঢ়িছে। প্ৰত্যেক বছৰেই আমাৰ ৰাজ্যৰ পৰা বহু ছাত্ৰ-ছাত্ৰী ভাৰতবৰ্ষৰ অন্যান্য প্ৰাইভেট মেডিকেল কলেজলৈ পঢ়িবলৈ যায়, আনকি বিদেশলৈও যায়। গতিকে নতুন মেডিকেল কলেজ গঢ়াৰ আঁচনিক আমি আদৰণি জনাইছো কিন্তু পুৰণি কলেজকেইখনকো সমানে গুৰুত্ব দিব লাগিব।

সদৌ শেষত পুনৰ দোহাৰিছো যে আমাৰ স্বাস্থ্য ক্ষেত্ৰখন বিতৰ্কিত হৈ পৰিছে নেকি ? কাৰণ আমাৰ চৰকাৰী অনুষ্ঠানবিলাক সদায় অসফল হয় আৰু বেচৰকাৰী অনুষ্ঠানবিলাক সদায়ে সফল হয়। কিয় এনে হয়- এই গোটেই বিষয়টোৰেই এটা আলোচনাৰ বিষয়, গৱেষনাৰ বিষয়। এই দিশত বিভাগ তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

Madam Deputy Speaker : Hon'ble Member, Shri Rana Goswami.

শ্ৰীৰাণা গোস্বামী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেই দাবী মঞ্জুৰী মই সমর্থন কৰিছো আৰু বিৰোধী দলৰ ফালৰ পৰা যি কর্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কর্ত্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো। আজি বহুতো মাননীয় সদস্যই এই সদনত বহুতো পৰামর্শ আগবঢ়াইছে। এই সদনত মাননীয় বিৰোধী সদস্যসকলে সদায় কেৱল পৰামর্শ আগবঢ়াই আছে। কিন্তু ২০০১ চনত যেতিয়া মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈছিল তাৰ আগলৈকে অসমৰ স্বাস্থ্য বিভাগত ৰোগীৰ চিকিৎসা কৰা বা ৰোগীয়ে অস্ত্ৰোপ্ৰচাৰ কৰাটো বাদেই দিয়ক। ২০০১ চনৰ আগলৈকে গোটেই স্বাস্থ্য বিভাগটোৱেই চেলাইন লৈ জীয়াই থাকিবলগীয়া হৈছিল। আগৰ চৰকাৰে সেই ক্ষেত্ৰত কোনো ধৰণৰ পৰামর্শ আগবঢ়োৱা নাছিল। স্বাস্থ্য বিভাগৰ সম্পর্কত মই মেডিকেল কলেজ কেইখনৰ কথা নকওঁৱেই জিলাৰ যিবিলাক চিভিল হস্পিতাল আছে সেই হস্পিতালবিলাকত চিকিৎসা কৰাৰ কাৰণে একো বস্তুৱেই নাছিল। তাত প্ৰয়োজনীয় সকলো বস্তুৰে অভাৱ আছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছৰপৰাই অসমৰ জনসাধাৰণে স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত উন্নতি সাধন কৰাতো দেখিবলৈ পাইছো। ২০০১ চনত চৰকাৰ গঠন হোৱাৰ পিচতেই মেডিকেল কলেজ কেইখনক অর্থ সাহায্য দি উন্নত পর্য্যায়লৈকে নিয়াৰ উপৰিও জিলা ভিত্তিত থকা অসামৰিক চিকিৎসালয় কেইখনো উন্নতি কৰাৰ কাৰণে অন্ততঃ গাঠনিৰ ধনৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ

মাননীয় সদস্যসকলে ডাক্তৰ, নার্চ, চাফাই কর্মীৰ অভাৱৰ কথা উল্লেখ কৰিছে। এইটো কিয় হবলৈ পালে ? সেই সময়ত অসম গণ পৰিষদ চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ কাৰণে ডাক্তৰ, নার্চ আদিৰ অভাৱ হৈছে। যদি সেই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ নকৰিলেহেঁতেন তেতিয়াহ'লে ডাক্তৰ, নার্চ আদিৰ অভাৱ নহ'লহেঁতেন। অসম লোক সেৱা আয়োগে আজিলৈকে ডাক্তৰ লিষ্ট চিলেক্ট নকৰাৰ কাৰণে আমাৰ মাননীয় স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই থ্রি এফত ডাক্তৰ নিযুক্তি দি ব্যৱস্থা কৰিছে। তেখেতে স্বাস্থ্য বিভাগটো উন্নত কৰি তুলিবৰ কাৰণে চেষ্টা কৰিছে। আমাৰ আজি হস্পিতালবিলাকত ৫ গৰাকী ৰোগীৰ বিপৰীতে এগৰাকী নার্চৰ আৱশ্যক হয়। বুজাবুজি চুক্তিৰ কাৰণে বহুতো নার্চ পদ খালী হৈ আছে। কিন্তু আজি এ. এন. এম. আৰু জি. এন. এম. পদবিলাক ফিল আপ কৰি চহৰ অঞ্চলৰ চিকিৎসালয়ৰ উপৰিও গাওঁ অঞ্চলৰ চিকিৎসালয় বিলাকত চিকিৎসা সেৱা উন্নত কৰি তোলাৰ কাৰণে চেষ্টা কৰিছে। আজি আমি গাওঁৰ ভিতৰুৱা অঞ্চলৰ কথাবিলাকো চাব লাগিব। বিধায়ক তথা ৰাইজৰ প্রতিনিধি হিচাবে আমাৰো সেই ক্ষেত্রত দায়িত্ব আছে। স্বাস্থ্যৰ ক্ষেত্রত আমি ভিতৰুৱা অঞ্চলবিলাকত সজাগতা আনিব লাগিব। যিবিলাক অঞ্চলত নিৰক্ষৰ লোক আছে, যিবিলাক অঞ্চলত মধ্যবিত্ত লোক আছে, যিবিলাক অঞ্চলত চাহ বাগিছাৰ লোক আছে সেই ভিতৰুৱা অঞ্চল বিলাকত বিশুদ্ধ খোৱা পানীৰ অভাৱ আছে। বিশুদ্ধ খোৱা পানীৰ কাৰণে বেচি পইচা খৰছ কৰিব নালাগে। মাত্র তিনিটা পাত্রত বালি, এঙাৰ আদি দি ফিলটাৰ কৰি খোৱা পানী বিশুদ্ধ কৰিব পাৰি। বিশুদ্ধ খোৱা পানী নোখোৱাৰ কাৰণে পেটৰ অসুখকে ধৰি মানুহৰ

বহুত বেমাৰ হয়। মানুহে যদি বিশুদ্ধ খোৱা পানী খায় তেতিয়াহ'লে বহুত বেমাৰৰ পৰা হাত সাৰিব পাৰে। গতিকে আমি ৰাইজৰ মাজত বিশুদ্ধ খোৱা পানী খোৱাৰ কাৰণে সজাগতা আনিব লাগিব। এনেকুৱা ধৰণৰ সজাগতা অনাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ ফালৰ পৰা আগতে কোনো ধৰণৰ ব্যৱস্থা কৰা হোৱা নাছিল। আগতে মেডিকেল কলেজ হস্পিতাল কেইখনত ৰোগী শুবলৈ বিচনা নাছিল। এতিয়া আমাৰ চৰকাৰে অহা বছৰ এই মেডিকেল কলেজ কেইখনৰ ডেভেলপমেন্টৰ কাৰণে ১০০ কোটি টকা খৰছ কৰাৰ কথা চিন্তা কৰিছে। আমাৰ স্বাস্থ্য বিভাগটো জনসাধাৰণৰ কাৰণে এটা গুৰুত্বপূৰ্ণ বিভাগ। কিন্তু যিবিলাক নার্চিং হোম আছে সেই নার্চিং হোমসমূহলৈ ৰোগীসকল ঢাপলি মেলে। ৰোগীসকলে প্ৰাইভেট হস্পিতালত চিকিৎসা কৰিবলৈ ভাল পায় আৰু চৰকাৰী চিকিৎসালয়ত চিকিৎসা কৰিবলৈ বেয়া পায়। চৰকাৰী চিকিৎসালয়ত ৰোগীয়ে ভাত খাই কাহীৰ পানীখিনি বিচনাৰ তললৈ দলিয়াই দিয়ে। থু, খেকাৰ আদি হস্পিতালৰ ভিতৰতেই পেলায়। কিন্তু প্ৰাইভেট নার্চিং হোমত ৰোগীয়ে সেইবিলাক কাম নকৰে। তামোল খালেও তামোলৰ পিকখিনি বাহিৰত পেলাইহে হস্পিতালৰ ভিতৰত প্ৰৱেশ কৰে। ৰোগীবিলাকে ভাবে এইখন চৰকাৰী হস্পিতাল, গতিকে এই হস্পিতাল চাফা কৰি ৰাখিব নেলাগে। গতিকে আমি এই কথাবিলাকৰ কাৰণে ৰাইজৰ মাজত সজাগতা আনিব লাগে। সেই কাৰণে স্বাস্থ্য বিভাগটোত ৰাইজৰ মাজত বহুখিনি সজাগতা আনিবলগীয়া আছে। নেচনেল ৰুৰেল হেলথ্ মিচনৰ ফালৰ পৰা আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে পি. এইচ. চি. আৰু চি. এইচ. চি. বিলাকৰ কাৰণে বিল্ডিং গ্ৰান্ট দিয়াৰ ব্যৱস্থা কৰিছে। আমি আশা কৰিছো অহা ৫বছৰত

আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ জড়িয়তে স্বাস্থ্য বিভাগটো এটা নতুন দিশত গতি কৰিব। আমাৰ মাননীয় সদস্যসকলে যিবিলাক কথা কৈছে তাৰ ওপৰত মই সজাগতা অনাৰ কথাটো কব বিচাৰিছো। আমাৰ মাননীয় সদস্যসকলে কৈছিল যে অসমত ৪২ লাখ চিগাৰেট খোৱা হয়। আমাৰ অসমখন চিগাৰেট নোখোৱা ৰাজ্য কৰিব নোৱাৰি নেকি? চিগাৰেটৰ পেকেটৰ ওপৰত লিখা থাকে চিগাৰেট খোৱাতো স্বাস্থ্যৰ কাৰণে ক্ষতিকাৰক। লিখা থকা স্বত্বেও কিন্তু মানুহে চিগাৰেট খাইয়েই আছে। মাননীয় উপাধ্যক্ষা মহোদয়াই উপদেশতকৈ আৰ্হি ভাল বুলি কৈছিল। এইটো সকলোৱে জানে আৰু আমি সেইমতে চালিব লাগিব। আমি জানো যে আমাৰ অসমৰ বাহিৰৰ চিকিৎসালয়বিলাকত থকা ডাক্তৰ সকলৰ ব্যৱহাৰ ভাল। কিন্তু আমাৰ অসমৰ চিকিৎসালয়সমূহত থকা ডাক্তৰসকলৰ কিছুমানৰ বাহিৰে বেচিভাগৰেই ব্যৱহাৰ পাতি বেয়া। আমাৰ কিছুমান ডাক্তৰে চিগাৰেট খাই বা হাতত চিগাৰেট লৈ ৰোগীক চিকিৎসা কৰা দেখা যায়। এই ক্ষেত্ৰত মই মাননীয় স্বাস্থ্য মন্ত্ৰীক এটা পৰামৰ্শ দিব বিচাৰিছো যে অন্ততঃ চিকিৎসালয়বিলাকৰ ভিতৰত চিগাৰেট আৰু মদ খোৱাটো নিষিদ্ধ ঘোষণা কৰিব লাগে। আমাৰ ডাক্তৰসকলে যিসকল বয়সিয়াল মানুহ চিকিৎসা কৰিবলৈ যায় তেওঁলোকক শ্ৰদ্ধা কৰিব নাজানে। অসমৰ নিচিনা শ্ৰদ্ধাশীল ৰাজ্য এখনত এইটো বৰ দূৰ্ভাগ্যজনক কথা বুলি অভিহিত কৰিছো। আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে অহা ৫বছৰৰ ভিতৰত চিকিৎসালয় বিলাকৰ উন্নতি সাধন কৰিবলৈ যেনেদৰে চেষ্টা কৰিছে ঠিক তেনেদৰে সমগ্ৰ স্বাস্থ্য বিভাগটোৰে উন্নতি সাধন কৰিব বুলি আমি আশা ৰাখিছো।

মাননীয়া উপাধ্যক্ষা মহাশয়া, আজি সদনত কাট মোচনৰ ওপৰত আমাৰ মাননীয় সদস্য কেবাজনেও বক্তব্য আগবঢ়ালে আৰু আজি মই

মাননীয় স্বাস্থ্য মন্ত্রী মহাশয়ক ধন্যবাদ দিব বিচাৰিছো যে মাননীয় তৰুণ গগৈদেৱৰ মুখ্যমন্ত্রী হোৱাৰ পিছত স্বাস্থ্য বিভাগটোৱে এটা গতিশীলতা আনিবলৈ সক্ষম হৈছে। ইয়াৰ আগতে ২০০১ চনৰ আগলৈকে যেতিয়া আগৰ চৰকাৰ আছিল তেতিয়া স্বাস্থ্য বিভাগটো ভাঙি থান থান বান বান হৈ গৈছিল। আনকি হস্পিতালবোৰত এখন উকা কাগজো পোৱাৰ পৰা ৰাইজে বঞ্চিত হৈছিল। আজি সেইটো দূৰৈৰ কথা যে তিনিওখন মেডিকেল কলেজ থাকোতে আৰু তিনিখন মেডিকেল কলেজ স্থাপন কৰিবলৈ বিচৰা হৈছে। এইটোৱে আমাক কি বুজাইছে? সেইটো নিশ্চয় অসমৰ জনসাধাৰণক আৰু নকৈ বুজাব নালাগে। উপাধ্যক্ষা মহাশয়া, যুৱমন্ত্রী তথা উদ্যোগী মন্ত্রী মাননীয় হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বত আজি স্বাস্থ্য বিভাগটোৱে এটা গতিশীলতা আনিবলৈ সক্ষম হৈছে। ইয়াৰ আগতে মাননীয় স্বাস্থ্য মন্ত্রী ডাঃ ভূমিধৰ বর্মন ডাঙৰীয়াইও বহু আঁচনি লৈছিল আৰু তাক কার্য্যকৰী কৰাৰ কাৰণেও পদক্ষেপ লোৱাটো আমি দেখিছিলো। আজি আমাৰ ৰোগীয়ে বোম্বেলৈকে গৈছে চিকিৎসা কৰাৰ কাৰণে। বোম্বেত মাননীয় মুখ্যমন্ত্রীৰ কৃপাত আসাম হাউচ স্থাপিত হৈছে যাৰ কাৰণে অসমৰ হাজাৰ হাজাৰ ৰোগীয়ে আজি কোনো কষ্ট নকৰাকৈ বিনা দ্বিধাই চিকিৎসা কৰিবলৈ পাইছে। আজি মই এই পবিত্র সদনত এটা কথা কবলৈ বিচাৰিছো যে মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ে চেন্নাইতো এটা অসম ভৱন নির্মাণৰ কাম হাতত লব আৰু তাৰ দ্বাৰা অসমৰ ৰোগীসকলে যথেষ্ট সকাহ পাব। মাননীয়া উপাধ্যক্ষা মহাশয়া, মই আজি স্বাস্থ্য বিভাগটোৰ ওপৰত কিছু কথা কম বুলি ভাবিছো যে এই বিভাগটোৱে আমাৰ প্রত্যেকজন মানুহৰ চিকিৎসাৰ ক্ষেত্রত এক প্রয়োজনীয় অভাৱ দূৰ হব বুলি আশা কৰিছো।

আজি অসমৰ চুকে-কোণে থকা চিকিৎসালয়বিলাকত যি হাৰত উন্নতি হোৱাটো পৰিলক্ষিত হৈছে যিটো হাৰত গাঁৱলৈকে চিকিৎসক যাবলৈ লৈছে তাৰ দ্বাৰা আজি কি বুজাইছে? আমাৰ ৰাইজে আজি মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈদেৱৰ প্রতি আস্থা প্রকাশ কৰিছে। ৰাইজে আজি কংগ্রেছৰ শাসন বিচাৰিছে। কংগ্রেছেহে অসমক এখন সুস্থিৰ আৰু জনপ্রিয় চৰকাৰ দিব পাৰিব বুলি আশা কৰিছে আৰু তাৰ প্রতিফলন ঘটিছে। উপাধ্যক্ষা মহাশয়া, বিষয়টো আমাৰ কাৰণে অতি গুৰুত্বপূর্ণ। আজি তিনিওখন মহাবিদ্যালয়ৰ কাৰণে এক কোটিকৈ টকা ধার্য্য কৰা হৈছে। এইটো এটা কিমান ভাল কথা হৈছে। উন্নত মানৰ যন্ত্র-পাতি আনিবলৈ সক্ষম হোৱা দেখা গৈছে। আজি অসমৰ জনসাধাৰণে উন্নত মানৰ চিকিৎসা সেৱা পাইছে। এইটো কাৰ দ্বাৰা সম্ভৱ হৈছে। এইটো মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈদেৱৰ দ্বাৰা সম্ভৱ হৈছে। উপাধ্যক্ষা মহাশয়া, আজি নগাওঁ চিভিল হস্পিতালখনত এটা সুন্দৰ সর্বাংগসুন্দৰ পৰিবেশ বিৰাজ কৰিছে। ৰাইজে আজি নগাওঁ অসামৰিক চিকিৎসালয়লৈ গৈ এটা চিকিৎসাৰ পৰিবেশ পাইছে। ঠিক তেনেকৈ যোৰহাট চিভিল হস্পিতালতো আজি এটা পৰিবেশ বিৰাজ কৰিছে। আজি যোৰহাট হস্পিতালৰ সাধাৰণ ৫টকা যি চৰকাৰীভাবে লোৱা হয় তাৰ দ্বাৰা ১৬ লাখ টকা উপার্জন কৰি দুই লাখ টকা বেংকত জমা থৈছে। আজি কিছুদিন আগতে আমি এখন এম্বুলেন্স কিনিছো যাৰ দ্বাৰা ৰাইজে উপকৃত হৈছে। আজি আমি এইটো কিহৰ কাৰণে কৰিব পাৰিছো? আমাৰ চিকিৎসালয়বিলাকৰ উন্নতি হৈছে। জনসাধাৰণে এটা ভাল সেৱা পাইছে। যাৰ কাৰণে বিভাগীয় মন্ত্রী আজি ৰাইজৰ প্রশংসাৰ পাত্র হৈছে। আজি বিৰোধী দলে সমালোচনা কৰিবলগীয়া

প্রায় নোহোৱা হৈছে। তেওঁলোকে আজি ম্ৰিয়মান হৈ বহি থাকিবলগীয়া হৈছে। উপাধ্যক্ষা মহাশয়া, আজি কিছুদিন আগতে মোৰ মাক যোৰহাটৰ এখন নার্চিং হোমত ভর্ত্তি কৰিবলগীয়া হৈছিল আৰু তাত সকলোবিলাক হৈ যোৱাৰ পাছত মা ভাল পোৱাৰ পিছত অর্থাৎ ৰিলিজ লোৱাৰ সময়ত হঠাতে মোৰ ভায়ে খবৰ দিলে দাদা মাক পুনৰ অক্সিজেন দিব বিচৰা হৈছে। মই দৌৰাদৌৰিকৈ নার্চিং হোমলৈ আহিলো আৰু আহি দেখিলো মাক অক্সিজেন দিব ওলাইছে। তেতিয়া ডাক্তৰে ক'লে যে আপুনি অ'. এন. জি. চি.ত কাম নকৰে নেকি? তেতিয়া মই কলো মই নকৰো। আমি ভাবিছিলো যে আপুনি অ'. এন. জি. চি.ত কাম কৰে।

মাননীয়া উপাধ্যক্ষা মহাশয়া, মই মাননীয় মন্ত্রীক আজি এটা কথা কব বিচাৰিছো যে আজি যিবিলাক নার্চিং হোম আছে সেইবিলাক পৰীক্ষা-নিৰীক্ষা কৰিব লাগে আৰু সেইবিলাকৰ অনুজ্ঞাপত্র ঠিকে ঠাকে আছেনে নাই চাব লাগে। আজি কিছুদিন আগতে যোৰহাটৰ এখন নার্চিং হোমত এজন ল'ৰা পৰীক্ষা কৰি থাকোতে মৃত্যু মুখত পৰিছিল যাৰ কাৰণে লেব'ৰেটৰীৰ অনুজ্ঞা পত্র আছেনে নাই চাব লাগে। আজি স্বাস্থ্য বিভাগটোৰ যি উন্নতি হৈছে উদ্যোগী মন্ত্রীৰ বাবে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো আৰু এটা কথা কব বিচাৰিছো যে মই যেতিয়া বিধায়ক হোৱা নাছিলো সেই সময়ৰ সংবাদ পত্রত এটা কথা ওলাইছিল যে অসমত আৰু তিনিখন মেডিকেল কলেজ হব। মই শুনি বিৰাট ভাল পাইছিলো আৰু সেই সময়ৰ যোৰহাটৰ বিধায়কজনে কৈছিল যে থকা তিনিওখনে ভাল কৰিব পৰা নাই আৰু তিনিখন নতুনকৈ মেডিকেল কলেজ খুলিব বিচাৰিছে, মই শুনি বৰ দুখ

পাইছো। এইটো কিয় আৰু তিনিখন মেডিকেল কলেজ হোৱাত কি আপত্তি থাকিব পাৰে? উপাধ্যক্ষা মহাশয়া, মই আজি কাট মোচনটো বিৰোধীতা আৰু দাবী মঞ্জুৰী সমর্থন জনাই মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

★ শ্রীমহিবুল হক ঃ মাননীয়া উপাধ্যক্ষা মহাশয়া, মই কাট মোচনটো সমর্থন জনাইছো আৰু মাননীয় স্বাস্থ্য মন্ত্রী মহাশয়ক ধন্যবাদ জনাইছো আৰু কব বিচাৰিছো যে কাট মোচনৰ লগে লগে ঠেংক মোচনো লব লাগে। বিষয়টো বৰ গুৰুত্বপূর্ণ। আজি বিৰোধী দলৰ সদস্যসকলে আমাৰ কাট মোচনক সমর্থন জনাব নে নাই সেইটো মই নাজানো। তেওঁলোকে আমাৰ ভাল দেখিব নোৱাৰে। কিন্তু এইটো ঠিক যে ভাল কামৰ এটা প্রশংসা আছে আৰু আমি প্রশংসা কৰিবলৈ পাই ধন্যবাদ জনাইছো। বিৰোধীয়ে ধন্যবাদ গ্রহণ নকৰিবও পাৰে। এইটো ঠিক যে উপাধ্যক্ষা মহাশয়াক আজি যদি আমি ভাল প্রশংসা কৰো তেনেহ'লে তেওঁ এটা স্পীড পাব। এইটো হৈছে এটা প্রশংসা। ঠিক তেনেদৰে স্বাস্থ্য বিভাগৰ মন্ত্রীক আমি ধন্যবাদ আৰু প্রশংসা কৰিব লাগে এইকাৰণেই যে তেওঁ এটা স্পীড পাব। ভাল কামৰ কাৰণে ধন্যবাদ দিয়াত কি আপত্তি থাকিব পাৰে। মাননীয়া উপাধ্যক্ষা মহাশয়া, আজি স্বাস্থ্য বিভাগটোৰ ওপৰত ৰাইজৰ আস্থা বাঢ়িছে। মাননীয় মন্ত্রীয়ে আজি গোটেই ৰাজ্যখনৰ স্বাস্থ্য বিভাগটোৰ এটা পৰিৱর্ত্তন আনিব বিচাৰিছে। এইটো আমাৰ ৰাজ্যখনৰ কাৰণে অতি ভাল কাম হৈছে। আজি গ্রাম্যাঞ্চলৰ স্বাস্থ্যৰ কাৰণে গুৰুত্ব দিয়াটো আমাৰ চকুত পৰিছে। এইটোৱে কি বুজাইছে? আজি গ্রাম্যাঞ্চললৈ চিকিৎসক যোৱাৰ বাবে তেখেতে ব্যৱস্থা গ্রহণ কৰিছে। তিনিওখন চিকিৎসালয়ৰ

★ Speech not corrected.

কাৰণে নতুন নতুন মেচিন ক্ৰয় কৰিবলৈ লৈছে যাৰ ফলত আমাৰ ৰোগীয়ে আজি বাহিৰলৈ গৈ চিকিৎসা কৰিব নগ'লেও চলিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱৰ সবল নেতৃত্বত আজি ৰাজ্যখনৰ জনসাধাৰণে স্বাস্থ্যৰ লগতে অন্যান্য বিভাগতো ভাল প্ৰদক্ষেপ হাতত লোৱাটো ৰাইজে দেখিছে। ৰাজ্যখনৰ আইন-শৃংখলা অটুট ৰাখিছে। সকলো ফালৰ পৰাই আজি আমাৰ ৰাজ্যখনে উন্নয়নৰ পথ প্ৰশস্ত কৰিছে। আজি প্ৰত্যেকখন চিকিৎসালয়ৰ পুনৰ নিৰ্মাণৰ বাবদ ১ কোটি টকাকৈ ধাৰ্য্য কৰিছে। আগৰ কোনো চৰকাৰৰ দিনত আমি এইটো দেখা পৰিলক্ষিত হোৱা নাই। আজি অসমত কংগ্ৰেছ চৰকাৰৰ কাৰণেহে যে এইবিলাক উন্নয়ন সম্ভৱ হৈছে সেইটো নিশ্চয় আমি আৰু কাকো বুজাই কব নালাগিব। আজি অসমৰ জনসাধাৰণে প্ৰকাৰন্তৰে স্বীকাৰ কৰিছে যে অসমত কংগ্ৰেছ চৰকাৰেহে ৰাইজৰ শান্তি-শংখলা অটুট ৰখাৰ দায়িত্ব লব পাৰে।

উপাধ্যক্ষা মহোদয়া, মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব লোৱাৰ লগে লগে এটা আলোড়নৰ সৃষ্টি হৈছিল যে হস্পিতালবিলাক ভাল হব। তেখেতে স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছতে বিভিন্ন হস্পিতাল ভিজিট কৰিছে। সৌ সিদিনা মৰিগাওঁ জিলাত হস্পিতাল ভিজিট কৰিছে, তেখেতে ভিজিট কৰাৰ পিছত তাত আমূল পৰিৱৰ্ত্তন আহিছে। তেখেতে মন্ত্ৰী হোৱাৰ দুই চাৰিদিন পিছতে ক'ত কি আঁচনি আছে, তাত কিমান টকা দিয়া হৈছে, ভৱিষ্যতে কি কি কাম হাতত লোৱা হৈছে এই সকলো কথা বিভাগীয়ভাবে জানি লৈ প্ৰতিজন মাননীয় বিধায়কসকলৰ ওচৰত দাখিল কৰিছে। তেখেত মন্ত্ৰী হোৱাৰ পিছৰপৰাই চাব-চেণ্টাৰসমূহত পইচা দি আছে, প্ৰসুতি

বিভাগত পইচা দি আছে, পি. এইচ. চি., চি. এইচ. চি., এফ. আৰ. ইউ. আদি সকলোতে টকা দি আছে। চি. এইচ. চি.বিলাক এফ. আৰ. ইউ.লৈ উন্নতি কৰিছে। ধুবুৰী জিলাৰ হেড কোৱার্টাৰত ৬৯খন চি. এইচ. চি., এফ. আৰ. ইউ.লৈ উন্নতি কৰাৰ ব্যৱস্থা লৈছে। আমাৰ জিলাৰ চাপৰত ৪০ লাখ টকা দিয়াৰ বাবে ধন্যবাদ জনাইছো। গৌৰীপুৰৰ চি. এইচ. চি.ক আপ গ্রেড কৰাৰ ঘোষণা কৰাৰ বাবে ধন্যবাদ জনাইছো। তাত এক লাখ চাৰি হেজাৰ নৰ্বে টকা দিয়াৰ বাবে মই মন্ত্রী ডাঙৰীয়াক ধন্যবাদ জনাইছো। স্বাস্থ্য বিভাগক উন্নত কৰাৰ কাৰণে যথেষ্ট পদক্ষেপ গ্রহণ কৰিছে। চাব চেন্টাৰত নার্চ, ডাক্তৰ দিয়াৰ বাবে মন্ত্রী ডাঙৰীয়াই যিখিনি ব্যৱস্থা হাতত লৈছে মাননীয় বিৰোধী পক্ষৰ বিধায়কসকলে জনাটো উচিত হব।

উপাধ্যক্ষা মহোদয়া, ১৯৯৮ চনৰ পৰা নিযুক্তি বন্ধ হৈ আছিল। তেতিয়া স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই ২০০জন ডাক্তৰক নিযুক্তি দিছে। ইয়াৰোপৰি এ. এন. এম., জি. এন. এম. নিযুক্তি দিয়াৰ ব্যৱস্থা হাতত লৈছে। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ পৰামর্শমতে স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই স্বাস্থ্য বিভাগত যিখিনি আঁচনি হাতত লৈছে তাৰ দ্বাৰা স্বাস্থ্য বিভাগত আমি অসমৰ চুকে-কোণে পৰিৱর্ত্তন অহাটো দেখিবলৈ পাম। ইয়াৰ দ্বাৰা গাওঁৰ দুখীয়া নিচলাসকল উপকৃত হব। এম. এল. এ., এৰিয়া ফাণ্ডৰ টকা বৃদ্ধি কৰাৰ ক্ষেত্রত মই আগতেও কৈছিলো আৰু আজিও কম, এইটো বঢ়াব লাগে। গাওঁৰ সাধাৰণ ৰাইজে কেতিয়াবা বিধায়কৰ সহায় বিচাৰি আহে। গতিকে এই ফাণ্ডৰ ওপৰত এনে ব্যৱস্থা লব পাৰে নেকি যে বিধায়কসকলৰ জড়িয়তে গাওঁৰ দুখীয়া মানুহক চিকিৎসা দি সহায় কৰিব পাৰি। যদি এইটো কৰা হয় তেওঁলোক

উপকৃত হব। আজি এই সদনত কেন্সাৰ, টি.বি. আদি বিভিন্ন ৰোগৰ কথা ওলাইছে। এই বেমাৰৰ কথা সকলোৱে জানে। কিন্তু মেলেৰীয়া মহে কামুৰিলে মানুহৰ মৃত্যু হয়। এনেকৈ ধুবুৰী জিলাত বহুতৰ মৃত্যু হৈছে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যাতে আমাৰ অসমত মেলেৰীয়াত কোনো মানুহৰ মৃত্যু নহয়। এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা লব লাগে। ধুবুৰী চিভিল হস্পিতালৰ বাৰাণ্ডাতে ৰোগী শুই থাকে। তাত এক কোটি টকা পাইছে। ২১ দিনৰ ভিতৰত দিয়াৰ দায়িত্ব লৈছে। এনেকুৱা ঘটনা হৈছে যে কেইদিনমান আগতে পুখুৰীত গা ধুইছিল, কিন্তু গা ধোৱাৰ পিছতে তেওঁলোকৰ বেমাৰ হ'ল, এজনৰ মৃত্যু হ'ল আৰু আনজন হস্পিতাললৈ গৈ কোনোমতে প্ৰাণ ৰক্ষা কৰিলে। ধুবুৰী চিভিল হস্পিতালত যি পৰিমাণৰ ডাক্তৰ লাগে সেইমতে নাই। ভাৰত বাংলাদেশ সীমান্তৰ হস্পিতালসমূহত ডাক্তৰ থাকে যদিও ঔষধ নাই। এই হস্পিতালসমূহ উন্নীত কৰিব লাগে। তাত দুই তিনিটা নদী পাৰ হৈ যাব লাগে, আইলেণ্ডৰ নিচিনা। গতিকে তাৰ ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো। স্বাস্থ্য বিভাগটো উন্নীত কৰাৰ বাবে বাজেটত টকা দিয়া হৈছে, সেই টকাৰ যাতে সং ব্যৱহাৰ হয় তাৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীৰাজু চাহু ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, কৰ্ত্তন প্ৰস্তাৱৰ বিৰুদ্ধে ইতিমধ্যে মাননীয় সদস্যসকলে বক্তব্য ৰাখিছে, সেই কাৰণে মই একেখিনি কথাকে উত্থাপন কৰিব বিচৰা নাই, ইয়াৰ ওপৰত চমুকৈ কবলৈ বিচাৰিছো। আমি সকলোৱে জানো যে স্বাস্থ্য বিভাগটো যথেষ্টখিনি উন্নত হৈছে। আমি এই কথাও জানো যে বিগত দিনত হোৱা চৰকাৰে এই বিভাগৰ যথেষ্টখিনি কাম কৰিছে। এইবাৰ যুৱ

★ Speech not corrected.

মন্ত্রী শর্মা ডাঙৰীয়াই দুগুণ উৎসাহেৰে স্বাস্থ্য বিভাগটো আৰু উন্নত কৰিব বুলি আমি আশা কৰিব পাৰো। তেখেতে স্বাস্থ্য বিভাগটোত যিবিলাক সমস্যা আছে সেইবিলাক সমস্যা যাতে নাইকীয়া কৰিব পাৰে। যিবিলাক ভেন্সাৰ, পি. এইচ. চি., চি. এইচ. চি. আছে সেই গোটেইখিনি প্ৰভিনচিয়েলাইজেশ্বনৰ বিশেষ ব্যৱস্থা হাতত লয় তাৰ কাৰণে অনুৰোধ জনাইছো। মেডিকেল কলেজ নিৰ্মাণৰ কথাটো সিদিনা আলোচনা হৈছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মেডিকেল কলেজৰ বিষয়ে ইতিমধ্যে সদনত আলোচনা হৈছে। মই আশা ৰাখিছো মেডিকেল কলেজ নিৰ্মাণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে বা আমাৰ যি মেডিকেল কলেজ নিৰ্মাণ কৰা হয়, সেই মেডিকেল কলেজবিলাকত নিশ্চয় ডাক্তৰ হওঁক বা নাৰ্চ হওঁক আমাৰ যি চাহিদা সেই চাহিদা আমি মেডিকেল কলেজবিলাকৰ পৰা নিশ্চয় অহা দিনবিলাকত আমি পূৰণ কৰিবৰ কাৰণে সমৰ্থ হম। মই আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, পৰামৰ্শ হিচাবে আগবঢ়াব বিচাৰিছো। আমাৰ মেডিকেল কলেজবিলাকত দামী দামী মেচিন আছে। ডনাৰ এজেঞ্চিবিলাকত দামী দামী মেচিন, চিটি স্কেন, আলট্রা চৰ্নোগ্রাফি ইত্যাদিৰ কাৰণে দিয়ে। কিন্তু আমাৰ যিবিলাক নার্চিং হোম আছে, সেই বিলাকত সেই একে মেচিন থাকে। কিন্তু আমাৰ মেডিকেল কলেজৰ হস্পিতাল বিলাকৰ মেচিনবোৰ প্ৰায় বেয়া হৈ থাকে। এই কথাটো আমি লক্ষ্য কৰিছো। মেচিনবিলাক যাতে বেয়া নহয় ভালে থাকে, আমাৰ ৰাইজক যাতে সুবিধাকণ দিব পাৰো তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। এতিয়া আমি যদি কোম্পানীবিলাকক মেচিন চলাব দিওঁ, চৰকাৰে যদি

মেচিনবিলাক বহাবৰ কাৰণে কর্মচাৰী নিয়োগ কৰে আৰু তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰে তেতিয়া হ'লে হয়তো আমাৰ ৰাইজে যি সেৱা পাব লাগে সেই সেৱা নিশ্চয় পাব বুলি মই আশা কৰিলো আৰু মোৰ ফালৰ পৰা এই পৰামৰ্শ আগবঢ়ালো। মই লগতে প্ৰাইভেট নার্চিং হোমবিলাকৰ কথা কবলৈ ওলাইছো। এই নার্চিং হোমবিলাকে চৰকাৰৰ যিবিলাক নীতি-নিয়ম আছে সেইবোৰ নামানি য'তে তঁতে গঢ়ি উঠিছে। মানৰ সেৱাৰ নামত নার্চিং হোমবিলাকে যি বিল দিয়ে সেই বিল ফাইভ ষ্টাৰ হোটেলতকৈ বহু উৰ্দ্ধত। নার্চিং হোমবিলাকৰ ক্ষেত্ৰত চৰকাৰে যাতে এখন আইন বনাই দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। অসমৰ বিভিন্ন ঠাইত শিক্ষিত যুৱক-যুৱতী আছে। তেওঁলোকে চাকৰিৰ কাৰণে হাহাকাৰ কৰি আছে। তেখেতসকলৰ কিছুমানে প্ৰাইভেট নার্চিং হোমত চাকৰি কৰি আছে। কিন্তু প্ৰাইভেট নার্চিং হোমৰ স্বত্বাধিকাৰীসকলে তেখেতসকলক একেবাৰে নিম্নতম দৰমহা দিয়ে। এই নার্চিং হোমসমূহৰ ক্ষেত্ৰত চৰকাৰে যদি এখন আইন বনাই দিয়ে আৰু যাতে চৰকাৰৰ অনুমতি লৈহে কর্মচাৰীসকলৰ নিযুক্তি কৰাৰ ব্যৱস্থা কৰা হয় তেতিয়াহ'লে নিশ্চয় সমস্যা যথেষ্টখিনি নাইকীয়া হ'ব। ইয়াৰ উপৰিও আমাৰ যিবিলাক আৱৰ্জনা ওলাই ; য'তে ত'তে আৱৰ্জনাবিলাক পেলাই দিয়ে। জাবৰবিলাক যাতে নির্দ্দিষ্ট স্থানত পেলায়, তাৰ কাৰণে চৰকাৰে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, চাহ বাগানবিলাকত দেখিছো ডাক্তৰ কম থাকে। কিছুমান চাহ বাগানত দেখিছো ডাক্তৰ নাই। যিখিনি ঔষধৰ প্ৰয়োজন সেইখিনিও চাহ বাগান বিলাকত নাথাকে। কিছুমান ৰোগে চাহ বাগানবিলাকত মহামাৰীৰ ৰূপ লয়। যেনে গেষ্ট্ৰ এনটাইটিচ,

মেলেৰীয়া ইত্যাদি বিভিন্ন ৰোগ আছে। মাননীয়া স্বাস্থ্যমন্ত্রী মহোদয়ে স্বাস্থ্য বিভাগত এটা পৰিৱৰ্ত্তন আনিবলৈ প্রয়াস কৰিছে। মই আশা ৰাখিছো, এই চাহ্ বাগানসমূহত যাতে ডাক্তৰ যায়, তেওঁলোকৰ মানসিকতা যাতে পৰিৱৰ্ত্তন হয় তাৰ কাৰণে ব্যৱস্থা লবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Madam Deputy Speaker : Hon'ble Health Minister to reply.

শ্রীহিমন্ত বিশ্ব শর্মা (স্বাস্থ্য মন্ত্রী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি স্বাস্থ্য বিভাগৰ ওপৰত হোৱা কর্ত্তন প্রস্তাৱত অংশ গ্রহণ কৰি আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতা, শ্রীপ্রণৱ কলিতা, শ্রীঅনুপ কুমাৰ ফুকন, শ্রীউদ্ধৱ বর্মন, শ্রীৰমেন্দ্র নাৰায়ণ কলিতা, শ্রীৰামেশ্বৰ তেলী, শ্রীদ্রুপদ বৰগোঁহাই, ডঁ মলয়া বর্মন, শ্রীৰাণা গোস্বামী, শ্রীৰাজু চাহু আদি কৰি ভালেমান সদস্যই কর্ত্তন প্রস্তাৱৰ ওপৰত ভালেমান পৰামর্শ আগবঢ়াইছে। তাৰ কাৰণে মই পোনপ্রথমে তেখেতসকলক ধন্যবাদ জনাইছো। স্বাস্থ্য বিভাগটো গতিশীল কৰাৰ কাৰণে তেখেতসকলে যি পৰামর্শ দিছে এই সন্দর্ভত মই তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্রথমে মই এটা কথা স্পষ্ট কৰি দিব খুজিছো যে স্বাস্থ্য সদায় ৰাজনীতিৰ ওপৰত থাকিব। দিনটোৰ ২৪ ঘন্টাই আমি ৰাজনীতিৰ লগত থাকো। কিন্তু স্বাস্থ্যৰ কাৰণে ৰাজনীতিৰ ওপৰত উঠি গৈ কাম কৰাৰ প্রতিশ্রুতি মই আপোনালোকক দিছো। উপাধ্যক্ষা মহোদয়া, এইবাৰ মন্ত্রীসভা গঠন হোৱাৰ সময়ত মাননীয় মুখ্যমন্ত্রী মহোদয়ে মোক কৈছিল, স্বাস্থ্যৰ ক্ষেত্রত যোৱাবাৰ আমাৰ ডাঃ বর্মন ডাঙৰীয়াই যিখিনি চেষ্টা কৰিছিল, মই যাতে সেইটো আৰু অধিক দ্রুত কৰিব পাৰো।

তেখেতে পৰামৰ্শ দিছিল স্বাস্থ্য বিভাগটো যিমান পাৰি ৰাইজৰ সহায় হোৱাকৈ গঢ়ি তোলা আৰু তেখেতৰ পৰামৰ্শ মতেই মই আগবাঢ়ি যাবলৈ চেষ্টা কৰিছো। মই চেষ্টা কৰিম অহা পাঁচ বছৰৰ ভিতৰত ভাৰতবৰ্ষৰ প্ৰথম দহখন ৰাজ্যৰ এখন হিচাবে স্বাস্থ্যৰ ক্ষেত্ৰত অসমক যাতে আগবঢ়াই নিব পাৰো। ইয়াৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিম। ইয়াৰ বাবে আমি ৰাইজৰ সহযোগিতা বিচাৰিছো। অসমৰ স্বাস্থ্য বিভাগৰ বুনিয়াদ হ'ল Sub-Centre...। আমাৰ প্ৰতিজন বিধায়কৰে এটা দাবী আছে যে Sub-Centreবোৰ ভাল হব লাগে। অসমত ৫,১০০ টা Sub-Centre আছে। ৪,৫০০ Centre বৰ্ত্তমানে চলি আছে। ৬০০ Centreত আমাৰ নাৰ্চ নাই। তাত নাৰ্চ দিয়াৰ কাৰণে দাবী উঠিছে। কিন্তু উচ্চ ন্যায়ালয়ে বৰ্ত্তমান নিযুক্তি প্ৰক্ৰিয়া Stay হৈ আছে। যোৱা চাৰি বৰ্ছৰে আমি Stay order vacant কৰিব পৰা নাই। ৫০০ মান নাৰ্চ কৰ'বাত কৰ'বাত attached হৈ আছে। স্বাস্থ্য বিভাগলৈ আহি মই এটা কথা অনুভৱ কৰিছো যে ইয়াত শতকৰা ২০ শতাংশ মানুহে কাম নকৰাকৈ থাকে। কোনোবা বিধায়কে যদি কিবা খবৰ লবলৈ যায়, তেওঁলোকে এনেকুৱাকৈ আক্ৰমণ কৰিব যে ছাৰ ইটো নাই, ছাৰ সিটো নাই, এইটো দিয়া নাই ইত্যাদি। আপোনালোকে ভাবিবলৈ বাধ্য হব যে সঁচাকৈয়ে চৰকাৰে হয়তো একোকে দিয়া নাই। তাত কাম কৰা ANMসকলে Duty নকৰে। বহুতো অসুবিধা ভোগ কৰিও পুলিচসকলে গাওঁত Duty কৰি আছে। ACS Officer সকলে কাম কৰি আছে। কিন্তু তেওঁলোকে কাম ফাঁকি দিয়ে। মাননীয় সদস্য শ্ৰীনৰেন্দ্ৰ নাৰায়ণ কলিতাই কৈছে যে কোৱাৰ্টাৰ নাই। আজিৰ

দিনত কোৱার্টাৰ নথকা পি. এইচ. চি. কেইখন আছে? Offence is the best form of defence. এইখিনি কাম নকৰাকৈ থকা শতকৰা ২০ভাগ মানুহৰ কথা। কিন্তু কাম কৰা মানুহো আছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে মোক কৈছিল যে Nurse প্রতিটো Sub-Centreত থাকিব লাগে। তেখেতে দিল্লীলৈ গৈ সংশ্লিষ্ট বিভাগৰ পৰা ৫,০০০ Nurseৰ post recommend কৰি আনিবৰ চেষ্টা কৰি আছে। বর্ত্তমান ৪৩৮ গৰাকী ANM ঠিকা ভিত্তিত নিযুক্তি দিয়া হ'ব। পর্য্যায়ক্রমে অসমৰ প্রত্যেক জিলাতে এইবোৰ ভগাই দিয়া হব। ৰৱপেটা জিলাত ৬১গৰাকী, কামৰূপত ৩০গৰাকী, হাইলাকান্দিত ৪গৰাকী, এইদৰে প্রত্যেকতে ভগাই দিয়া হব। এই List আপোনালোকে Folderত পাব। এই Nurseবোৰক Sub-Centreলৈ পোনপটীয়াকৈ লৈ যাবলৈ চেষ্টা কৰিম। তেওঁলোকৰ দৰমহা ৪,০০০ হব। Fixed pay। কোনোবাই কাম নকৰিলে দৰমহা কটা যাব। চাকৰিও যাব পাৰে। আমি আশা কৰিছো ইয়াত ৪,০০০ টকা যথেষ্ট দৰমহা। অহা দুবছৰৰ ভিতৰত ৮৫৫গৰাকী ANMক ৪,০০০লৈ বঢ়াবলৈ চেষ্টা কৰিম। তেতিয়া আমাৰ ৰাইজৰ অভাৱ দূৰ হ'ব। আমাৰ মাননীয় সদস্য শ্রীদ্রুপদ ৰৱগোঁহাই ডাঙৰীয়াই ৩০,০০০টকা কম হব বুলি কৈছে। পাঁচ হাজাৰ Sub-Centreত ৩০ হাজাৰকৈ টকা দিলে ১৫কোটি টকা লাগে। ৬ লাখকৈ টকা দিলে প্রায় ৩০০কোটি টকা লাগে। আমি অহা ৫বছৰত ৪ বা ৫ লাখকৈ টকা দিয়াৰ চেষ্টা কৰিম। বর্ত্তমান ৬লাখকৈ দিবলৈ আমি বিত্ত বিভাগত Move কৰিছো। কিন্তু সঠিক Amountটো কব নোৱাৰো। কাৰণ বিত্ত বিভাগে তাৰ

পৰা অলপ কাটিবও পাৰে। Average ৪-৬লাখ টকা Sub-Centreৰ কাৰণে দিয়াৰ বাবে আমি যত্ন কৰিম।

(At 12.12 P.M. Hon'ble Deputy Speaker vacated the Chair for Hon'ble Speaker.)

অধ্যক্ষ মহোদয়, এই টকাবিলাক প্ৰতিটো সমষ্টিয়ে যাতে সমানে পায় তাৰ কাৰণে আমি নিৰ্দ্দেশ দিছো। অৱশ্যে দুই এটা সমষ্টিত যেনে- জালুকবাৰী/তিতাবৰ বা তেনে দুটা এটা সমষ্টিয়ে যদি অলপ বেছিও পায় তেনেহ'লে আপোনালোকে আপত্তি নকৰিব। কাৰণ এই টকাবোৰ অসমৰ ভিতৰতহে খৰছ কৰা হব। তাৰ পিছত এতিয়া আহো আমাৰ PHC/CHC আদিৰ কথালৈ। PHC/CHC বোৰেই হৈছে আমাৰ Next door treatment কিন্তু আজি আমি এটা কথা দেখিছো যে আমাৰ PHC/CHCবিলাকৰ অৱস্থা বেয়া। ইয়াৰ আগতে ডাঃ বৰ্মন ডাঙৰীয়া আৰু ডাঃ কমলা কলিতা ডাঙৰীয়াই তেখেতৰ কাৰ্য্যকালৰ শেষৰ ফালে PHC/CHCৰ ঘৰবিলাকৰ কাৰণে কিছু টকা দিছিল। কিন্তু সেইখিনিয়ে যথেষ্ট নাছিল। তাৰোপৰি আমাৰ এটা মানসিকতা আছে যে কামবোৰ Minimum contractorৰ base। এইটো কৰিবলৈ গৈ কোনোবাই কেইটামান পইচা পাওঁক বুলি ভাবি কামবোৰ ঠিকমতে নহলে আমাৰ প্ৰকৃত উদ্দেশ্য সফল নহব। সেই কাৰণে Hospital সমূহৰ ঘৰবিলাকৰ ক্ষেত্ৰত যাতে কোনেও অভিযোগ কৰিব নোৱাৰে, ডাক্তৰসকলক কি কি সুবিধা দিব লাগিব সেইবোৰ ভালদৰে চোৱা-চিতা কৰি ব্যৱস্থা লোৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আমি সকলো জিলা আৰু মহকুমাতে সমভাবে টকা দিছো। প্ৰতিখন PHC/CHCৰ কাৰণে

৪০ লাখকৈ টকা দিয়া হৈছে। এই কেন্দ্রসমূহত generator আদি কিনাৰ কাৰণে টকা দিয়া হৈছে। গতিকে এই টকাবোৰ ঠিকমতে খৰছ কৰা হৈছে নে নাই সেইটো আপোনালোক সকলোৱে চোৱা-চিতা কৰিব লাগিব। এই ক্ষেত্ৰত কোনো ৰাজনীতি কৰিব নালাগে। আমি প্ৰতিখন জিলাত এক কোটি আৰু মহকুমা ভিত্তিত ৫০ লাখকৈ টকা দিছো। তাৰ বাহিৰেও Joint Director Levelত আমি আৰু কেইটামান PHCৰ কাৰণে টকা দিছো। এই টকা ৪০লাখ, ১৫লাখ, ৭লাখ আৰু ৫লাখকৈ দিয়া হৈছে। ৭লাখ আৰু ৫লাখ টকা খৰছৰ ক্ষেত্ৰত আমি প্ৰক্ৰিয়া নিৰ্দ্ধাৰিত কৰি দিয়া নাই। এই টকা তেওঁলোকে ক'ত খৰচ কৰিছে সেইটো আপোনালোকে তেওঁলোকক সুধিলে জানিব পাৰিব। গতিকে এই টকাবিলাক ঠিকমতে খৰছ কৰিব পাৰিলে স্বাস্থ্য ক্ষেত্ৰত আমাৰ যথোচিত উন্নতি হব বুলি মই ভাবো।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই আমাৰ ডাক্তৰ, ফাৰ্মাচিষ্টৰ কথালৈ আহো। মই পবিত্ৰ সদনক জনাব খুজিছো যে আজিৰ দিনত আমাৰ স্বাস্থ্য বিভাগত ১,১০০ পোষ্ট খালী আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ঘোষণা কৰিছে যে এই বছৰ ১২ হাজাৰ খালী হৈ থকা পদ পূৰণ কৰা হব। গতিকে সেই ১২ হাজাৰৰ মাজত আমাৰ এই ১,১০০ পদটো আমি নিযুক্তি দিম। আমাৰ যি 'Man-power' কম আছে সেইটো কিছু নাইকীয়া কৰিব পাৰিম। প্ৰয়োজন হলে আমি NRHMৰ পৰাও দিবলৈ চেষ্টা কৰিম। ইয়াৰ বাহিৰেও Para-Medical; চুইপাৰ আদিৰ কাৰণে ৩৫০টা পদৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো। এইখিনি হলেও আমাৰ Manpower বাঢ়িব। অধ্যক্ষ মহোদয়, আমি এজন

ডাক্তৰ গঢ়ি তোলোতে আমাৰ সমাজৰ বহুখিনি টকা খৰছ হয়। আজি আমি ডাক্তৰ এজন গঢ়ি তোলাৰ পিছত তেওঁ গাওঁলৈ চাকৰি কৰিবলৈ যাব নিবিচাৰে। তেওঁলোকে আইনৰ বিভিন্ন সুৰুঙাৰে বা নানা অজুহাট দেখুৱাই গাওঁলৈ নাযায়। গতিকে এই ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আজি যদি এজন Police Officer, এজন ACSৰ Magistrateয়ে গাওঁত চাকৰি কৰিব পাৰে তেনেহ'লে ডাক্তৰ এজনে গাওঁত কাম কৰিব নোৱাৰাৰ কাৰণ কি থাকিব পাৰে? আজি আই. এ. এছ. বিষয়া এজনে অতি কমেও ৯বছৰ গাওঁত কাম কৰিব পাৰে তেতিয়াহ'লে আমাৰ ডাক্তৰ এজনে বাধ্যতামূলকভাবে গাওঁত ৫বছৰ কাম কিয় কৰিব নোৱাৰিব। এইখিনিতে আমি ডাক্তৰসকলৰ দৰমহা আদিৰো কথা চিন্তা কৰিব লাগিব। সেইকাৰণে আজি কেইদিনমান আগতে মুখ্যমন্ত্ৰী মহোদয়ে মোক কৈছে যে অন্যান্য ৰাজ্যসমূহত তেওঁলোকক কি দৰমহা দিয়া হৈছে আৰু কি কি সা-সুবিধা তেওঁলোকে পাইছে সেইটো আনিব লাগে। সেইটো আমি দুখনমান ৰাজ্যৰ দৰমহা গাঠনি আনিছো আৰু আমি দেখিছো যে উৰিষ্যাত এজন ডাক্তৰৰ আৰম্ভণিৰ দৰমহা হ'ল ৬,৫০০টকা, ত্ৰিপুৰাত ৭,৮০০টকা আৰু আমাৰ অসমত ৪,৩০০ টকা। এইটো অৱশ্যে ভাল কথা নহয় আৰু এই বৈষম্যসমূহ দূৰ কৰিব লাগিব। গাওঁলৈ যোৱা ডাক্তৰসকলক এটা incentive দিয়াৰ ব্যৱস্থা কৰিছো এইবাৰ যিখন Pay Commission তাতো আমি এই কথাবিলাক চোৱা-চিতা কৰিব দিম বুলি চিন্তা কৰিছো। আমি যদি তেওঁলোকক দিবলগীয়া সুবিধাখিনি দিব পাৰো তেনেহ'লে মই ভাবো তেওঁলোক গাঁৱলৈ নোযোৱাকৈ নাথাকিব। সুবিধাবোৰ

দিয়াৰ পিচতো তেওঁলোক যাবলৈ অস্বীকাৰ কৰে তেনেহ'লে আমি একোজন ডাক্তৰ গঢ়ি তোলাত যিটো খৰছ হয় সেইটোৰ অপচয় হব। তেওঁলোকে আমাৰ সমাজৰ কথা শুনিব লাগিব। সমাজৰ প্রতি তেওঁলোকৰ যিটো দায়বদ্ধতা তাক পালন কৰিব লাগিব। এই ক্ষেত্রত 'অসম মেডিকেল সেৱা সন্থা'ই কেইদিনমান আগতে এখন জাননী জাৰি কৰিছে।

অধ্যক্ষ মহোদয়, মই 'আমচা' (All Assam Medical Service Association)ক কৈছো প্রতিটো সপ্তাহত তিনিদিনকৈ মোৰ লগত বহক। কোন ডাক্তৰে ক'ত কাম কৰি আছে, কোনে কৰা নাই আমি সকলো চাই-চিন্তি নিশ্চয় এই ক্ষেত্রত আগবাঢ়িব পাৰিম। আমি ইতিমধ্যে ২০০ ডাক্তৰ নিযুক্তি দিছো। তাৰে ১১০জন Doctorয়ে Join কৰিছে। অহা বছৰ ৬০ জন Doctor retired হব। প্রয়োজন হ'লে এই ৬০জন ডাক্তৰক ঠিকা ভিত্তিত নিয়োগ কৰা হব। বটদ্রৱা সমষ্টিৰ বিধায়ক গৌতম বৰা ডাঙৰীয়াই PHC, CHCত কেনেকৈ ডাক্তৰ ৰাখিছে? অন্যান্য PHC আৰু CHCত কিয় ৰাখিব পৰা নাই। আমি নিজকে নিজে প্রশ্ন কৰিব লাগিব। মই ভাবো নতুন নিযুক্তিবোৰৰ বাবে আজিৰ দিনটো যোৱা কালিতকৈ যথেষ্ট ভাল হব। ডাক্তৰ কমলা কলিতাই উল্লেখ কৰিছে যে কিছুমান District আৰু Sub-Divisionalত Hospital নাই। PHC আৰু CHC নাই। অসমত ৪২ খন চিকিৎসালয় আছে। এই কেইখনক মই Venture বুলিয়েই কৈছো। ডাঃ কমলা কলিতাই গৰৈমাৰীৰ কথা কৈছে। যি ৪২খন Hospitalৰ কথা কোৱা হৈছে সেইবিলাকৰ ঘৰ আছে কিন্তু ডাক্তৰ নাই।

স্বাস্থ্য বিভাগে P & Dৰ পৰা Approved লৈছে, Building-ৰ বাবে কিন্তু বিত্ত বিভাগত Post sanctionৰ বাবে নগ'ল। সংসদ সদস্য আৰু বিধায়কসকলে নিজৰ অঞ্চলত PHC, CHCৰ কাৰণে Building ৰনাই দিছে, কিন্তু এতিয়া তাত ডাক্তৰ নার্চ দিব পৰা নাই কিয়নো তাত বিত্ত বিভাগৰ অনুমোদন নাই। যোৱাকালি কেন্দ্রীয় মন্ত্রী সন্তোষ মোহন দেৱ ডাঙৰীয়াই ফোন কৰি জনাইছে, একেই কথা মই চাই দিম বুলি কৈছো। ৪২ খন হস্পিতালৰ কাৰণে Building বনালে কিন্তু বিত্ত বিভাগে নাজানে। একোখন হস্পিতালত ২০টা মান Post লাগে। AGPৰ দিনত পদ ক্রিয়েট নকৰিলে। এতিয়া আমি এই পদবোৰ ক্রিয়েট কৰিব লাগিব। এই সমস্যাটো যিহেতু হৈছে, আমি সমস্যাটো সমাধান কৰিব লাগিব। অসমত কেইবাখনো জিলা আৰু মহকুমা গঠন কৰা হ'ল, তাৰ লগে লগে Hospitalৰ বিল্ডিং বনালে এতিয়া আমাক কৈছে Staff দিয়ক। মাননীয় সদস্য ডেকা ডাঙৰীয়াই কৈছে PWDয়ে CHC Building বান্ধি দিয়া তেনেকুৱা ৭খন আছে। মাজুলী, মানকাছাৰ, শদিয়া আদি তেনেকুৱা বিলাকত আমি চাব লাগিব। আমাৰ আৰু চাৰিখন জিলা আছে কামৰূপ, চিৰাং, বাক্সা আৰু ওডালগুৰি এই কেইখনতো ব্যৱস্থা কৰিব লাগিব। জিলা হস্পিতালত ১ কোটিকৈ আৰু Sub-Divisional বিলাকত ৫০ লাখকৈ দিয়া হৈছে। ধুবুৰী জিলাত ১ কোটি টকা পোৱাৰ পিচতো হস্পিতালৰ অৱস্থা কিয় ইমান বেয়া? বেডৰ অভাৱ হোৱাত ৰোগী বেৰেকত থাকিবলগীয়া হৈছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে মোক কৈছে, তুমি ধুবুৰীলৈ গৈ চাই আহিবা। এক কোটি টকাৰে কোনে কেনেকৈ টকা খৰছ কৰিছে, তাক

আমি Enquiry কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক সকলক অনুৰোধ কৰিছো, আপোনালোকৰ সমষ্টিত ক'ত কিমান টকা পঠোৱা হৈছে তাৰ আপোনালোকে তালিকা লওঁক আৰু monitoring কৰক। মই মাননীয় সদস্যসকলক অনুৰোধ কৰো আপোনালোকে মিটিং কৰিব। মোক মাতিলে সেই মিটিঙলৈ মই যাম। আমাৰ চৰকাৰৰ ফালৰ পৰা আমি যিমান পাৰো সহায় কৰিবলৈ চেষ্টা কৰিম। আমি বৰপেটাত চিটিস্কেন দিছো, যোৰহাটত দিছো, লক্ষীমপুৰত দিছো। আমাৰ মাননীয় সদস্য শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই কি কৈছে মই নাজানো, কিন্তু নগাওঁ Civil Hospitalত ভাল কাম হৈছে। আন এগৰাকী মাননীয় সদস্য শ্রীৰাণা গোস্বামী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে বৰ্ত্তমান টকা পইচাৰ অভাৱ হোৱা নাই।

অধ্যক্ষ মহোদয়, আজি আমাৰ হস্পিতালবোৰত CT Scan আছে, বৰপেটাত আছে, লক্ষীমপুৰত আছে। আমি অলপ অলপ interest ললে সেইবিলাক চলাব পাৰিম। অসমৰ আৰু পাঁচখন জিলাত আমি CT Scan দিব খুজিছো। মেডিকেল কলেজ কেইখনত আৰু CT Scan দিব খুজিছো যাতে ৰোগীয়ে লাইন কৰিবলগীয়া নহয়। অধ্যক্ষ মহোদয়, আমাৰ মেডিকেল কলেজ কেইখনতো আমি ultra sound machine আৰু দিয়াৰ কথা ভাবিছো। ডিব্রুগড়ত আমি এশ কোটি টকা খৰছ কৰিম, শিলচৰতো সমানেই কৰিম। এই কেইটা দিল্লীৰ পৰা অহা টকা নহয়। সেয়া আমাৰ টকা। আমি খৰছ কৰিম। এইবাৰ আমি ডিব্রুগড়ত ২৫ কোটি আৰু শিলচৰত ২০ কোটি টকা খৰছ কৰিম। যদি আমি

একেলগে তিনিখন দোকান খুলিব লওঁ তেন্তে দিগদাৰীহে হব। সেয়ে কৈছো আমি প্ৰতিখন মেডিকেল কলেজতে এশ কোটিকৈ তিনি বছৰত টকা খৰছ কৰিম। ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাৰ ব্যৱস্থা কৰি দিছে। ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজক আমি Plan and Estimate দিবলৈ কৈছো। সেইদিনাখন মই গুৱাহাটী মেডিকেল কলেজলৈ গৈছিলো, মোৰ লগত বিত্ত বিভাগৰ আয়ুক্ত শ্ৰীহিমাংশু শেখৰ দাস ডাঙৰীয়াও গৈছিল। তাত কোৱা হল যে আপোনালোকক কি কি লাগে তাৰ লিষ্ট দিয়ক, আমি সকলো দিম। বহুত চিন্তা কৰি constructionৰ বাবে ৩৫ কোটি আৰু ৪৫কোটি টকাৰ Machinary একোখন লিষ্ট দিলে। সেইমতে আমাৰ টকা থাকিহে গ'ল। যিহেতু গুৱাহাটীৰ বাবে ১০০কোটি টকা আছিল।

আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতা ডাঙৰীয়াই ঔষধৰ কথা কৈছে, মই Directorক কৈছো যে অহাবাৰ যি ঔষধ কিনা হব সেয়া ডাঃ কমলা কলিতা ডাঙৰীয়াক দেখুৱাই লব, কাৰণ তেখেত ডাক্তৰ মানুহ, তেখেতে সকলো জানে। তেখেতে ঔষধত ৪টা antigenৰ ঠাইত ৩টা থকা বুলি কৈছে। তিনি কোটি অসমৰ দুখীয়া মানুহক ঠগাই লাভ নাই। সেই কাৰণে মই Directorক কৈছো যে ঔষধ অহাৰ লগে লগে ডাক্তৰ কমলা কলিতা ডাঙৰীয়াক দেখুৱাই লব। Directorক কৈছো আমি যদি ঔষধৰ পইচা খাওঁ তেন্তে তাৰ net result আমি ভোগ কৰিব লাগিব। মোৰ ল'ৰা বেমাৰত পৰিব আৰু আপোনাৰো ভাল নহব। সেই কাৰণে মোৰ ল'ৰাও বেমাৰত পৰিব নালাগে আৰু আপোনালোকৰ ল'ৰাও ভালে থাকক।

আপোনালোকে গৈ এইবিলাক চাই থাকিব কোনে কি কৰিছে? ঔষধৰ নামত থকা ১২ কোটি টকা বেমাৰী শুশ্ৰুষাৰ বাবে দিয়ক। অকল ডাঃ কলিতা ডাঙৰীয়াই নহয়, ডাঃ আদিত্য লাংথাচা ডাঙৰীয়াইও এই বোৰ চালে মই ভাল পাম। সেয়ে আপোনালোকে ঔষধৰ নামত থকা ১২ কোটি, ১৫কোটি টকা খাই লাভ নাই। আমি নিকাহৈ থাকিব লাগিব।

ইয়াৰ পিচৰ কথাখিনিলৈ আহিছো, আপোনালোকে সুধিছে যে আমাৰ চৰকাৰখনৰ direction কি? হয়, আমি এটা নির্দ্দিষ্ট দিশত আগবাঢ়িছো। তাৰ কাৰণে কেইটামান আঁচনি লোৱা হৈছে। আমাৰ হস্পিতালবোৰত যাতে institunal delevery বাঢ়িব পাৰে, সেয়া আমাৰ অগ্ৰাধিকাৰ। সেই দৃষ্টিভঙ্গীৰ পৰা 'আশা' নামৰ এখন আঁচনি আমি আৰম্ভ কৰিছো। অহা এক তাৰিখৰ পৰা আমি এক ব্যাপক প্ৰচাৰ চলাম যাতে মানুহে এই আঁচনিৰ কথা গম পায়। এগৰাকী workerবা 'আশা' যি সন্তান-সম্ভৱা মাতৃক Hospitalলৈ আনিব। প্ৰতিগৰাকী মাতৃৰ বিপৰীতে পাঁচশকৈ টকা পাব। 'আশা'ৰ টকাটো প্ৰতিখন Hospitalতে আছে। Hospitalলৈ আহিলে মাতৃয়ে তৃতীয়টো হয়তো কিবা প্ৰকাৰে জন্ম দিব পাৰে, কিন্তু চতুৰ্থটো জন্ম নাহে। কাৰণ ডাক্তৰসকলে মাতৃগৰাকীক ভালকৈ বুজাব। আমাৰ হিচাবত শিশু আৰু মাতৃ দুয়োটাই systemৰ ভিতৰত থাকিব। হস্পিতালবিলাকত আহিলে নিশ্চয় কোনো মহিলাই দুটাতকৈ বেছি জন্ম দিবলৈ নিদিয়ে। ডাক্তৰসকলে বুজনি দিব। অধ্যক্ষ মহোদয়, আনহাতে কোনোবা এগৰাকী মাতৃ যদি চি. এইচ. চি.ৰ পৰা চিজাৰিন কৰিবলৈ নগাওঁ বা গুৱাহাটীলৈ আহে তেনেহ'লে ৫০০টকা লগে লগে trans-

portation হিচাবে পাব। জন্ম দিয়া মাতৃগৰাকীয়ে জননী সুৰক্ষা যোজনাৰ বিপৰীতে ৭০০টকা পাব। আমাৰ টকা ৰেডি আছে। হস্পিতালত গলেই পাব। আমি খৰছ কৰো কৰো কৰি আছো। এই জননী সুৰক্ষা আঁচনিৰ কাৰণে, প্ৰচাৰৰ কাৰণেও টকা দি থোৱা আছে। আনকি তেওঁলোকক meeting মাতি যদি আঁচনিখনৰ বিষয়ে প্ৰচাৰ কৰিব বিচাৰে তাৰ কাৰণেও খৰছ দি থোৱা আছে। আপোনালোকৰ folderৰ ভিতৰত একোখন চিট দিয়া হৈছে, তাত ক'ত কিমান টকা পঠিয়াইছো, কামৰূপ জিলাত চাৰি কোটি পঠিয়াইছো, গোলাঘাটত দুই কোটি পঠিয়াইছো, নলবাৰীত ২কোটি ৪৩ লাখ, ধেমাজীত দুই কোটি। এনেকৈ ৫৮ কোটি টকা জিলাসমূহলৈ প্ৰেৰণ কৰা হৈছে। যদি এইখিনি টকা আপোনালোকে বিতৰণ কৰিব পাৰে অসমত কিয় উন্নতি নহ'ব? অৱশ্যে এই টকাই যথেষ্ট নহয়। কিন্তু আপোনালোকে যিমানেই হেচা দিব সিমানেই কাম কৰিব পৰা যাব। এই আঁচনিবিলাক কাৰ্য্যকৰী কৰিব পাৰিলে নিশ্চয় ৰাইজ উপকৃত হব। হস্পিতালবিলাকত wasteবিলাক য'তে ত'তে পেলাই প্ৰতিখন হস্পিতালত ৫লাখকৈ টকা waste disposalৰ কাৰণে আৱণ্টন কৰিছো। যাতে য'তে ত'তে বেয়া বস্তুবিলাক নেপেলায়, তাৰ ব্যৱস্থা কৰিবলৈ আমি এতিয়াৰ পৰা প্ৰতিখন জিলাতে Mobile Unit দিয়াৰ ব্যৱস্থা কৰিছো। একোটা ইউনিটত তিনি খনকৈ গাড়ী থাকিব। এখনত ডাক্তৰ, নাৰ্চ, আনখনত minor অপাৰেচন সা-সঁজুলি আৰু আনখনত লেব'ৰেটৰী থাকিব। গাড়ী কেইখনৰ কাৰণে প্ৰতিদিনে টকা দিয়া হ'ব। তেওঁলোকে সেই টকা পেট্ৰল, ডিজেল অন্যান্য খা-খৰছ কৰিব। মাহেকৰ ৩০দিনত ৩০দিনেই এই ব্যৱস্থা কৰা

হ'ব। তেওঁলোক ভিতৰুৱা অঞ্চল পৰিভ্ৰমণ কৰিব। প্ৰতিখন জিলাতে এই ব্যৱস্থা হব। Tender আদি হৈ গ'লে ৬ মাহৰ ভিতৰত এই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব পাৰিম। আমি এতিয়া গোটেই পি. এইচ. চি., চি.এইচ. চি.বিলাকত Ambulence দিয়াৰ ব্যৱস্থা কৰিম। ইতিমধ্যে ৪২খন Ambulence কিনা হ'ল। স্বাস্থ্য বিভাগে এই দুই মাহৰ ভিতৰত যথেষ্ট কাম কৰিছে আৰু কৰিবলৈ আগ্ৰহ আছে কিন্তু vested interest circleয়ে ইয়াত বাধা দিব। আমি Nursing Homeবিলাক নিয়ন্ত্ৰণত আনিব পাৰো কিন্তু বিল্ডিং ভঙাৰ নিচিনা কালি পুৱাৰ পৰাই খবৰ কাগজত বিবৃত্তি দিয়া আৰম্ভ কৰিব। যোৱাকালি এন. ই. টি.ভিত আপোনালোকে দেখিছে গুৱাহাটীৰ ৪জন এম. এল. এ.ই পলাল বুলি খোদ এ.জি.পি.ৰ মুখপাত্ৰ শ্ৰীঅপূৰ্ব ভট্টাচাৰ্য্যই কৈছে। ৪জন এম. এল. এ.ৰ ভিতৰত দেখোন মাননীয় সদস্য শ্ৰীৰমেন কলিতা AGPৰ আমাৰ শ্ৰীৰমেন কলিতাই উত্তৰ দিয়াত তেখেত পলোৱা মানুহ হয় নে নহয়? Nursing Homeৰ নিয়ন্ত্ৰণৰ কাৰণে আমি কাম কৰিব পাৰো কিন্তু সেই একেই অৱস্থা হব। আপোনালোকে অথৰিটি দিলে মই কৰি যাম। Nursing home regulate কৰিম। সিদিনা আলোচনা প্ৰসঙ্গত এটা কথা ক'লে- এজন বেমাৰী বি. বৰুৱা কেন্সাৰ হস্পিতালৰ পৰা NEMCAREত অনা হ'ল আৰু তেওঁৰ NEMCAREত মৃত্যু হ'ল। এতিয়া নিয়মমতে গ'লে NEMCAREৰ স্বত্বাধিকাৰীকো arrest কৰিব লাগিব আৰু বি. বৰুৱা কেন্সাৰ হস্পিতালৰ ডাক্তৰকো arrest কৰিব লাগিব। মই এতিয়াই arrest কৰিব পাৰো কিন্তু কালিয়ে কোনোবা vested interestৰ

লোকে প্ৰচাৰ কৰিব যে হিমন্ত বিশ্ব শর্মাই টকা বিচাৰিছে, টকা নিদিয়াৰ কাৰণে কৰিছে। মাননীয় সদস্য শ্ৰীউদ্ধৱ বর্মনে market forceৰ কথা কৈছে। কথাটো সঁচা। আমাৰ বেমাৰী এজনক যদি আমাৰ হস্পিতালৰ পৰা অনা Nursing homeলৈ refer কৰা হয় তেতিয়াহ'লে আমি ব্যৱস্থা লব পাৰো। কিন্তু বিজনী বা আন দূৰৰ ঠাইৰ পৰা এজন বেমাৰী যদি চিধাচিধিকৈ Nursing homeলৈ গুছি যায় তাত আমাৰ কবলগীয়া নাথাকে। ডিব্ৰুগড় মেডিকেল কলেজত বেমাৰী নাযায়। তাত Nursing homeৰ সংখ্যা বেছি। আমি এতিয়া দৃঢ় ব্যৱস্থা লম। ইতিমধ্যে আমি তাৰ কাৰণে এখন বিল আনিছো। সেইখন মুখ্যমন্ত্রী মহোদয়ে কেবিনেটত approve কৰাই দিছে। Vested Interestৰ বিৰুদ্ধে আমি fight কৰি যাম। সকলো কথাই ৰাজনৈতিক দৃষ্টিকোণৰে চালে নহব। আপোনালোকে মোক সহযোগ কৰক। মই বেয়া কাম কৰিছো যদি মোকো ধৰক। মুখ্যমন্ত্রী মহোদয়ে এইবিলাকত আমাক ব্লেংক চেক দিছে। Vested Interest আমি খটম কৰিম। মাননীয় সদস্য শ্ৰীলাংথাচাই জাপানী এনকেফেলাইটিছৰ কথা কৈছে। ইয়াৰ কোনো চিকিৎসা নাই, মাত্ৰ treatment কৰিব লাগিব। জাপানী এনকেফেলাইটিছৰ কাৰণে ইতিমধ্যে মুখ্যমন্ত্রীৰ নির্দেশত দুখন জিলাত vaccineৰ ব্যৱস্থা কৰিছো। এই ভেকচিন ১৫ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ কাৰণে। ডিব্ৰুগড়, শিৱসাগৰ এই দুখন জিলাত আৰম্ভ কৰা হৈছে। এই দুখন জিলাৰ উপায়ুক্ত দুগৰাকীয়ে আমাক যথেষ্ট সহাৰি জনাইছে। মই তেওঁলোকক ধন্যবাদ জনাইছো। এই জিলা দুখনৰ পাচত আৰু দুখন জিলা লম। এতিয়া আমি যথেষ্ট চেষ্টা কৰিছো।

আগতে বিভিন্ন কাৰণত বিভাগৰ response slow আছিল, সদনত সঁচা কথা কব লাগিব। কাৰণ সেই সময়ত স্বাস্থ্য মন্ত্রী শ্রীবর্মন চাৰ নির্ব্বাচনত ব্যস্ত আছিল। আপোনালোকে জানে স্বাস্থ্য বিভাগত মন্ত্রীয়ে নাচালে একো নহয়। লক্ষীমপুৰ ধেমাজীৰ বিপোর্টবিলাক ডাক্তৰৰ পৰা দেৰিকৈ যুটীয়াকৈ সঞ্চালকে পালে। ডিচেম্বৰ নবেম্বৰত মেলেৰীয়াৰ খবৰ দিব লাগিছিল, নিদিলে। ইয়াৰ কাৰণে মুখ্যমন্ত্রীৰ নির্দ্দেশত এতিয়া Task force গঠন কৰি দিছো। Second phaseৰ DDT আমি ১৫ জুলাইৰ পৰা আৰম্ভ কৰিছো। আমি এতিয়া মেলেৰীয়া প্রন এৰিয়াত এই spray কৰিছো। ইতিমধ্যে তাৰ কাৰণে কিছুমান NGO ঠিক কৰিছো আৰু ডাক্তৰৰ সংখ্যাও বঢ়াম আৰু RDKৰ লগতে Chloroquine দিয়াৰ ব্যৱস্থা লম। On the spot চিকিৎসা কৰাৰ ব্যৱস্থা কৰিম। মুখ্যমন্ত্রীৰ নির্দ্দেশক্রমে মহাৰাষ্ট্র আদি ঠাইত মেলেৰীয়া কেনেকৈ নির্মূল কৰিছে সেইটো চাবৰ কাৰণে তালৈ এটা টিম পঠিয়াইছো। তেওঁলোক ঘূৰি আহিলে সেইমতে ব্যৱস্থা লোৱা হব। মেলেৰীয়াৰ ক্ষেত্রত আগৰে পৰাই awareness অনাৰ চেষ্টা কৰিম। ২৭১জন মানুহ মৃত্যুৰ মুখত পৰিছে। হয়তো বেছিও হব পাৰে। আমি ইতিমধ্যে ডেৰ লাখ মানুহৰ blood test কৰাইছিলো। গাঁৱত বা কৰ'বাত থানা এখন প্রতিষ্ঠা কৰিলে দেখিব বহুত কেচ লগে লগে register হয়। আপোনালোকে চাবচোন, আপোনালোকৰ সমষ্টিত আগতে য'ত থানা নাছিল তাত থানা এখন পাতিলে য'ত crime nil হৈ আছিল তাত লগে লগে বহুত Case register হৈ যায়। আচলতে তাত crime নাছিল সেইটো নহয়, কিন্তু ওচৰত সুবিধা নাছিল বাবে মানুহ

মনে মনে বহি থাকিছিল।

মেলেৰীয়াৰ কাৰণে blood test কৰা হৈছিল এক লাখ ৰিয়াল্লিচ হাজাৰ। গতিকে মেলেৰীয়াৰ কেচ বাঢ়িছে বুলি কব পাৰি। মানুহ হয়তো মৰিছে আৰু আগৰে পৰাও মৰি আছে গম পোৱা নাযায়। এতিয়া পিছে আমাৰ NGOবিলাক যাব। গাঁৱে গাঁৱে ঘৰে ঘৰে গৈ report আনিব। যোৱা বাৰো আমি কাম কৰিছিলো, এইবাৰ আৰু বেছিকৈ আৰু ভালকৈ কৰিবলৈ চেষ্টা কৰিম।

তেজপুৰৰ মানসিক চিকিৎসালয়ৰ কথা কোৱা হৈছে, এইখন আচলতে NECৰ সম্পূৰ্ণ undertত। তথাপি মই তেখেতসকলৰ লগত যোগাযোগ কৰি ভাল কৰিবলৈ চেষ্টা কৰিম।

ৰিধায়ক শ্ৰীপ্ৰণৱ কলিতাই চিগাৰেট নোহোৱা কৰাৰ কথা কৈছে। এইটো কৰিব পাৰিম নেকি ইতিমধ্যে আমি আলোচনা কৰিছো। মই ভাবো এইটো কৰিব পৰা যাব। আপোনালোকে যদি অসমৰ উন্নতি কৰিব খোজে— আমি ফুল প্ৰুফ চিষ্টেম বনাব লাগিব। এইটো সদনত আনিলে সদনে পৰীক্ষা কৰি চাব। মই আনিলেইটো নহব, আপোনালোকে ভাল বেয়াখিনি চাই দিব লাগিব। Total বন্ধ কৰিব নোৱাৰিলেও বিকল্প কি কৰিব পাৰি সেইটো আমি চাম। তাৰ পিচত কেইটামান কথা কওঁ ড্ৰাগছ্ পৰিদৰ্শক আৰু ফুড পৰিদৰ্শক আছে, এইবিলাকে এনেয়ে বহি আছে। এওঁলোকক activate কৰিব লাগিব। যিবিলাক কাম এওঁলোকে কৰিব লাগে, সেয়া নকৰে। এইটো নিশ্চয় activate কৰাব পাৰিম বুলি ভাবিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে Medical Collegeৰ কাৰণে ১৫৫ পদ ক্ৰিয়েট কৰিছে যাৰ কাৰণে আপোনালোকে পদৰ vacancy বেছি দেখিছে। এইবিলাক

ক্রিয়েট কৰা হৈছে আৰু এইবিলাক আমি fill up কৰিম। ডিব্ৰুগড় মেডিকেল কলেজৰ কথা কোৱা হৈছে। সেই ক্ষেত্ৰত মই কওঁ যে তাত ডাক্তৰ, নাৰ্চ, infrastructure সকলো আছে। কিন্তু তালৈ ৰোগী নাযায়, প্ৰায়ে খালী। আপোনালোকে চালে দেখিব প্ৰতিদিনে হয়তো ২০০-৩০০ ৰোগীও তালৈ নাযায়। এইটো হৈ থাকিলে MCIয়ে recognition কাটি দিব। মানুহে ভাবে চৰকাৰে সা-সুবিধা নিদিয়াৰ কাৰণে এইটো হৈছে আচলতে সেইটো নহয়। ডিব্ৰুগড় মেডিকেল, গুৱাহাটী মেডিকেল আৰু শিলচৰ মেডিকেল এই তিনিওখন সমান, তিনিওখনতে সকলো সা-সুবিধা আদি দিয়া হয়। শিলচৰত কিন্তু patient ভাল যায়। গুৱাহাটীতো ভাল। কিন্তু ডিব্ৰুগড় patient নাই। কিয়, এইটো কিয়? নে বেলেগ কোনোবাই ৰোগীবোৰ লৈ যায় নেকি? এইটো চাব লাগিব। অলপতে দৈনিক অসম কাকতত এটা বাতৰি প্ৰকাশ হৈছিল যে এজন ৰোগীয়ে হস্পিতালত ডাক্তৰক দেখা কৰিলে, ডাক্তৰে তেওঁক ধমকি দি ক'লে গধূলি মই অমুকত বহো বুলি জানাই দেখোন দিনত আৰু ইয়ালৈ কিয় আহিছা? এতিয়াৰ পৰা মই ডিব্ৰুগড় মেডিকেল কলেজলৈ মাহেকত এবাৰকৈ যাবলৈ ঠিক কৰিছো। প্ৰতিমাহে এবাৰকৈ যাম। যিমানখিনি ভাবিছো হয়তো সিমানখিনি ঠিক কৰিব নোৱাৰিব পাৰো। তথাপি চেষ্টা কৰিম। ডিব্ৰুগড় মেডিকেলৰ চিকিৎসাটো বেয়া নহয়। এটা উদাহৰণ কওঁ কাক পথাৰত যেতিয়া ফায়াৰিং হৈছিল তাৰ এগৰাকী আহত হোৱা ছোৱালীক ডিব্ৰুগড় মেডিকেলত ভৰ্ত্তি কৰোৱা হ'ল আৰু এগৰাকীক দিল্লীৰ AIIMSলৈ পঠোৱা হ'ল। AIIMSলৈ পঠোৱাগৰাকী মৃত্যু হ'ল। কিন্তু ডিব্ৰুগড় মেডিকেলত দিয়া গৰাকী সুস্থ হৈ ঘৰলৈ ঘূৰি গ'ল। আমাৰ আচলতে

শতকৰা ১০-১৫ ভাগ মানুহে বেয়া কৰি আছে। আমচাৰ সাধাৰণ সম্পাদক অশোক বৰকটকীয়ে যোৱা কালি মোৰ ওচৰলৈ আহিছিল। মই এইবোৰ তেওঁলোকৰ লগতো আলোচনা কৰিছো।

Mr. Speaker : Now, the Hon'ble Members:

Dr. Kamala Kanta Kalita,

Shri Pranab Kalita,

Shri Joseph Toppa,

Dr. Manoranjan Das,

Shri Keshab Mahanta,

Shri Abdul Aziz,

Shri Binod Goala,

Shri Hiren Kumar Das,

Smti. Sushila Hazarika,

Dr. Alaka Sharma,

Shri Anup Phukan,

Shri Gunindra Nath Das,

Shri Jyoti Prasad Das,

Shri Ramendra Narayan Kalita,

Shri Ananta Deka,

Shri Uddhab Barman.

Will you withdraw your cut motion?

★ ডাঃ কমলা কান্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াৰ কথা কৈছে, তাৰ ওপৰত মোৰ কবলগীয়া নাই। তেওঁ

★ Speech not corrected.

স্বাস্থ্য বিভাগৰ উন্নতিৰ কাৰণে যিখিনি এটেমপ্ট লৈছে তাৰ কাৰণে আমি প্ৰশংসা কৰিছো। এইখিনিতে এটা কথা কব বিচাৰিছো যে আমাৰ চৰকাৰে পোষ্টিঙৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। পোষ্টিঙৰ ক্ষেত্ৰত আমাৰ আটাইতকৈ এটা ডাঙৰ অসুবিধাৰ সৃষ্টি হৈছে। সদনৰ মাননীয় সদস্য সকলেও পোষ্টিঙৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব লাগে।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেন্সফাৰ পোষ্টিঙৰ ক্ষেত্ৰত মই কাৰো কথা নুশুনো। গুৱাহাটীত যিসকল ডাক্তৰ যুগ যুগ ধৰি আছে, তেওঁলোক গাঁৱলৈ যাব লাগিব।

★ **ডাঃ কমলা কান্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঔষধৰ ক্ষেত্ৰত মই পইন্ট আউট কৰিব বিচাৰিছো যে মই কাগজ খুচৰিব যাব নোৱাৰো।

I am not interested in going to the office of the Director of Health Services to bring papers to the House.

★ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কাট মোচনটো উইথদ্ৰ কৰিব লাগিব কাৰণ স্বাস্থ্য বিভাগত বাজেট বহুত কম। স্বাস্থ্য বিভাগত এলটমেন্ট বেছি হব লাগে। ময়ো স্বাস্থ্য মন্ত্ৰী আছিলো আৰু স্বাস্থ্য বিভাগৰ ডেভেলপমেন্টৰ কাৰণে দিল্লীলৈও বহুতবাৰ গৈছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই আজি যিখিনি কথা কৈছে, যদি সঁচাকৈয়ে সেইমতে ইমপ্লিমেন্ট কৰে তেতিয়াহ'লে স্বাস্থ্য বিভাগৰ উন্নতি সাধন হব। বিশ্ব স্বাস্থ্য সংস্থাৰ যিটো শ্লোগান সেইমতে মই তিনিটা কথাৰ প্ৰতি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা ক্লাৰিফিকেচন বিচাৰিছো। আমাৰ দুটা ডাঙৰ বেমাৰ আছে। প্ৰথমটো বেমাৰ হ'ল কেন্সাৰ। অসমৰ লক্ষীমপুৰ, জোনাই, গোগামুখ আপাৰ আসামৰ এটা অঞ্চল। নামনি

★ Speech not corrected.

অসমৰ এটা অঞ্চলত মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ৰেছি। অৱশ্যে কেন্সাৰ ৰেমাৰৰ ঔষধ নাই যদিও মেলেৰীয়া ৰেমাৰৰ কাৰণে ঔষধ পাতি ওলাইছে। এনকেফেলাইটিছ ৰোগৰ কাৰণে চিমন ভেকচিন ওলাইছে। মেলেৰীয়া ৰোগ অনুপাতে ঔষধ পাতি এভেইলেবুল হৈছে। এই ভেকচিন জিৰো টু ফিফটিন ইয়ার্চলৈ গোটেই কেইখন জিলাত কৰাৰ কথাটো কব বিচাৰিছো। এনকেফেলাইটিছ ৰোগৰ ব্লাড চিৰাম টেষ্ট কৰাৰ কাৰণে অসমত কোনো প্ৰভিজন নাই। এইটো ভাইৰোলোজিকেল ইন্সটিটিউটত কৰিব লাগিব। Virological Institute of National Health and Hygine, Kalkataত কৰিব লাগিব। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এইকেইদিনৰ ভিতৰতেই ভাইৰোলোজিকেল ইন্সটিটিউট কৰিব নেকি? এইটো অসমৰ ৰাইজৰ কাৰণে ভাল হব। মোৰ দ্বিতীয় কথাটো হৈছে কেন্সাৰ ইন্সটিটিউটৰ সম্পৰ্কত। আমাৰ কেন্সাৰ ইন্সটিটিউটখনলৈ ভাবা মেডিকেল ইন্সটিটিউটে পইচা-পাতি দিছে আৰু তেওঁলোকে তাৰ পৰা ডাক্তৰো পঠিয়াইছে। আমাৰ কেন্সাৰ ইন্সটিটিউটখনৰ যিখন গৱৰ্ণিং বডী মিনিষ্টাৰ তাৰ মেম্বাৰ। কমিচনাৰ হেলথো তাৰ মেম্বাৰ। মই জানো, ভাবা মেডিকেল ইন্সটিটিউট অৱ টাটা মেম'ৰিয়েল কেন্সাৰ এণ্ড ৰিচাৰ্চ চেণ্টাৰৰ পৰা অহা ডাক্তৰৰ অত্যাচাৰ তাত চলি আছে। আমাৰ কেন্সাৰ হস্পিতালখনৰ প্ৰতি তেওঁলোকে কোনো যতন নলয়। মই মন্ত্ৰী ডাঙৰীয়াক এটা এলিগেচনৰ কথা জনাব বিচাৰিছো। অসমৰ বাহিৰৰ পৰা বহুতো পুৰণা মেচিন আমাৰ কেন্সাৰ হস্পিতাললৈ অনা হয় বুলি আমি শুনিছো। অসমৰ পৰা বহুতো ৰোগী অসমৰ বাহিৰলৈ যায়। এই কথাখিনি আমি ডাক্তৰ আদাৱানী, ডাক্তৰ সঞ্জয় শৰ্মা, ডাক্তৰ

শইকীয়া আদিৰ মুখৰ পৰাই শুনিছো। যদি এইটো সত্য হয়, তেতিয়াহ'লে এইটোৰ ওপৰত ব্যৱস্থা লব লাগে। মোৰ তিনি নম্বৰ কথাটো হৈছে 'মাডাৰ এণ্ড চাইল্ড হেলথ কেয়াৰ' এইটো সম্পৰ্কত বিশ্ব স্বাস্থ্য সংস্থাইও গুৰুত্ব দিছে। অকল জন্ম দিলেই নহব, ইউনাইজেচন হব লাগিব। মাননীয় মন্ত্রী মহোদয়ে এইবাৰ ইনফ্রাষ্ট্রাকচাৰৰ কাৰণে পইচা আহিছে বুলি কৈছে। বৰ্ত্তমান পি. এইচ. চি.বিলাক আৰ. মাৰ্ক কৰাৰ কথা কৈছে। ভেকচিনবিলাক মাইনাচত থাকিব লাগিব। গতিকে তেনেকুৱা ধৰণৰ ব্যৱস্থা লাগিব। সেইটো মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। মোৰ শেষ পইন্টটো হৈছে নিউৰোলোজি, জি. এন. আৰ. চি. হস্পিতালবিলাক আজি মনোপলি হৈছে। কার্ডোলোজি, নেফ্রোলোজি আদি বিভাগৰ ২/৩জন মানহে ডাক্তৰ আছে। মই মাননীয় মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো অসমত এই বিভাগবিলাকৰ পি. জি. কোৰ্চবিলাকৰ কথা চিন্তা কৰাৰ কাৰণে। তিনিওখন মেডিকেল কলেজৰ কাৰণে সুকীয়া পুঁজি ধার্য্য কৰিব পাৰি নেকি মাননীয় মন্ত্রী মহোদয়ে এই কথাটো চাব নেকি ? যিবিলাক বিভাগত এক্সপার্ট ডাক্তৰ নাই সেইবিলাক বিভাগত এক্সপার্ট ডাক্তৰ লোৱাৰ ব্যৱস্থা কৰিব লাগে। এক্সপার্টবিলাকে যিহেতু অব্যাহতি লৈছে সেয়েহে আই. এম. চি.য়েও আনিবলৈ বাধ্য হব।

★ **শ্রীনুৰুল হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বিৰুবাৰীত থকা কলেৰা হস্পিতালখন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ দ্বাৰা পৰিচালিত হয়। সেইখন বৰ্ত্তমান জৰাজীর্ণ অৱস্থাত আছে। সেইখন উন্নত কৰাৰ কাৰণে মাননীয় মন্ত্রী মহাশয়ে এটা পদক্ষেপ ললে ভাল হয়।

★ Speech not corrected.

শ্রীহিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীচন্দ্রমোহন পাটোৱাৰী আৰু ডাঃ কমলা কান্ত কলিতা ডাঙৰীয়াই আজি পৱিত্র বিধান সভাত যি গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়ালে, তেওঁলোকক ধন্যবাদ জনাইছো আৰু আশা কৰিছো তেওঁলোকৰ পৰামর্শ মই বিবেচনা কৰি চাম। আমাৰ ডাঃ বি. বৰুৱা Cancer Institutetখন আগতকৈ যথেষ্ট উন্নতি হৈছে আৰু বাহিৰৰ পৰা যথেষ্ট ভাল machine ক্রয় কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই নিজেই আজি দুমাহমানৰ পৰা এটা কথা চিন্তা কৰি আছো যে আমাৰ যিমানবিলাক P.H.C.আৰু C.H.C. আছে সেইবিলাকত কেন্সাৰ ৰোগীৰ সংখ্যা কিমান আৰু কিমান কেন্সাৰ ৰোগী ধৰা পৰিছে তাৰ এটা সমীক্ষা চলোৱাৰ ব্যৱস্থা কৰা হব।

অধ্যক্ষ মহাশয়, কেন্সাৰ ৰোগী যদি আৰম্ভণিতে ধৰা পেলাব পাৰে তেনেহ'লে চিকিৎসা কৰিলে নিশ্চয় উপশম হয়। আমাৰ এটা অসুবিধা হৈছে যে কেন্সাৰ ৰোগটো ধৰা পেলাওতে বহু দেৰি হৈ যায়। ফলত ৰোগীগৰাকী মূমূর্ষ অৱস্থাত চিকিৎসালয় পায়। সেইকাৰণেই মই নিজেই এই বিষয়ে চিন্তা কৰি আছো। আমি বি. বৰুৱা কেন্সাৰ প্রতিষ্ঠানৰ কাৰণে ভাবা আনৱিক গৱেষণাৰ পৰা উন্নত মানৰ machine ক্রয় কৰিছো আৰু অহা তিনি মাহৰ ভিতৰত Medical Collegeত নতুন এম. আৰ. আই. মেচিন ক্রয় কৰা হব। আজি ৰাজ্যখনৰ স্বাস্থ্য বিভাগটো গতিশীল কৰিবলৈ বিচৰা হৈছে। এই বিভাগটোৰ পৰা ৰাজ্যখনৰ জনসাধাৰণে উপকৃত হব পৰাকৈ যাৱতীয় চিকিৎসালয় আৰু তিনিওখন পুৰণা চিকিৎসালয়ৰ বাবে ১২০ কোটি

টকাৰ প্ৰাক্কলন বনাই কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়লৈ পঠিয়াইছো আৰু সেইটো কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ইতিমধ্যে প্লেনিং বিভাগলৈ পঠাইছে। আমি আশা কৰিছো এই তিনিওখন নতুন মেডিকেল কলেজ হ'লে আমাৰ নতুন নতুন ডাক্তৰ উৎপাদন হব। আমাৰ আজি ডাঙৰ সমস্যা হৈছে যে ডাক্তৰৰ অভাৱ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই ক্ষেত্ৰত এটা কথাই কৈছে যে নতুন তিনিখন মেডিকেল কলেজৰ পৰা আমাৰ বছৰি কমেও তিনিশজন নতুন ডাক্তৰ ওলাব। যাৰ ফলত আমাৰ ৰাজ্যখনৰ ডাক্তৰৰ অভাৱ দূৰ হব। মাননীয় অধ্যক্ষ মহোদয়, আমি expert সকলৰ কাৰণে Private Nursing Homeৰ লগত Compete কৰিব লাগিব। আমি কৈছো যে আমি তেওঁলোকক উপযুক্ত দৰমহা দিম। প্ৰয়োজন হ'লে Nursing Home বিলাকতকৈ বেছিকৈ আমি দিম। অনাগত দিনবিলাকত আমাৰ নিশ্চয় ভাল হব। আমি কিয় নোৱাৰিম? আমি নিশ্চয় পাৰিম। এইটো সম্ভৱ হৈ উঠিব। মাননীয় সদস্য শ্ৰীনুৰুল হুছেইন ডাঙৰীয়াই যিকেইটা কথা ক'লে আৰু মই তেখেতৰ সৈতে একমত। মই নিজে গৈ বিৰুবাৰীত থকা চিকিৎসালয়খনলৈ যাম আৰু নিজেই চোৱা-চিতা কৰি আহিমগৈ। তেখেতক মই এইটো প্ৰতিশ্ৰুতি দিলো।

★ **শ্ৰীজ্যোতিষ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিখন হস্পিতাল আছে সেইখনৰ অৱস্থা বৰ্ত্তমান একেবাৰে বেয়া। মাননীয় মন্ত্ৰী মহাশয়ে এবাৰ গৈ চাই বিহীত ব্যৱস্থা ললে ভাল হয়।

শ্ৰীহিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনক লৈ গৈ চিকিৎসালয়খন চাই আহিম বুলি আজি প্ৰতিশ্ৰুতি দিলো।

★ Speech not corrected.

Mr. Speaker : Will you withdraw your Cut Motion?

Is it the pleasure of the House to grant leave to withdraw the Cut Motion?

With the leave of the House Cut Motions are withdrawn.

I, now, put the Motion before the House for approval.

The Motion is that : –

On the recommendation of the Governor of Assam a sum of Rs. 96,558.58 lakh be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 2007 including the sum already spent out of the sum authorised by the Assam appropriation (Vote on Account) Act, 2006 for the administration of 'Medical and Public Health'.

Those who are in favour say, "Ayes";

Those who are against say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Motion is passed.

Grant No. 29 is passed.

STATEMENT BY MINISTER

Mr. Speaker : Now, Hon'ble Minister, Forest, will make a statement.

★ শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহাশয়, অসম চাহ সুৰক্ষা বাহিনীৰ ৪০০ মান জোৱানে আজি তেওঁলোকৰ আন্দোলনৰ কার্য্যসূচীমতে ধর্ণা কার্য্যসূচীত অংশগ্রহণ কৰা আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে। এই সম্পর্কত আমাৰ চৰকাৰৰ বক্তব্য সদনৰ জ্ঞাতার্থে মই জনাব খুজিছো।

অসমৰ চাহ সুৰক্ষা বাহিনী অসমৰ চাহ বাগিছাৰ সুৰক্ষাৰ বাবে ১৯৯৪ চনত গঠন কৰা হয়। এই সুৰক্ষা বাহিনীত ৩০০ জন প্রাক্তন সৈনিক আৰু নতুনকৈ ভর্ত্তি হোৱা ২,৬০৩ জন জোৱানক লৈ মুঠ ২,৯০৩ জন সদস্যই বর্ত্তমান কাম কৰি আছে। ২০০১ চনৰ জুন মাহৰ পাছত এই সুৰক্ষা বাহিনীত কোনো নতুন ব্যক্তিৰ নিযুক্তি হোৱা নাই।

অসম চাহ সুৰক্ষা বাহিনীত কাম কৰা জোৱানসকলৰ চাকৰি চুক্তিমতে ঠিকাভিত্তিক। তেওঁলোকৰ চাকৰিৰ স্থায়ীকৰণৰ বাবে আন্দোলনৰ কার্য্যসূচী চলি থকাৰ বিষয়ে আমাৰ চৰকাৰ অৱগত। অসম চাহ সুৰক্ষা বাহিনীৰ কার্য্যনির্বাহক কল্যাণ সমিতিৰ সদস্যসকলৰ লগত ইতিমধ্যে শীর্ষ বিষয়াৰ পর্য্যায়ত আলোচনা হৈছে।

পবিত্র সদনৰ জ্ঞাতার্থে মই জনাওঁ যে অসম চাহ সুৰক্ষা বাহিনীৰ

★ Speech not corrected.

জোৱানসকলৰ দৈনিক ভাট্টাকে ধৰি সমুদায় খৰছ যি বাগানত নিয়োজিত হয় সেইখন বাগানে বহন কৰে। চৰকাৰৰ ফালৰ পৰা তেওঁলোকৰ উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। কিন্তু তেওঁলোকৰ ক্ষেত্ৰত হোৱা যাৱতীয় খৰছৰ ক্ষেত্ৰত চুক্তিমতে চৰকাৰৰ কোনো দায়িত্ব নাছিল। কিন্তু চাহ সুৰক্ষা বাহিনীৰ জোৱানসকলৰ আইন-শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত অসমৰ বিভিন্ন চাহ বাগানত আগবঢ়োৱা অৰিহণাৰ বাবে আমাৰ চৰকাৰে এই বাহিনীৰ প্ৰশংসা কৰে। তেওঁলোকে ইতিমধ্যে কেবাবাৰো সুদক্ষতাৰে চাকৰি কৰি থকাৰ বাবে মানবীয়তাৰ স্বাৰ্থত তেওঁলোকৰ বিভিন্ন অভাৱ-অভিযোগ আৰু চাকৰিৰ স্থায়ীকৰণৰ দাবীৰ ক্ষেত্ৰত বিবেচনা কৰিবলৈ আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

Mr. Speaker : Discussion on Grant Nos. 26 and 71 will be taken up tomorrow.

